www.asombarta.in

শুদ্ধ আৰু আপোচহীন বার্তাৰ প্রতীক

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

অসম বার্তা

অভাৱ, দৰিদ্ৰ আৰু বেমাৰৰ মাজত কোনো গণতন্ত্ৰ সৰহকাল টিঙি থাকিব নোৱাৰে। — জৱাহৰলাল নেহৰু

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্রতিষ্ঠান আদিয়ে অতি কম খৰহুত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বার্তা' কাকতৰ জৰিয়তে প্রচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বার্তা' গোষ্ঠী -

□ প্রথম বছৰ □ সংখ্যা- ৩৩৩ □ দেওবাৰ □ ১১ অক্টোবৰ, ২০২৬ চন □ Volume/Year- I □ Issue- 333 □ Sunday □ 11th October, 2026 □ Asom Barta, Majuli □ PRGI Reg. No.- ASASS/25/A2361 □ Price- Rs. 10 □ Total Page-8

■ অভিজিৎ দীপকে, সৌৰভ দাস, আশুতোষ ৰাংকাসহ সহস্রাধিকক আটক ■

জ্ঞানেশ কুমাৰক অপসাৰণৰ দাবীত উত্তাল ৰাজধানী

৪৫টা মেট্ৰ' ষ্টেচন বন্ধ; বিভিন্ন গুৰুত্বপূর্ণ স্থানত আৰক্ষী মোতায়েন







নেশ্যনেল ডেস্ক, অসম বার্তা, ১০ অক্টোবৰ ঃ শনিবাৰে দিল্লীৰ যন্তৰ মন্তৰত ককবোচ জনতা পার্টী (চিজেপি)ৰ আহ্বানত অনুষ্ঠিত হ'বলগীয়া প্রতিবাদৰ পূর্বেই দিল্লী আৰক্ষী সক্ৰিয় হৈ পৰিছে। চিজেপি নেতা অভিজিৎ দীপক, সৌৰভ দাস আৰু আশুতোষ ৰাংকাসহ কেইবাজনক আৰক্ষীয়ে আটক কৰা বুলি জানিব পৰা গৈছে। প্রাপ্ত তথ্য অনুসৰি, মুখ্যইৰ পৰা দিল্লীলৈ অহা অভিজিৎ দীপক আৰু তেওঁৰ সহযোগীসকল দিল্লীৰ ইন্দিৰা গান্ধী আন্তঃৰাষ্ট্রীয় বিমানবন্দৰত □ ৬ পৃষ্ঠাত

□ বাৰে-বাৰে নির্বাচনত পৰাস্ত হোৱা বিৰোধীয়ে ৰাইজক বিভ্রান্ত কৰাৰ অভিযোগ □

প্রতিবাদৰ নামত ভেকো-ভাওনা চলাইছে বিৰোধী, চিজেপিয়ে ঃ ড° হিমন্ত বিশ্ব শর্মা



ষ্টাফ বিপৰ্টাৰ, অসম বার্তা, ১০ অক্টোবৰ ঃ দেশজুৰি এছআইআৰ বাতিলৰ দাবী আৰু মুখ্য নির্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ অপসাৰণৰ দাবীত বিৰোধী দল তথা ক'ংবোচ্ছ জনতা পার্টীৰ প্রতিবাদ অব্যাহত থকাৰ মাজতে অসমৰ মুখ্যমন্ত্রী ড° হিমন্ত বিশ্ব শর্মাই এই প্রতিবাদক "ভেকো-ভাওনা" বুলি তীব্র সমালোচনা কৰিছে। ধর্মীয় ভ্রমণৰ উদ্দেশ্যে উত্তৰাখণ্ডৰ হৰিদ্বাৰলৈ যোৱা মুখ্যমন্ত্রীগৰাকীয়ে নাৰায়ণী শিলা মন্দিৰত পূজা-অর্চনা আগবঢ়োৱাৰ অন্তত সাংবাদিকসকলৰ প্রশ্নৰ উত্তৰত এই মন্তব্য প্রকাশ কৰে। দেশৰ ৰাজধানী নতুন দিল্লীকে ধৰি বিভিন্ন প্রান্তত বিৰোধী দল আৰু ক'ংবোচ্ছ জনতা পার্টীয়ে এছআইআৰ বাতিল আৰু মুখ্য নির্বাচন আয়ুক্তৰ □ ৬ পৃষ্ঠাত

মুখ্য নির্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ অপসাৰণৰ দাবীত প্রতিবাদ

দিল্লীত আটক হোৱাৰ অভিযোগ মমতা বেনার্জীৰ



নেশ্যনেল ডেস্ক, অসম বার্তা, ১০ অক্টোবৰ ঃ মুখ্য নির্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ অপসাৰণৰ দাবীত দিল্লীত প্রতিবাদ কৰিবলৈ গৈ আৰক্ষীৰ হাতত আটক হোৱাৰ অভিযোগ উত্থাপন কৰিছে পশ্চিমবংগৰ মুখ্যমন্ত্রী মমতা বেনার্জী। আৰক্ষীয়ে তেওঁলোকক এখন প্রিজন ভেনত প্রায় দুঘণ্টা ধৰি ঘুৰাই ফুৰোৱাৰ অভিযোগ কৰি শনিবাৰে থানাৰ সম্মুখতে প্রতিবাদী অৱস্থান গ্রহণ কৰে মমতাই। □ ৬ পৃষ্ঠাত


হিমাশ্রী বড়োৰ ৰহস্যজনক মৃত্যুৰ তদন্তৰ বাবে অন্ধ্রপ্রদেশ আৰক্ষীৰ এছআইটি গঠন



ষ্টাফ বিপৰ্টাৰ, অসম বার্তা, ১০ অক্টোবৰ ঃ হিমাশ্রী বড়োৰ ৰহস্যজনক মৃত্যুৰ ঘটনাটো অন্ধ্রপ্রদেশ চৰকাৰে অতি গুৰুত্বসহকাৰে লৈছে। শেহতীয়াকৈ এই ঘটনাৰ তদন্তৰ বাবে ২১ জনীয়া জোৱানৰে গঠিত ৭টা আৰক্ষী দল নিয়োগ কৰা হৈছে। ইয়াৰ উপৰি চাৰ্বিজন আৰপিএফ সদস্যৰে গঠিত এক অতিৰিক্ত তদন্তকাৰী দলো নিয়োগ কৰা হৈছে। অসমৰ মুখ্যমন্ত্রী ড° হিমন্ত বিশ্ব শর্মাই শুকুৰবাৰে যুৱতীগৰাকীৰ মৃত্যুত শোক প্রকাশ কৰাৰ লগতে কেন্দ্রীয় মন্ত্রী অশ্বিনী বৈষ্ণৱ আৰু অন্ধ্রপ্রদেশৰ মুখ্যমন্ত্রী এন. চন্দ্রবাবু নাইডুলৈ এক পত্র □ ৬ পৃষ্ঠাত

■ গুৱাহাটীৰ ছেক্টৰ ৫৬স্থিত বাসগৃহৰ পৰা জিম্মাত ■

যন্তৰ মন্তৰৰ প্রতিবাদৰ পূর্বে ইউটিউবাৰ ধ্রুৱ ৰাথীক আটক



নেশ্যনেল ডেস্ক, অসম বার্তা, ১০ অক্টোবৰ ঃ মুখ্য নির্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ পদত্যাগৰ দাবীত ককবোচ জনতা পার্টীয়ে (চিজেপি) দিল্লীৰ যন্তৰ মন্তৰত আহ্বান জনোৱা প্রতিবাদী কার্যসূচীৰ পূর্বে ইউটিউবাৰ ধ্রুৱ ৰাথীক দিল্লী আৰক্ষীয়ে আটক কৰিছে। শনিবাৰে পুৱা গুৱাহাটীৰ ছেক্টৰ ৫৬স্থিত তেওঁৰ বাসগৃহৰ পৰা আৰক্ষীয়ে ৰাথীক জিম্মাত লোৱা বুলি জানিব পৰা গৈছে। সূত্র অনুসৰি, শনিবাৰে পুৱা ৭ বাজি ৪৮ মিনিটত ৰাথীৰ মাতৃয়ে দুৱাৰ খোলাৰ পাছত দিল্লী আৰক্ষীৰ লোক তেওঁৰ বাসগৃহত প্রৱেশ কৰে। শুকুৰবাৰে নিশাৰ পৰাই বাসগৃহৰ বাহিৰত প্রায় ৫০জন আৰক্ষীৰ লোক উপস্থিত আছিল বুলি জানিব পৰা গৈছে। গুৱাহাটীৰ ছেক্টৰ ৫৬ৰ চেণ্ট্রেল পার্ক বিহাৰত থকা পৰিয়ালৰ □ ৭ পৃষ্ঠাত

"বদৰুদ্দিন আজমল হৈছে হিমন্ত বিশ্ব শর্মাৰ লাখুটি"

আজমলৰ যুগলবন্দীয়ে কংগ্রেছক পৰাজিত কৰিলে ঃ গৌৰৱ গগৈ



ষ্টাফ বিপৰ্টাৰ, অসম বার্তা, ১০ অক্টোবৰ ঃ "ভৱা কথা নহয় সিদ্ধি, বাটত আছে কণা বিধি"-এই প্রবাদৰ দৰেই নগাঁও লোকসভা সমষ্টিত কংগ্রেছে আগতীয়াকৈ কৰা দাবী সফল নহ'ল। কংগ্রেছৰ দুর্গ হিচাপে পৰিচিত এই সমষ্টিটোত এইবাৰ কংগ্রেছৰ বেয়াকৈ মুখথেকেচা খায়। অসম প্রদেশ কংগ্রেছ তথা সাংসদ গৌৰব গগৈয়ে এইবাৰো নগাঁও সমষ্টি কংগ্রেছেই দখল কৰিব বুলি আত্মবিশ্বাসেৰে কৈছিল। কিন্তু কার্যতঃ সেয়া হৈ নুহিল। ইয়াৰ বিপৰীতে নগাঁও লোকসভা সমষ্টি বিজেপিৰ দখললৈ যায় আৰু এআইইউডিএফে □ ৬ পৃষ্ঠাত

ৰাজধানী চহৰখনত বৃহৎ সংখ্যক নিৰাপত্তাৰক্ষী মোতায়েন

যন্তৰ-মন্তৰৰ প্রতিবাদৰ মাজতে নতুন দিল্লীত অৰবিন্দ কেজৰিৱাল আটক



নেশ্যনেল ডেস্ক, অসম বার্তা, ১০ অক্টোবৰ ঃ ৰাজধানী নতুন দিল্লীত আম আদমী পার্টী (আপ)ৰ আহ্বায়ক তথা দিল্লীৰ প্রাক্তন মুখ্যমন্ত্রী অৰবিন্দ কেজৰিৱালক দিল্লী আৰক্ষীয়ে আটক কৰিছে। যন্ত্রৰ-মন্ত্রৰত ককবোচ জনতা পার্টী (চিজেপি)য়ে আহ্বান জনোৱা প্রতিবাদক কেন্দ্র কৰি নিৰাপত্তা বেষ্টনী কটকটায়া কৰি তোলাৰ সময়তে এই ঘটনা □ ৬ পৃষ্ঠাত

"এইটো কেৱল অখিল গগৈৰ সমস্যা নহয়, অসমৰ আটাইতকৈ সমৃদ্ধিশালী অবিভক্ত শিৰসাগৰ জিলাৰ সমস্যা"

অখিল গগৈৰ সত্যাগ্রহৰ ২০০ ঘণ্টা অতিক্রম ঃ সঁহাৰি নাই চৰকাৰৰ

ষ্টাফ বিপৰ্টাৰ, অসম বার্তা, ১০ অক্টোবৰ ঃ বিধায়ক অখিল গগৈৰ সত্যাগ্রহ প্রতিবাদই ২০০ ঘণ্টা অতিক্রম কৰিছে। কিন্তু চৰকাৰে এতিয়ালৈকে এই বিষয়টোত গুৰুত্ব নিদিয়া বুলি তেওঁ তীব্র ক্ষোভ প্রকাশ কৰিছে। সত্যাগ্রহস্থলীত উপস্থিত থাকি তেওঁ কয় যে এই আন্দোলন কেৱল তেওঁৰ ব্যক্তিগত সমস্যা নহয়। □ ৬ পৃষ্ঠাত

ন'বেল শান্তি বঁটা নোপোৱাত ট্রাম্পৰ ক্ষোভ

বিশ্বৰ আঠখন যুদ্ধ বন্ধ কৰাৰ বাবে মোক আঠটা ন'বেল শান্তি বঁটা প্রদান কৰিব লাগে ঃ ট্রাম্প



অনলাইন ডেস্ক, অসম বার্তা, ১০ অক্টোবৰ ঃ ন'বেল শান্তি বঁটা লাভ নকৰাৰ ক্ষোভ এইবাৰ মুকলিকৈ প্রকাশ কৰিলে আমেৰিকাৰ ৰাষ্ট্রপতি ডনাল্ড ট্রাম্পে। তেওঁৰ দাবী, বিশ্বৰ আঠখন যুদ্ধ বন্ধ কৰাৰ বাবে তেওঁক আঠটা ন'বেল শান্তি বঁটা প্রদান কৰিব লাগিছিল। কিন্তু তেওঁক বঁটা নিদিয়াৰ বাবে নৰৱেকে নিউয়র্কৰ ছিবাকিউজত এখন ৰাজহুৱা সভাত ভাষণ দি ট্রাম্পে কয় যে তেওঁক ন'বেল শান্তি বঁটা নিদিয়াৰ সিদ্ধান্ত নৰৱেৰ বাবে এক কলংক হৈ ৰ'ব। তেওঁৰ মতে, এই সিদ্ধান্তই বঁটাটোৰ সন্মান ম্লান কৰিছে। ট্রাম্পে কয়, "আমেৰিকাই মোৰ নেতৃত্বত যি কাম কৰিছে, তাৰ বাবে ন'বেল শান্তি বঁটা পোৱা উচিত আছিল। কিন্তু সেয়া নহ'ল। নৰৱেৰ এই □ ৭ পৃষ্ঠাত

গৌৰৱ-ৰকিবুল নহয়, আজমল কেনেকৈ শক্তিশালী হ'ল সেয়াই মূল আলোচনাৰ বিষয় ঃ জয়ন্ত মল্লবৰুৱা



কংগ্রেছ ৰাইজৰ পৰা আঁতৰি থকাৰ বাবেই পৰাজয়ৰ দাবী

ষ্টাফ বিপৰ্টাৰ, অসম বার্তা, ১০ অক্টোবৰ ঃ নগাঁও লোকসভা সমষ্টিৰ উপ-নির্বাচন ফলাফল ঘোষণা হোৱাৰ পিছত ৰাজ্যৰ ৰাজনৈতিক মহলত বিভিন্ন প্রতিক্রিয়া ওলাই আহিছে। এই প্রসংগত মন্ত্রী জয়ন্ত মল্লবৰুৱাই কয়, "এতিয়া গৌৰব গগৈ বা ৰকিবুল হুছেইন আলোচনাৰ বিষয়ে হৈ থকা নাই। এতিয়া মূল আলোচনাৰ বিষয় হৈছে বদৰুদ্দিন আজমল। আজমল কেনেকৈ শক্তিশালী হ'ল, সেয়াহে আমি আলোচনা কৰিব লাগে।" শুকুৰবাৰে ঘোষিত □ ৬ পৃষ্ঠাত

বন্ধৰ আহ্বান; প্রধানমন্ত্রীৰ কার্যালয়ৰ হস্তক্ষেপৰ দাবী বীৰেণ সিঙৰ

মণিপুৰত পুনৰ হিংসা! একেদিনাই সাতজনৰ মৃত্যু

নেশ্যনেল ডেস্ক, অসম বার্তা, ১০ অক্টোবৰ ঃ মণিপুৰত পুনৰ নতুনকৈ সৃষ্টি হোৱা হিংসাত্মক পৰিস্থিতিয়ে ৰাজ্যখনক নিৰাপত্তা ব্যৱস্থাক লৈ গভীৰ উদ্বেগৰ সৃষ্টি কৰিছে। বিভিন্ন স্থানত সংঘটিত হিংসাত্মক ঘটনাত একেদিনাই সাতজন লোকৰ মৃত্যু হোৱা বুলি খবৰ প্রকাশ পাইছে। আনহাতে, বাসগৃহত অগ্নিসংযোগ আৰু এখন আৰক্ষী থানা জ্বলাই দিয়াৰ ঘটনাই পৰিস্থিতি অধিক জটিল কৰি তুলিছে। কামজং জিলাৰ ছাছাৰ, উখৰুল জিলাৰ ইয়াওলেন আৰু কাংপকপি □ ৬ পৃষ্ঠাত

বিদেশী শক্তিৰ সৈতে মিলি অৰাজকতা বিয়পোৱাৰ অভিযোগ বিজেপিৰ


চিজেপিৰ প্রতিবাদক 'ফ্লপ শ্ব' আখ্যা বিজেপিৰ

নেশ্যনেল ডেস্ক, অসম বার্তা, ১০ অক্টোবৰ ঃ ক'ংবোচ্ছ জনতা পার্টীৰ প্রতিবাদক বিদেশী শক্তিৰ সৈতে মিলিত হৈ দেশত অৰাজকতা বিয়পাই দিয়াৰ অভিযোগ তুলিছে বিজেপিয়ে। শনিবাৰে দিল্লী চৰবক 'পণবন্দী' কৰিবখাৰ উদ্দেশ্যেৰে কৰা এইপ্রতিবাদক 'ফ্লপ শ্ব' অর্থাৎ সম্পূর্ণ অসফল কার্যসূচী বুলি বিজেপিয়ে আখ্যা □ ৬ পৃষ্ঠাত



■ প্রতিবাদকাৰীক গ্রেপ্তাৰ বন্ধ কৰক, নহ'লে পুনৰ অনশন ■

দিল্লী আৰক্ষীলৈ সোণম ৰাংচুকৰ ২৪ ঘণ্টাৰ সময়সীমা



নেশ্যনেল ডেস্ক, অসম বার্তা, ১০ অক্টোবৰ ঃ ক'ংবোচ জনতা পার্টী (CJP)ৰ প্রতিবাদৰ মাজতে দেশৰ ৰাজধানী নতুন দিল্লীত যুদ্ধংদেহী পৰিস্থিতিৰ সৃষ্টি হৈছে। আৰক্ষীৰ কঠোৰ পদক্ষেপৰ পিছতো ৰাজধানীৰ বিভিন্ন স্থানত প্রতিবাদ অব্যাহত আছে। আৰক্ষীৰ বাধা নেওচি আগবাঢ়ি অহা শ-শ প্রতিবাদকাৰীক দিল্লী আৰক্ষীয়ে ইতিমধ্যে আটক কৰিছে। CJPৰ তিনিজন শীর্ষ নেতা অভিজিৎ দীপকে, সৌৰভ দাস আৰু আশুতোষ ৰাংকাক প্রতিবাদস্থলীত উপস্থিত হোৱাৰ পূর্বেই দিল্লী বিমানবন্দৰৰ পৰা আটক কৰা হয়। ইয়াৰ লগতে □ ৬ পৃষ্ঠাত

ঢাক-ঢোল আৰু মন্ত্রোচ্চাৰণেৰে মুখৰিত অসমৰ আকাশ-বতাহ

শৰতৰ স্নিগ্ধ পৰশত ধৰালৈ আগমন মহিষমর্দিনী দেৱী দুর্গাৰ



নিউজ ডেস্ক, অসম বার্তা, ১০ অক্টোবৰ ঃ আজি মহালয়া। পিতৃপক্ষৰ অন্ত পৰি দেবীপক্ষৰ সূচনা হোৱাৰ লগে লগে হিন্দু লোকবিশ্বাস অনুসৰি দুর্গতিনাশিনী দেবী দুর্গাই মর্তলোকলৈ আগমন কৰিছে। এই আগমনৰ মাজেৰে অসমৰ চৌদিশে শাৰদীয় দুর্গা পূজাৰ উৎসমুখৰ পৰিবেশ আৰম্ভ হৈছে। ৰাজ্যৰ বিভিন্ন প্রান্তত পুৱতি নিশাৰ পৰাই ঢাক-ঢোলৰ শব্দ, শঙ্খধ্বনি আৰু মন্ত্রোচ্চাৰণে আকাশ বতাহ মুখৰিত কৰি তোলে। গুৱাহাটী মহানগৰীত মহালয়াৰ প্রভাত অতি ভক্তিভৰা পৰিবেশত উদ্যাপন কৰা হয়। পুৱতি নিশাৰ পৰাই ব্রহ্মপুত্রৰ □ ৬ পৃষ্ঠাত

প্রায় ৫০ বছৰৰ গৌৰৱময় অধ্যায়ৰ অৱসানৰ আশংকা

শেষ হ'ব নেকি কহিনুৰ থিয়েটাৰৰ যাত্রা?

নিউজ ডেস্ক, অসম বার্তা, ১০ অক্টোবৰ ঃ অসমৰ ভ্রাম্যমাণ থিয়েটাৰ জগতত এটা সোণালী অধ্যায়ৰ অৱসান ঘটিব নেকি? প্রায় ৫০ বছৰ ধৰি দর্শকক মনোৰঞ্জন দি অহা কহিনুৰ থিয়েটাৰ বন্ধ হ'ব পাৰে বুলি চর্চা চলিছে। দলটোৰ পৰিচালক তপন লহকৰে ছ'চিয়েল মিডিয়াত কৰা এক পোষ্টৰ পিছতে এই জল্পনা-কল্পনাৰ সৃষ্টি হৈছে। শেহতীয়াকৈ তপন লহকৰে লিখিছে, "Balnut kothai ase... But No More



Kohinoor Theatre।" এই মন্তব্যৰ জৰিয়তে তেওঁ কহিনুৰ থিয়েটাৰৰ নাট্যযাত্রা ইয়াতেই শেষ হ'ব নেকি বুলি প্রশ্ন উত্থাপন কৰিছে। অবশ্যে থিয়েটাৰ দলটো বন্ধ কৰাৰ চূড়ান্ত সিদ্ধান্ত লোৱা হৈছে □ ৬ পৃষ্ঠাত

বৰ্ণিল কাৰ্যসূচীৰে পঞ্চম বাৰ্ষিক কেন্দ্ৰীয় কৰম উৎসৱৰ সফল সামৰণি

জাতি-জনগোষ্ঠীৰ মিলনভূমিত পৰিণত নলনি খেলপথাৰ



অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, সৰুপথাৰ, ১০ অক্টোবৰ ঃ বাৰেৰহণীয়া কৃষ্টি-সংস্কৃতিৰ সমাহাৰ, পৰম্পৰাৰ অনন্য প্ৰকাশ আৰু সম্প্ৰীতিৰ অপূৰ্ব নিদৰ্শনেৰে বিভিন্ন জাতি-জনগোষ্ঠীৰ মিলনভূমিত পৰিণত হ'ল সৰুপথাৰৰ নলনি খেলপথাৰ। অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ সৰুপথাৰ শাখাৰ উদ্যোগত, অসম চাহ-জনজাতি মহিলা সমিতিৰ সৰুপথাৰ শাখা আৰু ধনশিৰি অঞ্চলৰ ৰাইজৰ সহযোগত আয়োজিত পঞ্চম বাৰ্ষিক কেন্দ্ৰীয় কৰম উৎসৱৰ শুকুৰবাৰে বৰ্ণিল কাৰ্যসূচীৰে সফল সামৰণি পৰে। দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত এই উৎসৱত চাহ জনগোষ্ঠীৰ পৰম্পৰাগত লোকাচাৰ, নৃত্য-গীত আৰু সাংস্কৃতিক ঐতিহ্যৰ লগতে সৰুপথাৰ সমজিলাৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ সমন্বয় আৰু ভাতৃত্ববোধৰ এক সুন্দৰ প্ৰতিচ্ছবি প্ৰতিফলিত হয়। উল্লেখ্য যে কৰম উৎসৱ কেৱল চাহ জনগোষ্ঠীৰ এক পৰম্পৰাগত ধৰ্মীয়-সাংস্কৃতিক উৎসৱেই নহয়, বৰঞ্চ প্ৰকৃতিৰ প্ৰতি শ্ৰদ্ধা, কৃষিজীৱনৰ সৈতে সম্পৰ্ক আৰু সমাজৰ মাজত ঐক্য-সংহতিৰ বাৰ্তা বহন কৰা এক বৰ্ণাঢ্য পৰম্পৰা। এই পৰম্পৰাক জীয়াই ৰখাৰ লগতে নৱপ্ৰজন্মৰ মাজত নিজৰ কৃষ্টি-সংস্কৃতিৰ প্ৰতি আগ্ৰহ আৰু দায়বদ্ধতা গঢ়ি তোলাৰ উদ্দেশ্যে আয়োজন কৰা কেন্দ্ৰীয় কৰম উৎসৱে এইবাৰো সকলোৰে দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হয়। উৎসৱৰ পুৱাৰ ভাগত অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ সৰুপথাৰ শাখাৰ সভাপতি পুনেশ্বৰ মুদিয়ে সন্থাৰ পতাকা উত্তোলন কৰি দিনজোৰা কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। ইয়াৰ পিছতে শাখাৰ সম্পাদক সোণাৰাম গঞ্জুৱে স্মৃতি তৰ্পণ কৰে আৰু উদযাপন সমিতিৰ সভাপতি দ্বিপেন কুমাৰ বৰাই সাংস্কৃতিক ধ্বজা উত্তোলন কৰে। উৎসৱৰ কাৰ্যসূচীৰ অংশ হিচাপে বৃক্ষৰোপণ, মূল তোৰণ মুকলি, ছাত্ৰ-ছাত্ৰীৰ মাজত সাহিত্য প্ৰতিযোগিতা আৰু বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা অনুষ্ঠিত কৰা হয়। সাংস্কৃতিক শোভাযাত্ৰাই উৎসৱৰ বাকৰিত এক বিশেষ মাত্ৰা প্ৰদান কৰে। সৰুপথাৰ সমজিলাৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ সাংস্কৃতিক দলে নিজ নিজ জনগোষ্ঠীৰ পৰম্পৰাগত সাজ-পোছাক, নৃত্য-গীত আৰু কলা-কৃষ্টিৰ মনোমোহা প্ৰদৰ্শনেৰে শোভাযাত্ৰাক বৰ্ণিল কৰি তোলে। বিভিন্ন জনগোষ্ঠীৰ সাংস্কৃতিক বৈচিত্ৰ্যৰ মাজত নিহিত হৈ থকা ঐক্য আৰু সমন্বয়ৰ বাৰ্তাই উপস্থিত ৰাইজক আপ্লুত কৰে। শোভাযাত্ৰাৰ সময়ছোৱাত নলনি খেলপথাৰৰ সমগ্ৰ পৰিৱেশ উৎসৱমুখৰ হৈপৰাৰ লগতে খেলপথাৰখন যেন সকলো জাতি-জনগোষ্ঠীৰ মিলনক্ষেত্ৰত পৰিণত হয়। এনে আয়োজনৰ জৰিয়তে সমাজৰ বিভিন্ন জনগোষ্ঠীৰ মাজত থকা পাৰস্পৰিক বুজাবুজি, সদ্ভাৱ, সম্প্ৰীতি আৰু সমন্বয়ৰ এনাজৰীডাল অধিক শক্তিশালী হোৱাৰ লগতে অসমৰ বাৰেৰহণীয়া সাংস্কৃতিক ঐতিহ্যৰো সুন্দৰ প্ৰকাশ ঘটে। উৎসৱৰ বিয়লিৰ ভাগত পৰম্পৰাগত ৰীতি-নীতিৰে কৰম ডাল আদৰি অনা হয়। মাংগলিক কাৰ্য আৰু পৰম্পৰা অনুসৰি কৰম ডাল নলনি খেলপথাৰত নিৰ্মাণ কৰা নিৰ্দিষ্ট বেদিত স্থাপন কৰা হয়। কৰম ডালক কেন্দ্ৰ কৰি সম্পন্ন হোৱা এই পৰম্পৰাগত অনুষ্ঠানত চাহ জনগোষ্ঠীৰ ধৰ্মীয় বিশ্বাস, প্ৰকৃতিৰ প্ৰতি শ্ৰদ্ধা আৰু পূৰ্বপুৰুষৰ পৰা চলি অহা সাংস্কৃতিক পৰম্পৰাৰ প্ৰতিফলন ঘটে। কৰম ডাল স্থাপনৰ সময়ত উৎসৱৰ বাকৰিত এক গাম্ভীৰ্যপূৰ্ণ অথচ উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হয়। ইয়াৰ পিছতে উৎসৱৰ বাকৰিত পুনেশ্বৰ মুদিৰ সভাপতিত্বত এখন মুকলি সভা অনুষ্ঠিত হয়। সভাৰ আৰম্ভণিতে উদযাপন সমিতিৰ সভাপতি দ্বিপেন কুমাৰ বৰাই আদৰণি ভাষণ প্ৰদান কৰি কেন্দ্ৰীয় কৰম উৎসৱৰ উদ্দেশ্য আৰু গুৰুত্বৰ বিষয়ে আলোকপাত কৰে। আনহাতে, আটছাৰ সৰুপথাৰ শাখাৰ সম্পাদক সোণাৰাম গঞ্জুৱে উদ্বোধনী ভাষণ প্ৰদান কৰে। মুকলি সভাৰ অন্যতম আকৰ্ষণ আছিল নিলম বৰাৰ সম্পাদনাৰে প্ৰকাশিত 'কঁাশীফুল' নামৰ(তৃতীয় সংখ্যা) এখন স্মৃতিগ্ৰন্থৰ উন্মোচন। সৰুপথাৰ সমজিলাৰ লোক-সংস্কৃতিৰ গৱেষক ধৰ্মেশ্বৰ দুৱৰাই স্মৃতিগ্ৰন্থখন উন্মোচন কৰে। কৰম উৎসৱৰ সৈতে জড়িত সাংস্কৃতিক পৰম্পৰা, সমাজ-জীৱনৰ অভিজ্ঞতা আৰু জনগোষ্ঠীয় ঐতিহ্যক সংৰক্ষণ তথা নথিভুক্ত কৰাৰ ক্ষেত্ৰত এনে স্মৃতিগ্ৰন্থই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি উপস্থিত ৰাইজে আশা প্ৰকাশ কৰে। দিনটোৰ কাৰ্যসূচীৰ অন্তিম পৰ্যায়ত সন্ধিয়া কৰম ডাল স্থাপন কৰা বেদিৰ চৌপাশে অনুষ্ঠিত হয় পৰম্পৰাগত কৰম আখৰা বন্দনা। চাহ জনগোষ্ঠীৰ ডেকা-গাভৰুৰ পৰা আৰম্ভ কৰি জ্যেষ্ঠজনলৈকে বিভিন্ন বয়সৰ লোকে এই পৰম্পৰাগত অনুষ্ঠানত অংশগ্ৰহণ কৰে। ডেকাসকলৰ হাতৰ মাদলৰ ছন্দময় চাপৰত গাভৰুসকলে পৰিৱেশন কৰা ঝুমুৰ নৃত্যই উৎসৱৰ বাকৰিত এক অপূৰ্ব লোক-সাংস্কৃতিক পৰিৱেশৰ সৃষ্টি কৰে। মাদলৰ চেৱে চেৱে ঝুমুৰ নৃত্যৰ মনোমোহা ছন্দত কৰম উৎসৱৰ পৰম্পৰাগত সৌন্দৰ্য যেন প্ৰাণ পাই উঠে। উপস্থিত ৰাইজে এই দৃশ্য উপভোগ কৰি আনন্দত মতলীয়া হৈ পৰে। ইয়াৰ পিছতে অনুষ্ঠিত হয় গীতৰ শৰাই অনুষ্ঠান। অনুষ্ঠানত কণ্ঠশিল্পী অমৃত তাঁতীয়ে এটাৰ পিছত এটাকৈ গীত পৰিৱেশন কৰি উপস্থিত ৰাইজক আপ্লুত কৰে। শিল্পীগৰাকীৰ গীতৰ তালে তালে বহু লোক নাচি-বাগি আনন্দ-উল্লাসত অংশগ্ৰহণ কৰে। পৰম্পৰাগত কৰম নৃত্য-গীতৰ লগতে আধুনিক সংগীতৰ মনোৰম সমাহাৰেৰে নলনি খেলপথাৰ নিশালৈকে উৎসৱমুখৰ হৈ থাকে। সামগ্ৰিকভাৱে পঞ্চম বাৰ্ষিক কেন্দ্ৰীয় কৰম উৎসৱে চাহ জনগোষ্ঠীৰ সমৃদ্ধ লোক-সংস্কৃতি আৰু পৰম্পৰাক উজ্জীৱিত কৰাৰ লগতে সৰুপথাৰ সমজিলাৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজত ঐক্য, সম্প্ৰীতি আৰু ভাতৃত্ববোধৰ এক সুন্দৰ নিদৰ্শন দাঙি ধৰে। পৰম্পৰাগত কৃষ্টি-সংস্কৃতিৰ সংৰক্ষণ আৰু প্ৰচাৰৰ লগতে সামাজিক সমন্বয়ৰ ক্ষেত্ৰতো এই উৎসৱে বিশেষ তাৎপৰ্য বহন কৰে। বৰ্ণিল সাংস্কৃতিক পৰিৱেশ, পৰম্পৰাৰ প্ৰতি শ্ৰদ্ধা আৰু সকলোৰে স্বতঃস্ফূৰ্ত অংশগ্ৰহণৰ মাজেৰে পঞ্চম বাৰ্ষিক কেন্দ্ৰীয় কৰম উৎসৱৰ সফল সামৰণি পৰে। অনুষ্ঠানত সৰুপথাৰ সমষ্টিৰ বিধায়ক বিশ্বজিৎ ফুকন, সাংসদ কামাখ্যা প্ৰসাদ তাছা, বিশিষ্ট সাহিত্যিক তথা লোক-সংস্কৃতিৰ গৱেষক ধৰ্মেশ্বৰ দুৱৰা, আটছাৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি জগদীশ বৰাইক আৰু সাধাৰণ সম্পাদক সুনীল তিৰ্কি, বিশিষ্ট শিক্ষাবিদ সিদ্ধেশ্বৰ শইকীয়া, অৱসৰী অধ্যক্ষা মণিপ্ৰভা বৰা, আটছা কেন্দ্ৰীয় সমিতিৰ কাৰ্যনিৰ্বাহক সদস্য মহেশ্বৰ গোৱালা, উপ সভাপতি অনিত গড়, আটুৱা কেন্দ্ৰীয় সমিতিৰ উপ সভানেত্ৰী জীনুপ্ৰভা লোধী, গোলাঘাট জিলা আটছাৰ সভাপতি সুশীল কালিন্দী, সম্পাদক মনোজ মহানন্দ, আটুৱা গোলাঘাট জিলাৰ সভানেত্ৰী মমিতা বেহৰা আৰু সম্পাদিকা দামিনী কালিন্দী, উদযাপন সমিতিৰ সভাপতি দ্বীপেন বৰা, কাৰ্যকৰী সভাপতি লক্ষ্মীনাথ হেমৰম, যুটীয়া সম্পাদক মিলন ৰাজপুত, বৰুণ কৰ্মকাৰ আৰু স্থানীয় কণ্ঠশিল্পী আনন্দ তাঁতীকে ধৰি ভালেসংখ্যক গণ্যমান্য ব্যক্তি উপস্থিত থাকে।

বঙাইগাঁৱত 'সেৱা সংকল্প অভিযান'ৰ ব্যাপক জনস্বাস্থ্য সঁহাৰি

৩টা বিধানসভা সমষ্টি সামৰি ৮টা স্বাস্থ্য শিবিৰ; ৪,২৩২ গৰাকী ৰোগী উপকৃত



অসম বাৰ্তা, বঙাইগাঁও সদৰ, ১০ অক্টোবৰ ঃ সমগ্ৰ অসমৰ লগতে বঙাইগাঁওৰ ১৬নং অভয়াপুৰী, ১৭ নং সৃজনগ্ৰাম আৰু ১৮ নং বঙাইগাঁও— এই তিনিওটা বিধানসভা সমষ্টি (LAC) সামৰি সফলভাৱে অনুষ্ঠিত কৰা ৮টা স্বাস্থ্য আৰু কল্যাণ শিবিৰৰ যোগেদি 'সেৱা সংকল্প অভিযান'ৰ সাফল্যমণ্ডিত সামৰণি পৰে। এই উদ্যোগে বিশেষকৈ গ্ৰাম্য আৰু দুৰ্গম অঞ্চলৰ লোকসকলৰ কাষলৈ বিশেষজ্ঞ স্বাস্থ্যসেৱা, ৰোগ নিৰূপণ (Diagnostic) সুবিধা আৰু প্ৰয়োজনীয় চৰকাৰী সেৱাসমূহ চলাই নিয়ে। বঙাইগাঁও জিলা প্ৰশাসনৰ সহযোগত জিলা স্বাস্থ্য সমিতি আৰু সংশ্লিষ্ট বিভাগসমূহৰ উদ্যোগত অনুষ্ঠিত এই শিবিৰসমূহত ৰাইজৰ উল্লেখনীয় অংশগ্ৰহণ দেখা যায়। অভিযানৰ সময়ছোৱাত সৰ্বমুঠ ৪,২৩২ গৰাকী ৰোগীক স্বাস্থ্যসেৱা প্ৰদান কৰা হয়। শিবিৰসমূহত ৮টা বিশেষ বিভাগ ক্ৰমে— নাক-কাণ-ডিঙি (ENT), মেডিচিন, চকু ৰোগ (Ophthalmology), স্ত্ৰী ৰোগ (Gynaecology), দন্ত চিকিৎসা, অস্থি ৰোগ (Orthopaedics), সাধাৰণ অস্ত্ৰোপচাৰ (General Surgery) আৰু মানসিক ৰোগ (Psychiatry) বিভাগৰ বিশেষজ্ঞ চিকিৎসকসকলে ৰোগী পৰীক্ষা কৰে। অধিকসংখ্যক লোকে যাতে চিকিৎসা পৰামৰ্শ আৰু সেৱা লাভ কৰিব পাৰে, তাৰ বাবে MBBS আৰু AYUSH চিকিৎসকসকলেও সেৱা আগবঢ়ায়। বিশেষজ্ঞ চিকিৎসা পৰামৰ্শৰ উপৰিও, শিবিৰসমূহত অসংক্ৰামক ৰোগ (NCD) নিৰূপণ, সাধাৰণ স্বাস্থ্য পৰীক্ষা, স্বাস্থ্য সজাগতামূলক পৰামৰ্শ আৰু অধিক উন্নত চিকিৎসা বা পৰীক্ষাৰ প্ৰয়োজন থকা ৰোগীসকলক স্থানান্তৰ (Referral) কৰাৰ ব্যৱস্থা কৰা হয়। সঠিক সময়ত ৰোগ চিনাক্তকৰণ আৰু চিকিৎসাৰ সুবিধাৰ বাবে শিবিৰসমূহত গুৰুত্বপূৰ্ণ পৰীক্ষামূলক সেৱাও প্ৰদান কৰা হয়। স্থানীয় লোকসকলৰ সুবিধাৰ্থে সৰ্বমুঠ ১,৬২৭টা লেবৰেটৰী পৰীক্ষা, ১৩টা ECG আৰু ২৮টা X-Ray পৰীক্ষা সম্পন্ন কৰা হয়। স্বাস্থ্যসেৱাৰ উপৰিও 'সেৱা সংকল্প অভিযান'ৰ জৰিয়তে জন্ম-মৃত্যুৰ প্ৰমাণপত্ৰ পঞ্জীয়ন আৰু প্ৰদান, বিশেষভাৱে সক্ষম ব্যক্তিসকলৰ প্ৰমাণপত্ৰ সংক্ৰান্তিয় সেৱা আৰু PM-JAY/আয়ুষ্মান কাৰ্ড সেৱাৰ দৰে নাগৰিককেন্দ্ৰিক চৰকাৰী সেৱাসমূহ উপলব্ধ কৰোৱা হয়। বিভিন্ন স্থানলৈ গৈ সেৱা লোৱাৰ অসুবিধা হ্ৰাস কৰাৰ উদ্দেশ্যে স্বাস্থ্য আৰু প্ৰশাসনিক সেৱাসমূহক একেখন মঞ্চতে একত্ৰিত কৰা হৈছে। এই শিবিৰসমূহৰ সফল সমাপনে জিলা প্ৰশাসন, জিলা স্বাস্থ্য সমিতি, স্বাস্থ্য কৰ্মী আৰু অংশগ্ৰহণকাৰী বিভাগসমূহৰ বিষয়াসকলৰ সমন্বিত প্ৰচেষ্টাক প্ৰতিফলিত কৰে। জিলাখনৰ তিনিওটা বিধানসভা সমষ্টি সামৰি লোৱা এই অভিযানে সহজলভ্য, সুলভ আৰু জনহিতকৰ ৰাজহুৱা সেৱাৰ প্ৰতি থকা দায়বদ্ধতাক পুনৰ প্ৰমাণ কৰিলে। বিশেষজ্ঞ চিকিৎসকৰ অংশগ্ৰহণ আৰু ৰোগ নিৰূপণ সেৱা, স্বাস্থ্য পৰীক্ষা তথা চৰকাৰী নথিপত্ৰৰ সুবিধাৰ উপস্থিতিয়ে পৰ্যায়ক্ৰমে সম্প্ৰদায়ভিত্তিক স্বাস্থ্যসেৱা প্ৰদানক অধিক শক্তিশালী কৰাৰ দিশত এক গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে পৰিগণিত হৈছে। বঙাইগাঁও জিলা প্ৰশাসনে শিবিৰসমূহ সফলতাৰে সম্পন্ন কৰাত সহায় কৰা ৰাইজৰ সহযোগিতা আৰু স্বাস্থ্যকৰ্মী তথা বিভাগীয় দলসমূহৰ নিষ্ঠাপূৰ্ণ প্ৰচেষ্টাক ধন্যবাদ জনাইছে।

দৰঙত বিশ্ব মানসিক স্বাস্থ্য দিৱস পালন

অসম বাৰ্তা, মঙলদৈ, ১০ অক্টোবৰ ঃ সমগ বিশ্বৰ লগতে দৰঙ জিলাতো ১০ অক্টোবৰত বিশ্ব মানসিক স্বাস্থ্য দিৱস দিনজোৰা কাৰ্যসূচীৰে জিলা স্বাস্থ্য সমিতি, জিলা মানসিক স্বাস্থ্য কাৰ্যক্ৰম আৰু জিলা আইন সেৱা প্ৰাধিকাৰী, দৰঙৰ দ্বাৰা উদ্‌যাপন কৰা হয়। এই উপলক্ষ্য আজি মঙলদৈ আইন মহাবিদ্যালয়ত এখনি সজাগতামূলক সভা অনুষ্ঠিত কৰা হয়। এইবাৰৰ মুল বিষয় বস্তু আছিল "মানসিক স্বাস্থ্যজনিত সমস্যাত ভোগা ব্যক্তিসকলৰ অভিজ্ঞতা ঃ বাস্তৱ অনুভৱ, বাস্তৱ পৰিবৰ্তন।" সজাগতামূলক ভাষণ প্ৰদান কৰে ক্ৰমে যুটীয়া স্বাস্থ্য সেৱা সঞ্চালকালয়ৰ মহকুমা চিকিৎসা ও স্বাস্থ্য বিষয়া ডাঃ ধ্ৰুৱ জ্যোতি চহৰীয়া, মঙলদৈ আইন মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক লুটফুৰ জামান, মনোবিজ্ঞানী পুষ্প কলিতা, মনোৰোগ সমাজসেৱক প্ৰাঞ্জল ঠাকুৰীয়াই। ভাষণ প্ৰসংগত ডাঃ ধ্ৰুৱ জ্যোতি চহৰীয়াই কয় আজিৰ এই বস্তুবাদী সমাজ ব্যৱস্থাত মানুহৰে হঠাতেই মানসিক ৰোগ হ'ব পাৰে, সাধাৰণ ভাৱে সকলো মানুহৰে মানসিক চাপ, উৎকণ্ঠা আদি মগজুৰ পৰা নিয়ন্ত্ৰণ হয়। কিন্তু কিছু সংখ্যকে নিজকে নিয়ন্ত্ৰণ কৰিব নোৱাৰি মানসিক ৰোগৰ চিকাৰ হয়। সেয়ে অকাৰণতে মন মাৰি থকা, কান্দি থকা, কাম-কাজত মনোযোগ নিদিযা, বিষাদগ্ৰস্ততাত ভোগা লোকক চিনাক্ত কৰি মনোৰোগ বিশেষজ্ঞ তথা মনোবিজ্ঞানী, মনো- সমাজকৰ্মীৰ ওচৰত পৰামৰ্শ আৰু চিকিৎসাৰ বাবে আনিব লাগে। সভাত প্ৰাঞ্জল ঠাকুৰীয়াই কয় যে বৰ্তমান সময়ত সমগ্ৰ দেশৰ লগতে অসমতো মানসিক সমস্যাসমূহৰ সমাধানৰ বাবে প্ৰত্যেক জিলা চিকিৎসালয়ত মানসিক ৰোগৰ চিকিৎসা আগবঢ়োৱা হয় লগতে ১৪৪১৬ টেলি-মানস নামেৰে এটি চৰকাৰী টেলি-পৰামৰ্শ কাৰ্যসূচী চলি আছে। মনোবিজ্ঞানী পুষ্প কলিতাই মোবাইল ফোনৰ সঠিক ব্যৱহাৰৰ ওপৰত আলোকপাত কৰে। সভাত জিলা আইন সেৱা প্ৰাধিকৰণৰ বিষয় বস্তু "আজমল বেগ কেচ"ৰ ওপৰত ভাষণ দাঙি ধৰে মঙলদৈ আইন মহাবিদ্যালয়ৰ সহকাৰী-অধ্যাপক লুটফুৰ জামানে। সভাত উপস্থিত থাকে মঙলদৈ আইন মহাবিদ্যালয়ৰ অধ্যাপক, কৰ্মচাৰী আৰু ছাত্ৰছাত্ৰীসকল, জি, এন, এম স্কুল, দৰঙৰ ছাত্ৰীৰ লগতে পাৰা লিগেল ভলণ্টিয়াৰ আৰু অনান্য অনুষ্ঠানৰ লোক উপস্থিত থাকে। সভাত মানসিক ৰোগ আৰু টেলি-মানসৰ সজাগতা মুলক গোহাৰি জনসাধাৰণৰ মাজত বিতৰণ কৰা হয়। এই কাৰ্যসূচী জিলাখনৰ গোটেইকেইখন স্বাস্থ্য খণ্ড চিকিৎসালয় তথা সমূহ আয়ুস্মান আৰোগ্য মন্দিৰত অনুষ্ঠিত কৰা হয়।

৭৫ বছৰীয়া গৌৰৱময় যাত্ৰা; আজিৰে পৰা বুৰৈঘাটত মহাৰজত জয়ন্তী দুৰ্গা পূজাৰ বৰ্ণাঢ্য আয়োজন

অসম বাৰ্তা, জিনজিয়া, ১০ অক্টোবৰ ঃ বিহালী বিধান সভা সমষ্টিৰ এক ঐতিহ্যমণ্ডিত অনুষ্ঠান বৃহত্তৰ বুৰৈঘাট সৰ্বজনীন দুৰ্গা পূজাই এইবাৰ গৌৰৱময় ৭৫ বছৰত ভৰি দিছে। এই উপলক্ষে বুৰৈঘাট কলা-সাংস্কৃতিক মঞ্চত অহা ১১ অক্টোবৰৰ পৰা ২১ অক্টোবৰলৈকে দহদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে মহাৰজত জয়ন্তী সমাৰোহৰ আয়োজন কৰা হৈছে। ১৯৫১ চনতে অঞ্চলটোৰ কেইগৰাকীমান আগৰণুৱা ব্যক্তিৰ প্ৰচেষ্টাত আৰম্ভ হোৱা এই সৰ্বজনীন পূজাখনে আজি বৃহত্তৰ বুৰৈঘাট অঞ্চলৰ জাতি-জনগোষ্ঠীৰ মিলনৰ প্ৰতীক হিচাপে পৰিগণিত হৈছে। মহাৰজত জয়ন্তী উপলক্ষে এইবাৰ পূজা সমিতিয়ে বিশেষ স্মৃতিগ্ৰন্থ প্ৰকাশৰ লগতে বহু আকৰ্ষণীয় কাৰ্যসূচী হাতত লৈছে। ১১ অক্টোবৰ পুৱা ৮ বজাত বৃক্ষৰোপণ কাৰ্যসূচীৰে শুভাৰম্ভ হ'ব। বৃক্ষৰোপণ কৰিব বিশিষ্ট সমাজকৰ্মী মাৰ্কা নৰহ, ত্ৰিলোচন বৰাল, ললিত বাচতোলা আৰু ৰেনু হাজৰিকাই। পুৱা ৯ বজাত ধৰ্মধ্বজা উত্তোলন কৰিব ডম্বৰু উপাধ্যায়ে। ইয়াৰ পিছতে অঞ্চলটোৰ ৭৫ গৰাকী বিশিষ্ট ব্যক্তিৰ দ্বাৰা ৭৫খন পতাকা উত্তোলন কৰা হ'ব, যিয়ে ৭৫ বছৰীয়া যাত্ৰাৰ প্ৰতীক বহন কৰিব। তাৰ পিছত শ্বহীদ আৰু প্ৰয়াত ব্যক্তিসকলক সোঁৱৰি স্মৃতি তৰ্পণ আৰু পুষ্পাঞ্জলি অৰ্পণ কৰা হ'ব। বিয়লি বেলবৰণ আৰু বৈদিক মন্ত্ৰোচ্চাৰণেৰে পূজাৰ শুভাৰম্ভ হ'ব। ১২ৰ পৰা ১৬ অক্টোবৰলৈ প্ৰতিদিনে পুৱা-গধূলি আৰতি, ভজন-কীৰ্তন আৰু নাম-প্ৰসংগৰ আয়োজন কৰা হৈছে। এই পাঁচদিনীয়া ধৰ্মীয় কাৰ্যসূচী আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব বিশিষ্ট ধৰ্মীয় ব্যক্তি যুগনাথ দাহালে। ১৭ অক্টোবৰ দিনৰ ভাগত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত খেল-ধেমালি, কবিতা আবৃত্তি আৰু চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। এই প্ৰতিযোগিতা উদ্বোধন কৰিব শিক্ষাবিদ দীপক আগৰৱালাই। সন্ধিয়া আকৰ্ষণীয় নৃত্য আৰু সংগীত প্ৰতিযোগিতা অনুষ্ঠিত হ'ব, যি উদ্বোধন কৰিব কলা শ্ৰী বিনোদ খনালে। ১৮ অক্টোবৰ দিনজোৰা কাৰ্যসূচীৰ ভিতৰত থাকিব কবি সন্মিলন, আৱতি প্ৰতিযোগিতা আৰু একাংকিকা নাট প্ৰতিযোগিতা। স্থানীয় নাট্যদলসমূহে নাট প্ৰদৰ্শন কৰিব। ১৯ অক্টোবৰ এইদিনা মূল আকৰ্ষণ হ'ব সম্বৰ্ধনা অনুষ্ঠান আৰু পুৰস্কাৰ বিতৰণী সভা। পূজাৰ লগত জড়িত প্ৰতিষ্ঠাপক সদস্য আৰু বিশিষ্ট ব্যক্তিসকলক সম্বৰ্ধনা জনোৱা হ'ব। ২০ অক্টোবৰ গধূলি মুকলি সভা আৰু সাংস্কৃতিক অনুষ্ঠান। মুকলি সভাত সভাপতিত্ব কৰিব অভ্যৰ্থনা সমিতিৰ সভাপতি দেৱৰাজ ছেত্ৰীয়ে। সভাখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব গহপুৰ সমষ্টিৰ বিধায়ক উৎপল বৰাই। এই সভাতেই বহু প্ৰত্যাশিত স্মৃতিগ্ৰন্থখন উন্মোচন কৰিব শোণিতপুৰ লোকসভা সমষ্টিৰ সাংসদ ৰঞ্জিত দত্তই। নিশা আমন্ত্ৰিত জনপ্ৰিয় কণ্ঠশিল্পী সুৰেখা ছেত্ৰীয়ে সংগীত পৰিৱেশন কৰিব। ২১ অক্টোবৰ পৰম্পৰাগত দেৱী বিসৰ্জন আৰু শান্তি-সম্প্ৰীতিৰ বাবে প্ৰাৰ্থনাৰে দহদিনীয়া মহাৰজত জয়ন্তী সমাৰোহৰ সামৰণি পৰিব। এই মহাৰজত জয়ন্তীৰ সকলো কাৰ্যসূচীতে বৃহত্তৰ বুৰৈঘাট অঞ্চলৰ সকলো ৰাইজৰ উপস্থিতি আৰু সহযোগিতা আন্তৰিকতাৰে কামনা কৰিছে উদযাপন সমিতিৰ সভাপতি কিশোৰ উপাধ্যায়, সাধাৰণ সম্পাদক মনোজ চুবেদী আৰু অভ্যৰ্থনা সমিতিৰ সম্পাদক কমল হাজৰিকাই।

দেওমৰনৈৰ গড়গড়ীত ৰাষ্ট্ৰীয় টাইকোৱানডোত সোণ, ব্ৰঞ্জ প্ৰাপক বিতৃষা-দিক্ষীতাক আদৰণি

অসম বাৰ্তা, দেওমৰনৈ, ১০ অক্টোবৰ ঃ ৰাষ্ট্ৰীয় টাইকোৱানডোত সোণ আৰু ব্ৰঞ্জৰ পদক আজুৰি দৰঙলৈ গৌৰৱ কঢ়িয়াই অনা দেওমৰনৈৰ পাৰ্শ্ববৰ্তী গড়গড়ী গাঁৱৰ দুই প্ৰতিভাধৰ বিতৃষা বৰুৱা আৰু দিক্ষিতা বৰুৱাক কালি উষ্ম আদৰণি জনোৱা হয়। উল্লেখ্য যে বহিঃৰাজ্য মধ্যপ্ৰদেশৰ ইণ্ডোৰস্থিত শ্যামেলি দেৱী গ্ৰুপ অফ ইনষ্টিটিউটত সদ্যসমাপ্ত ৪০ সংখ্যক ছাব-জুনিয়ৰ ৰাষ্ট্ৰীয় টাইকোৱানডো চেম্পিয়নশ্বিপ-২০২৬ ত ১৮ কিলো অনূৰ্ধ্বৰ শাখাত বিতৃষা বৰুৱাই স্বৰ্ণ জয় কৰাৰ বিপৰীতে একেখন গাঁৱৰে আন এগৰাকী প্ৰতিভাধৰ দিক্ষিতা বৰুৱাই একে ইভেণ্টৰে ৬৩ কিলো অনূৰ্ধ্বৰ শাখাত ব্ৰঞ্জৰ পদক লাভ কৰি গড়গড়ী গাঁৱৰ লগতে সমগ্ৰ জিলালৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। গড়গড়ী গাঁও সভা আৰু শ্ৰীমন্ত শংকৰদেৱ সংঘ, ৰামকৃষ্ণ প্ৰাথমিক শাখাৰ উদ্যোগত শাখাৰ বাকৰিত এক সম্বৰ্ধনা সভাৰ জৰিয়তে দুয়োগৰাকী খেলুৱৈক আদৰণি জনোৱা হয়। উল্লেখ্য যে দুয়ো গৰাকী খেলুৱৈকে ছিপাঝাৰ-বড়িচৌকা-মহলীয়াপাৰা হৈ টংলা সংযোগী অসম মালা পথৰ বড়িচৌকাৰ পৰা প্ৰায় সাত কিলোমিটাৰ পথ সমদলেৰে আদৰি আনি সভাত উষ্ম আদৰণি জনোৱা হয়। গড়গড়ী গাঁও সভাৰ সভাপতি শশী বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত সভাত খেলুৱৈ দুগৰাকীক প্ৰথমে অসমীয়াৰ স্বাভিমান গামোচাৰে আদৰণি জনাই স্মাৰক, ফুলাম জাপি আৰু সম্বৰ্ধনা পত্ৰৰে সন্মান জনোৱাৰ লগতে স্থানীয় অনুষ্ঠান আৰু ব্যক্তি বিশেষেও সন্মান জনায়। গাঁও সভাৰ সম্পাদক নব কুমাৰ বৰুৱাই আঁত ধৰা সভাত শাখাৰ প্ৰাক্তন সভাপতিদ্বয় অমিয় কুমাৰ চহৰীয়া, মনিৰাম হাজৰিকা, আদৰ্শ কৃষক মহেন্দ্ৰ বৰুৱা, খাদ্য আৰু অসামৰিক বিভাগৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী ৰাম বৰুৱা প্ৰমুখ্যে কেই বাগৰাকী ব্যক্তিয়ে প্ৰতিভাধৰ দুগৰাকীক আশীৰ্বাদমূলক বক্তব্যৰে অভিনন্দন জনায়। দুয়োগৰাকী খেলুৱৈ মহলীয়াপাৰাৰ চিলাৰায় ভৱনস্থিত স্পীৰিট ড'জাং টাইকোৱাণ্ডো প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ প্ৰশিক্ষাৰ্থী।

বৰপেটা ৰোডত ৫ কেজি গাঞ্জা সহ কুখ্যাত সৰবৰাহকাৰীক গ্ৰেপ্তাৰ

অসম বাৰ্তা, বৰপেটাৰোড, ১০ অক্টোবৰ ঃ ৰাজ্যজুৰি আৰক্ষীয়ে নিচামুক্তি অভিযান চলাই থকা নিচামুক্তি অভিযানৰ মাজতে বৰপেটাৰোডত এক সফল অভিযান চলায় আৰক্ষীয়ে। বৰপেটাৰোড আৰক্ষীয়ে এক বিশেষ খবৰৰ ভিত্তিত চলোৱা অভিযানত বৃহৎ পৰিমাণৰ গাঞ্জাসহ এজন কুখ্যাত সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। বৰপেটা ৰোডত আৰক্ষীয়ে চলোৱা এক সফল অভিযানত বৃহৎ পৰিমাণৰ গাঞ্জাসহ এজন কুখ্যাত সৰবৰাহকাৰীকে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। উপলব্ধ খবৰ অনুসৰি, বৰপেটা ৰোড আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া শ্যামল জ্যোতি শইকীয়াৰ নেতৃত্বত চলোৱা এই অভিযানত বিশ্বজিৎ সাহা ওৰফে বিচু সাহা নামৰ সৰবৰাহকাৰীজনক আটক কৰা হয়। ধৃত অভিযুক্তজনৰ ঘৰ বৰপেটা ৰোড চহৰৰ ৭নং ৱাৰ্ডৰ শ্যামাপল্লী অঞ্চলত বুলি জানিব পৰা গৈছে। আৰক্ষীয়ে তেওঁৰ বাসগৃহৰ পৰা তালাচী চলাই প্ৰায় ৫ কেজি গাঞ্জা জব্দ কৰে। বৰপেটা ৰোড আৰক্ষীয়ে এই সন্দৰ্ভত এক গোচৰ ৰুজু কৰি সৰবৰাহ চক্ৰটোৰ লগত জড়িত অন্যান্য লোকসকলৰ সন্ধান অব্যাহত ৰাখিছে। আৰক্ষীৰ এই তৎপৰতাক সচেতন নাগৰিকসকলে প্ৰশংসা কৰিছে।

কলকাতাৰ নিঃসন্তান দম্পতীলৈ দুৰ্গাপূজাৰ উপহাৰ

আইনগতভাৱে তুলি ল'লে চাৰিমহীয়া কন্যা শিশুক

অসম বাৰ্তা, মঙলদৈ, ১০ অক্টোবৰ ঃ শাৰদীয় দুৰ্গাপূজাৰ প্ৰাক্ষণত দৰঙত এক হৃদয়স্পৰ্শী ঘটনাই সকলোৰে মন-প্ৰাণ প্ৰশান্তিৰে ওপচাই পেলাইছে। মঙলদৈস্থিত শিশু আশ্ৰয় আৰু বিশেষ দত্তক কেন্দ্ৰ 'আই'ৰ এটি চাৰিমহীয়া কন্যা শিশোৱে লাভকৰিলে নতুন পিতৃ-মাতৃৰ মৰম আৰু এখন নতুন পৃথিৱী। জন্মৰ পৰাই পিতৃ-মাতৃৰ মৰম-স্নেহৰ পৰা বঞ্চিত হৈ অহা শিশুটিয়ে এতিয়া এক নতুন জীৱন আৰম্ভ কৰিবলৈ আগবাঢ়িছে। স্বচ্ছ আৰু আইনসংগত দত্তক গ্ৰহণ অৰ্থাৎ তুলি লোৱা প্ৰক্ৰিয়াৰ জৰিয়তে শিশুটিয়ে লাভ কৰিছে নতুন অভিভাৱক। এই হৃদয়স্পৰ্শী কাহিনীৰ আনটো পক্ষ হৈছে কলকাতাৰ গৰিয়াৰ এহাল উচ্চশিক্ষিত দম্পতী। বিবাহিত জীৱনৰটা বছৰ পাৰ হোৱাৰ পাছতো সন্তানৰ সুখৰ পৰা বঞ্চিত হৈ থকা দম্পতীহালে সন্তান লাভৰ দীঘলীয়া অপেক্ষাৰ অৱসান ঘটিল দৰঙৰ এই দেৱ শিশুটিক লাভ কৰাৰ লগে-লগে। আইনসংগত প্ৰক্ৰিয়া অনুসৰি শিশুটিক দত্তক গ্ৰহণকাৰী পিতৃ-মাতৃৰ হাতত প্ৰাক্ দত্তক লালন পালনৰ বাবে আনুষ্ঠানিকভাৱে অৰ্পণ কৰা হয়। অহা দুমাহৰ ভিতৰত চূড়ান্ত দত্তক গ্ৰহণৰ আদেশ সম্পূৰ্ণ হোৱাৰ সম্ভাৱনা আছে। কালি বিশেষ দত্তক গ্ৰহণ সংস্থাৰ চৌহদত আয়োজন কৰা হয় এক আবেগিক হস্তান্তৰ অনুষ্ঠান। দৰং জিলা শিশু কল্যাণ সমিতিৰ অধ্যক্ষ ড° লীনা শইকীয়াই শিশু কল্যাণ সমিতিৰ আন চাৰিগৰাকী সদস্যৰ উপস্থিতিত শিশুটিক দত্তক গ্ৰহণকাৰী পিতৃ-মাতৃৰ হাতত অৰ্পণ কৰে। অনুষ্ঠানত ভাষণ প্ৰদান কৰি ড° লীনা শইকীয়াই দম্পতীহালক অভিনন্দন জনোৱাৰ লগতে দত্তক গ্ৰহণৰ এই মহান আৰু আইনসংগত পথ বাছি লোৱাৰ বাবে প্ৰশংসা কৰে। তেওঁ কয় যে সম্পূৰ্ণ চিকিৎসা ইতিহাসসহ এটি স্বাস্থ্যৱান শিশু লাভ কৰাটো দম্পতীহালৰ বাবে সৌভাগ্যৰ কথা। তেওঁ কণমানিজনীক দৰঙৰ পৰা বংগলৈ দুৰ্গাপূজাৰ এক বিৰল উপহাৰ বুলি অভিহিত কৰে। অনুষ্ঠানটো পৰিচালনা কৰে 'আই'ৰ পিতৃ সংগঠনৰ ক্ৰিষ্টেল ভিজনৰ সভাপতি ময়ুখ গোস্বামীয়ে। অনুষ্ঠানত অৱসৰপ্ৰাপ্ত পশুচিকিৎসা বিষয়া তথা সমাজকৰ্মী ডাঃ ভূপেন চহৰীয়া, জিলা শিশু কল্যাণ সমিতিৰ প্ৰাক্তন সদস্য তথা শিশু অধিকাৰ কৰ্মী পূৰ্ণিমা গোস্বামী, ক্ৰিষ্টেল ভিজনৰ সদস্যসকল আৰু কৰ্মচাৰীসকল উপস্থিত থাকে। ইয়াৰ পূৰ্বে দৰং জিলাৰ আয়ুক্ত আয়ুষী জৈনে দত্তক গ্ৰহণ কেন্দ্ৰটো পৰিদৰ্শন কৰি কণমানি শিশুটিক আশীৰ্বাদ জনায়। লগতে তেওঁ দত্তক গ্ৰহণকাৰী পিতৃ-মাতৃক শিশুটিৰ উত্তম যত্ন আৰু লালন-পালন নিশ্চিত কৰিবলৈ আহ্বান জনায়। দৰং জিলাৰ আৰক্ষী অধীক্ষক শৰ্মিষ্ঠা বৰুৱাইও শিশুটিক আশীৰ্বাদ জনোৱাৰ লগতে দম্পতীহালক এনে এক পবিত্ৰ উদ্দেশ্যৰে আগবাঢ়ি অহাৰ বাবে অভিনন্দন জ্ঞাপন কৰে। অনুষ্ঠানত অতিৰিক্ত আৰক্ষী অধীক্ষক ইমা দাস আৰু জিলা শিশু সুৰক্ষা বিষয়া গৌতম চহৰীয়াও উপস্থিত থাকে।

মন্দিয়াত ভয়ংকৰ পথ দুৰ্ঘটনা; থিতাতে নিহত বিদ্যালয়ৰ ছাত্ৰী ৪ বছৰীয়া কণমানি শিশু

অসম বাৰ্তা, মন্দিয়া, ১০ অক্টোবৰ ঃ মন্দিয়া আঞ্চলিক মহাবিদ্যালয়ৰ সমীপত আজি ১২ বজাত স্কুল ছুটীৰ পিছত ভয়ংকৰ পথ দুৰ্ঘটনা সংঘটিত হয়। অতি ভয়াবহ পথ দুৰ্ঘটনাটোত এজনী কণমানি শিশু থিতাতে নিহত হোৱাৰ খবৰে বৃহত্তৰ মন্দিয়া অঞ্চলত শোকৰ ছাঁ পেলাইছে। ঘটনাৰ প্ৰত্যক্ষদৰ্শীৰ ভাষ্য মতে আজি দুপৰীয়া ১২ বজাত স্কুল ছুটীৰ পিছত মন্দিয়া গাঁৱৰ গৌৰ পালৰ চাৰি বছৰীয়া কণমানি শিশু মৈত্ৰী পালক তাইৰ মাকে ঘৰ অভিমুখে লৈ অহাৰ পথত পিছ ফালৰ পৰা ই-ৰিস্কা এখনে তীব্ৰ ভাৱে খুন্দিয়ায়। মূৰত প্ৰচণ্ড ভাৱে আঘাত পোৱা কণমানিজনীৰ থিতাতে মৃত্যু হয়। ই-ৰিস্কাখনত আন কেইবাজনো ছাত্ৰ-ছাত্ৰী গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হৈ মন্দিয়া আদৰ্শ চিকিৎসালয়ত চিকিৎসাৰ ভাৱে স্থানীয় লোকে লৈ আহে। কণমানি শিশুটিৰ দুৰ্ঘটনাত পতিত হোৱা ই-ৰিস্কাখনৰ নম্বৰ হৈছে AS15 CR2161, দুৰ্ঘটনা সংঘটিত হোৱাৰ লগে লগে স্থানীয় ৰাইজৰ মাজত এক হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হয়। খবৰ পোৱা মাত্ৰকে আৰক্ষীৰ এটা দল ঘটনাস্থলীত উপস্থিত হৈ উদ্ধাৰ অভিযান চলায়। আৰক্ষীয়ে ততাতৈয়াকৈ শিশুটি উদ্ধাৰ কৰি প্ৰথমে মন্দিয়া আদৰ্শ চিকিৎসালয়ত প্ৰেৰণ কৰে। এই সমগ্ৰ ঘটনা কেন্দ্ৰ কৰি বৃহত্তৰ মন্দিয়া অঞ্চলত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে।

NAME CORRECTION

My correct name is KOLEMA KHATUN which has been recorded in my all relevant documents including my Aadhar Card vide NO-5988 0153 6459, Voter Id vide NO-DBG2941437 etc, but the name has been wrongly recorded in my savings Bank account of AGV Bank, Lakhiganj Branch vide A/C NO-71500260l9715 as KALEMA BIBI instead of KOLEMA KHA TUN. That, I hereby declare that, "Kolema Khatun" & "Kalema Bibi" are one and same peeson i.e. myself.

S/d
KOLEMA KHATUN
C/O: Ador Hussain,
Vill: Chokapara Pt.III,
PO: Lakhiganj Bazar,
SD: Bilasipara, Pin: 783345,
District: Dhubri, Assam

AB-190/2026

লেংটিছিঙাত মহালয়া পালন; নৃত্য নীড় একাডেমীৰ উদ্যোগত উলিওৱা হ'ল সাংস্কৃতিক শোভাযাত্ৰা

অসম বাৰ্তা, অভয়াপুৰী, ১০ অক্টোবৰ ঃ শাৰদীয় দুৰ্গোৎসৱৰ আগমনৰ বতৰা কঢ়িয়াই অনা পৱিত্ৰ মহালয়াৰ দিনটোত বঙাইগাঁও জিলাৰ লেঙটিছিঙাত এক আধ্যাত্মিক আৰু উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হয়। শ্ৰীশ্ৰী মা দুৰ্গাৰ আগমনক আদৰণি জনোৱাৰ উদ্দেশ্যে নৃত্য নীড় একাডেমীৰ উদ্যোগত লেঙটিছিঙা নতুন বজাৰৰ কালি মন্দিৰ প্ৰাংগনত পৱিত্ৰ মহালয়া পালন কৰাৰ লগতে এক বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। ধৰ্মীয় পৰম্পৰা, ভক্তি আৰু সাংস্কৃতিক ঐতিহ্যৰ সমাহাৰেৰে আয়োজিত এই কাৰ্যসূচীয়ে অঞ্চলটোত শাৰদীয় উৎসৱৰ আনন্দময় পৰিৱেশৰ সূচনা কৰে। মহালয়াৰ পৱিত্ৰ ক্ষণত দেৱী দুৰ্গাৰ আগমনৰ বতৰা বিয়পি পৰাৰ লগে লগে ভক্তপ্ৰাণ ৰাইজৰ মাজত বিশেষ উৎসাহ-উদ্দীপনাৰ সৃষ্টি হয়। এই উপলক্ষে লেঙটিছিঙা নতুন বজাৰ কালি মন্দিৰ প্ৰাংগনত শিৱেন ঘোষৰ সভাপতিত্বত এখন শুভাৰম্ভণি সভা অনুষ্ঠিত হয়। সভাত উপস্থিত ব্যক্তিসকলে মহালয়াৰ তাৎপৰ্য আৰু শাৰদীয় দুৰ্গোৎসৱৰ সৈতে জড়িত ধৰ্মীয় তথা সাংস্কৃতিক পৰম্পৰাৰ বিষয়ে আলোকপাত কৰে। অনুষ্ঠানৰ আৰম্ভণিতে কাৰ্যসূচীৰ উদ্দেশ্য ব্যাখ্যা কৰে লেঙটিছিঙা দুৰ্গা পূজা উদযাপন সমিতিৰ সভাপতি স্বপোন ঘোষে। তেওঁ মহালয়া পালনৰ তাৎপৰ্য ব্যাখ্যা কৰাৰ লগতে শাৰদীয় দুৰ্গোৎসৱক সফল কৰি তুলিবলৈ সকলো শ্ৰেণীৰ ৰাইজৰ সহযোগিতাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ইয়াৰ পিছতে বিশিষ্ট শিক্ষাবিদ শিৱেন ঘোষে বন্তি প্ৰজ্বলন কৰি কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। বন্তি প্ৰজ্বলনৰ জৰিয়তে দেৱী দুৰ্গাৰ আগমনক আদৰণি জনোৱাৰ লগতে সমাজত শান্তি, সম্প্ৰীতি আৰু মংগলৰ কামনা কৰা হয়। অনুষ্ঠানৰ অন্যতম আকৰ্ষণ আছিল দেৱী দুৰ্গাৰ আগমনৰ শুভলগ্নত পৰিৱেশন কৰা দেৱী বন্দনা আৰু নৃত্য প্ৰদৰ্শন। ভক্তিমূলক পৰিৱেশত পৰিৱেশিত দেৱী বন্দনা আৰু নৃত্যই উপস্থিত ৰাইজৰ মাজত এক আধ্যাত্মিক অনুভূতিৰ সৃষ্টি কৰে। নৃত্য নীড় একাডেমীৰ এই উদ্যোগে ধৰ্মীয় পৰম্পৰাৰ সৈতে সাংস্কৃতিক চৰ্চাৰ এক সুন্দৰ সমন্বয় সাধন কৰে। মহালয়াৰ পৱিত্ৰ ক্ষণক অধিক অৰ্থবহ কৰি তোলাৰ লগতে শাৰদীয় দুৰ্গোৎসৱৰ প্ৰাকক্ষণত ৰাইজৰ মাজত উৎসাহ-উদ্দীপনা বৃদ্ধি কৰাত এই কাৰ্যসূচীয়ে বিশেষ ভূমিকা পালন কৰে। অনুষ্ঠানৰ অন্তিম কাৰ্যসূচী হিচাপে উলিওৱা হয় এক সাংস্কৃতিক শোভাযাত্ৰা। লেঙটিছিঙা নতুন বজাৰৰ কালি মন্দিৰ প্ৰাংগনৰ পৰা আৰম্ভ হোৱা শোভাযাত্ৰাটোৱে লেংটিছিঙা নতুন বজাৰ হৈ জানেৰমুখ, দালানভাঙা আদি অঞ্চল পৰিভ্ৰমণ কৰে। শোভাযাত্ৰাৰ জৰিয়তে দেৱী দুৰ্গাৰ আগমনক আদৰণি জনোৱাৰ লগতে শাৰদীয় দুৰ্গোৎসৱৰ বাৰ্তা অঞ্চলটোৰ বিভিন্ন প্ৰান্তলৈ কঢ়িয়াই নিয়া হয়। উল্লেখ্য যে, মহালয়া হৈছে শাৰদীয় দুৰ্গোৎসৱৰ এক বিশেষ তাৎপৰ্যপূৰ্ণ ক্ষণ। এই দিনটোৰ পৰাই দেৱী দুৰ্গাৰ আগমনৰ বতৰা আৰু পূজাৰ প্ৰস্তুতিয়ে এক নতুন মাত্ৰা লাভ কৰে। এনে এক পৱিত্ৰ দিনত নৃত্য নীড় একাডেমীৰ উদ্যোগত আয়োজিত মহালয়া পালন আৰু সাংস্কৃতিক শোভাযাত্ৰাই লেংটিছিঙা অঞ্চলৰ ধৰ্মীয় আৰু সাংস্কৃতিক পৰিৱেশক অধিক উজ্জীৱিত কৰি তোলে। ইফালে, আয়োজকসকলে অনুষ্ঠানটো সুকলমে সম্পন্ন কৰাত সহযোগিতা আগবঢ়োৱা সকলোৰে প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰে। লগতে আগন্তুক শাৰদীয় দুৰ্গোৎসৱ শান্তিপূৰ্ণ আৰু সফলভাৱে উদযাপন কৰিবলৈ স্থানীয় ৰাইজৰ লগতে সকলো স্তৰৰ ৰাইজৰ সহায়-সহযোগিতা কামনা কৰে লেঙটিছিঙা দুৰ্গা পূজা উদযাপন সমিতিয়ে।

গোলাঘাট বাণিজ্য মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ ৫৫ সংখ্যক প্ৰতিষ্ঠা দিৱসত অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামী

"ৰাজপথৰ আন্দোলনতকৈ বৌদ্ধিক আন্দোলন জাতীয় জীৱনৰ বাবে অধিক গুৰুত্বপূৰ্ণ"

অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ১০ অক্টোবৰ ঃ "ৰাজপথৰ আন্দোলনতকৈ বৌদ্ধিক আন্দোলন জাতীয় জীৱনৰ বাবে অধিক গুৰুত্বপূৰ্ণ। অসমীয়া ভাষাৰ শ্ৰীবৃদ্ধিৰ বাবে নৱ প্ৰজন্মই কাম কৰিব লাগিব আৰু ই হ'ব এই বৌদ্ধিক আন্দোলনৰ এক অংশ। নতুন নতুন শব্দৰ সংযোজনেৰে অভিধানও সমৃদ্ধশালী হোৱাটো এইক্ষেত্ৰত আৱশ্যকীয়। সেয়েহে মই নৱপ্ৰজন্মই সততে ব্যৱহাৰ কৰা "বিন্দাছ" শব্দটো অভিধানত অন্তৰ্ভুক্ত কৰিছো, যাৰ অৰ্থ হৈছে কাৰো অধীন নোহোৱা।" গোলাঘাটৰ অগ্ৰণী শিক্ষানুষ্ঠান গোলাঘাট বাণিজ্য মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ ৫৫ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰক্ষা কৰি ৯ অক্টোবৰত অনুষ্ঠিত কৰা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ পুনাৰাম নেওগ স্মাৰক বক্তৃতানুষ্ঠাত "অসমীয়া ভাষাৰ ভৱিষ্যৎ" বিষয়ৰ ওপৰত গভীৰ বিশ্লেষণ আগবঢ়াই এই মন্তব্য কৰে অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীয়ে। সম্পাদক অৰিন্দম বৰাই আঁতধৰা সভাখনিত সভাপতিত্ব কৰে অধ্যক্ষ ড° উৎপল শৰ্মাই। মুকলি সভাৰ পূৰ্বে প্ৰতিষ্ঠা দিৱসৰ প্ৰথম কাৰ্যসূচী হিচাবে পুৱা মহাবিদ্যালয়ৰ পতাকা উত্তোলন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° উৎপল শৰ্মাই। প্ৰতিষ্ঠাপক অধ্যক্ষ পুনাৰাম নেওগৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণ কৰে মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি প্ৰশান্ত কুমাৰ বৰাই, শ্বহীদ। তৰ্পণ কৰে উপাধ্যক্ষা অনামিকা হাজৰিকাই। গছ পুলি ৰোপণৰ লগতে মহাবিদ্যালয়ৰ প্ৰয়াতসকলৰ স্মৃতিত অনুষ্ঠিত অনুষ্ঠান "স্মৃতি-স্মৰণ" উদ্বোধন কৰে জ্যেষ্ঠ সহযোগী অধ্যাপক ডঃ জীৱনজ্যোতি কাকতিয়ে। ৰাতিলৈ মহাবিদ্যালয়ৰ শিক্ষক-ছাত্ৰ সমাজৰ দ্বাৰা সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়। সাংস্কৃতিক অনুষ্ঠানটিত অধ্যক্ষ ড° উৎপল শৰ্মাই ইলেকট্ৰিক গীতাৰ পৰিৱেশন কৰাৰ লগতে উপাধ্যক্ষা অনামিকা হাজৰিকাই কৃষ্ণ বন্দনা নৃত্য আৰু শিক্ষক মন্দিৰা বৰা, ড° ৰিংকী দাস, ড° সোণাশ্ৰী দাস, নীতিমা শৰ্মা, ড° মেঘালী শইকীয়া, ড° প্ৰদীপ বড়া, ড° ৰিংকু শইকীয়া, ৰীমাৰেখা বুঢ়াগোহাই, দীপাৰাণী বৰুৱা, দৃষ্টি ঢেকিয়াল ফুকন, জুলফিকআৰা বেগম আদিয়ে গীত পৰিৱেশন কৰে। অনুষ্ঠানটিত আমন্ত্ৰিত শিল্পী হিচাপে অনন্যা গোস্বামী, শ্ৰীমন্ত হাজৰিকা, সমীৰণ হাজৰিকাই গীত পৰিৱেশন কৰাৰ লগতে কণমানি মুক্তাঙ্গনা বৰাই সত্ৰীয়া নৃত্য পৰিৱেশন কৰে। গোলাঘাটৰ সাংস্কৃতিক গোষ্ঠী "কৃষ্টিমালা"ৰ হৈ পাপৰি শইকীয়া বৰা আৰু সঞ্জই চলিহাই জুবিন গাৰ্গৰ কবিতা-গীতৰ যুগলবন্দীৰে "ৰ'দৰ শব্দ, ধুমুহাৰ গান" শীৰ্ষক এটি মনোজ্ঞ অনুষ্ঠান আগবঢ়ায়। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলেও অনুষ্ঠানটিত অংশ লয়। অসমীয়া সংস্কৃতিৰ বিভিন্ন বিষয়সমূহ কলাত্মকভাৱে উপস্থাপন কৰা সাংস্কৃতিক অনুষ্ঠানটিৰ সামগ্ৰিক পৰিকল্পনা আছিল সম্পাদক অৰিন্দম বৰাৰ। সাংস্কৃতিক অনুষ্ঠানৰ আঁত ধৰে সহকাৰী অধ্যাপক ড° ভাস্কৰ কাকতিয়ে। শলাগৰ শৰাই আগবঢ়াই সহকাৰী অধ্যাপক ড° দেৱজিৎ দত্তই।

কচুগাঁৱৰ গাম্বাৰিবিলত পৱিত্ৰ ব্ৰহ্ম মন্দিৰ মুকলি

অসম বাৰ্তা, গোসাঁইগাঁও, ১০ অক্টোবৰ ঃ মহালয়াৰ পৱিত্ৰ ক্ষণত কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ কচুগাঁও ব্লকৰ অন্তৰ্গত গাম্বাৰিবিল গাঁৱত আজি আনুষ্ঠানিকভাৱে মুকলি কৰা হয় এটা পৱিত্ৰ ব্ৰহ্ম মন্দিৰ। বিশ্ব শান্তি আৰু মানৱ সমাজৰ মংগল কামনাৰে মন্দিৰ প্ৰাংগণত আয়োজন কৰা হয় বিশেষ পূজা-অৰ্চনা আৰু যজ্ঞৰ। বিটিচিৰ কচুগাঁও সমষ্টিৰ অন্তৰ্গত গাম্বাৰিবিলত অৱস্থিত 4th Union আঞ্চলিক স্বৰূপ স্থিতি যোগালয় নামৰ পৱিত্ৰ ব্ৰহ্ম মন্দিৰটো মহালয়াৰ পুণ্য তিথিত আনুষ্ঠানিকভাৱে মুকলি কৰে কচুগাঁও ব্লক বিপিএফৰ সভাপতি বন্নি প্ৰসাদ বড়োৱে। মহালয়া উপলক্ষে মন্দিৰ প্ৰাংগণত সম্পন্ন কৰা হয় বিশেষ যজ্ঞ আৰু ধৰ্মীয় কাৰ্য্যসূচী। পুৰোহিতৰ মন্ত্ৰোচ্চাৰণৰ মাজেৰে বিশ্ব শান্তি, সমাজৰ মংগল আৰু সকলোৰে সুখ-সমৃদ্ধি কামনা কৰি প্ৰাৰ্থনা কৰা হয়। এই ধৰ্মীয় অনুষ্ঠানত স্থানীয় ৰাইজ, ধৰ্মপ্ৰাণ লোকৰ লগতে বিপিএফৰ দলীয় কৰ্মীসকল উপস্থিত থাকে। মন্দিৰ মুকলি কৰি বন্নি প্ৰসাদ বড়োৱে কয়, "আজি মহালয়াৰ এই পৱিত্ৰ দিনটোত আমি এই ব্ৰহ্ম মন্দিৰটো মুকলি কৰিবলৈ পাই আনন্দিত। ইয়ালৈ সকলোৱে আহি শান্তি লাভ কৰিব। আমি বিশ্ব শান্তিৰ বাবে কামনা কৰিছোঁ।" মহালয়াৰ পৱিত্ৰ দিনটোতে ব্ৰহ্ম মন্দিৰটো মুকলি হোৱাক কেন্দ্ৰ কৰি সমগ্ৰ অঞ্চলটোত এক ধৰ্মীয় আৰু আনন্দমুখৰ পৰিৱেশৰ সৃষ্টি হয়।

সদৌ অসম কলেজ কৰ্মচাৰী সন্থা গোলাঘাট জিলা সমিতিৰ দ্বি-বাৰ্ষিক অধিৱেশনৰ সফল সামৰণি

অসম বাৰ্তা, সৰুপথাৰ, ১০ অক্টোবৰ ঃ সৰুপথাৰ মহাবিদ্যালয়ত শনিবাৰে দিনজোৱা কাৰ্যসূচীৰে সদৌ অসম কলেজ কৰ্মচাৰী সন্থাৰ গোলাঘাট জিলা সমিতিৰ দ্বি-বাৰ্ষিক অধিৱেশনখনি সাফল্যমণ্ডিতভাৱে অনুষ্ঠিত হৈ যায়। পুৱা গোলাঘাট জিলা সমিতিৰ সভাপতি অজিত লয়িং আৰু মহাবিদ্যালয়ৰ জ্যেষ্ঠ সহায়ক ৰামকৃষ্ণ পালে পতাকা উত্তোলন কৰাৰ লগতে মহাবিদ্যালয়ৰ উপাধ্যক্ষ জয়ন্ত বৰাই বন্তি প্ৰজ্বলনেৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। অধিৱেশনৰ কাৰ্যনিৰ্বাহক সভাত হেমপ্ৰভা বৰবৰা ছোৱালী মহাবিদ্যালয়ৰ অজিত লয়িঙক সভাপতি আৰু সৰুপথাৰ মহাবিদ্যালয়ৰ নৰোত্তম ৰাভাক সম্পাদক হিচাপে লৈ নতুন জিলা সমিতি গঠন কৰা হয়। ইয়াৰ পিছতে সৰুপথাৰ মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰীসকলৰ সমবেত সংগীতেৰে অনুষ্ঠিত হোৱা মুকলি সভাত সৰুপথাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° প্ৰাপ্তি ঠাকুৰক জনোৱা হয় সম্বৰ্ধনা। জিলাখনৰ প্ৰাক্তন কলেজ কৰ্মচাৰীসকলকো সম্বৰ্ধনা জনোৱা হয়, য'ত সদৌ অসম কলেজ কৰ্মচাৰী সন্থাৰ সভাপতি তুলসী শইকীয়া, সম্পাদক গৌতম গগৈ আৰু উপ-সভাপতি ভৱতোষ পুৰকায়স্থক, কাৰ্যনিৰ্বাহক সদস্য দেৱজিৎ বৰুৱাকে ধৰি কেন্দ্ৰীয় আৰু জিলা সমিতিৰ কেইবাগৰাকীও বিষয়ববীয়া তথা অৱসৰপ্ৰাপ্ত সতীৰ্থ উপস্থিত থাকে। উল্লেখযোগ্য যে ১৯৬০ চনত All Assam Ministral Associationৰ পৰা উত্তৰণ ঘটি গঠিত হোৱা সদৌ অসম কলেজ কৰ্মচাৰী সন্থাই জন্মলগ্নৰে পৰা প্ৰাদেশীকৃত মহাবিদ্যালয় সমূহৰ অনা-শৈক্ষিক কৰ্মচাৰী সকলৰ হেতু কাম কৰি আহিছে। কৰ্মচাৰী সকলৰ স্বাধিকাৰ, নাৰ্য্যতা আৰু সাংবিধানিক সুৰক্ষাৰ নিমিত্তে কৰ্মচাৰী সমাজক সুসংগৰদ্ধ কৰি সামাজিক চেতনাৰে সুৰক্ষিত কৰিবলৈ প্ৰেৰণা যোগাই আহিছে। অসমৰ তিনি শতাধিকতকৈও অধিক প্ৰাদেশীকৃত মহাবিদ্যালয়ৰ মূলতঃ তৃতীয় আৰু চতুৰ্থ শ্ৰেণীক প্ৰতিনিধিত্ব কৰা এইসকল কৰ্মচাৰীয়ে মহাবিদ্যালয়সমূহত কাৰ্যপালিকাৰ দৰে কাম কৰি আহিছে। প্ৰশাসনিক যন্ত্ৰৰ মূল চালিকা শক্তি হিচাপে এই সকল কৰ্মচাৰীয়ে ওৰে জীৱন নিজকে সঁপি দিছে। অনুষ্ঠানৰ শেষত, সদৌ অসম কলেজ কৰ্মচাৰী সন্থাৰ গোলাঘাট জিলাৰ দ্বি-বাৰ্ষিক অধিবেশনখন অনুষ্ঠিত কৰি সকলো প্ৰতিনিধিক সুন্দৰ আতিথ্য প্ৰদান কৰাৰ বাবে সৰুপথাৰ মহাবিদ্যালয়ৰ কৰ্মচাৰী গোটক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে সভাপতি অজিত লয়িঙে। সুন্দৰ পাৰিপাৰ্শ্বিক আৰু পৰিচ্ছন্ন পৰিৱেশেৰে আৱৰি ৰখা সৰুপথাৰ মহাবিদ্যালয়ত এই সুযোগ দিয়াৰ বাবে অধ্যক্ষ ড° প্ৰাপ্তি ঠাকুৰ মহোদয়কে ধৰি মহাবিদ্যালয়ৰ সমূহ শিক্ষক-কৰ্মচাৰীক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰি সদৌ অসম কলেজ কৰ্মচাৰীৰ কেন্দ্ৰীয় সভাপতি আৰু সম্পাদকৰ আন্তৰিক সহযোগিতাৰ শলাগ লয়।

শিৱসাগৰৰ পলাশনীত অংগনবাড়ী সেৱা সংকল্প কাৰ্য্যসূচী ৰূপায়ণ



অসম বাৰ্তা, জয়সাগৰ, ১০ অক্টোবৰ ঃ মহিলা আৰু শিশু বিকাশ বিভাগ অসমৰ শিৱসাগৰ জিলা সমিতিৰ উদ্যোগত শিৱসাগৰ পলাশনী অংগনবাড়ী কেন্দ্ৰত সেৱা সংকল্প যাত্ৰা অনুষ্ঠিত হৈ যায়। প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী জন্মদিনৰ লগত সংগতি ৰাখি আয়োজন কৰা সেৱা সংকল্প অভিযানত চৰকাৰে প্ৰদান কৰা অৰুণোদয়, অন্ন সুৰক্ষা যোজনা, PMMVI আদি আঁচনিসমূহৰ বিষয়েও অৱগত কৰা হয়। আনহাতে এটি শিশু বিকাশৰ ক্ষেত্ৰত এগৰাকী মাতৃয়ে কেনেধৰণৰ যত্ন ল'ব, মাতৃসকলৰ কৰণীয় কি সেই গুৰুত্বপূৰ্ণ বিষয়সমূহৰ সন্দৰ্ভতো আলোচনা কৰা হয়। যাদৱ দাসে সভাপতিত্ব কৰা অনুষ্ঠানত ৰাজহচক্ৰ বিষয়া ইন্দিকা গগৈ, শিশু বিকাশ পৰিকল্পনা বিষয়া বিভা মেধি, ভাৰতীয় জনতা পাৰ্টি খেলুৱা মণ্ডল মহিলা মৰ্চা সভানেত্ৰী ৰেখা বৰপাত্ৰগোহাঁই, বেতবাৰী চক্ৰৰ তত্ত্বাৱধায়ক মুবিনা চুলতানাৰ লগতে অভিভাৱকসকল উপস্থিত থাকে। উক্ত অনুষ্ঠানতেই অংগনবাড়ীৰ সহায়িকা টুলুমণি দাসক মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ৰ তৰফৰ পৰা প্ৰেৰণ কৰা প্ৰশংসা পত্ৰ প্ৰদান কৰে।

বৰ্ণাঢ্য কাৰ্যসূচীৰে অভয়াপুৰী সমজিলা দিৱসৰ সামৰণি

অসম বাৰ্তা, সৃজনগ্ৰাম, ১০ অক্টোবৰ ঃ অভয়াপুৰী সমজিলা গঠনৰ গৌৰৱময় ক্ষণৰ সৈতে সংগতি ৰাখি আয়োজিত চাৰিদিনীয়া 'অভয়াপুৰী সমজিলা দিৱস'ৰ কাইলৈ সামৰণি পৰিব। সমজিলা আয়ুক্ত দিপন বৰ্মনৰ নেতৃত্বত আয়োজিত সমজিলা দিৱসৰ অন্তিম দিনটোত পুৱাৰ পৰা নিশালৈকে এলানি আকৰ্ষণীয় কাৰ্যসূচী ৰূপায়ণ কৰাৰ যোজা কৰিছে। কাইলৈ পুৱা ৮ বজাৰ পৰা শ্বহীদ তৰ্পণ, একতা যাত্ৰা আৰু এক বৰ্ণিল সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হ'ব। অভয়াপুৰী উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ পৰা ৰাজীৱ ভৱন হৈ সমজিলা আয়ুক্তৰ কাৰ্যালয়লৈ হ'বলগীয়া এই শোভাযাত্ৰাটি আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব বৰপেটা লোকসভা সমষ্টিৰ সাংসদ ফণী ভূষণ চৌধুৰীয়ে। ইয়াৰ পিছতে পুৱা ১১ বজাত সমজিলা আয়ুক্তৰ কাৰ্যালয় চৌহদত টিবি ৰোগীসকলক স্বাস্থ্য সঁজুলি বিতৰণ কৰাৰ লগতে বয়োজ্যেষ্ঠৰ আশ্ৰম আৰু অভয়াপুৰী জিলা কাৰাগাৰত ফল-মূল বিতৰণ কৰা হ'ব। আবেলি ৪ বজাত অভয়াপুৰী উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ খেলপথাৰত আত্মসহায়ক গোটৰ সদস্য-সদস্যাসকলৰ দ্বাৰা উৎপাদিত সামগ্ৰীৰ প্ৰদৰ্শনী আৰু বিক্ৰী মেলা উদ্বোধন কৰিব বঙাইগাঁও জিলাৰ আয়ুক্ত লক্ষ্মীনন্দন চহৰীয়াই। সন্ধিয়া ৫ বজাত একেখন খেলপথাৰতে বঙাইগাঁও জিলাৰ অভিভাৱক মন্ত্ৰী অশ্বিনী ৰায় চৰকাৰে এক বৰ্ণাঢ্য সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰিব। এই সাংস্কৃতিক অনুষ্ঠানৰ মূল আকৰ্ষণ হিচাপে অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী দীক্ষু শৰ্মাই সংগীতানুষ্ঠান পৰিৱেশন কৰাৰ লগতে অসমীয়া সাংস্কৃতিক জগতৰ অমৃতা গগৈ, অনুৰাগ শইকীয়াৰ দৰে শিল্পী আমন্ত্ৰণ জনাইছে সমজিলা প্ৰশাসনে। অনুষ্ঠানত ৰাইজৰ উপস্থিতি অভয়াপুৰী সমজিলা প্ৰশাসনে কামনা কৰিছে। দিৱসৰ শেষৰটো কাৰ্যসূচী হিচাপে অভয়াপুৰীৰ পৰ্যটন আৰু ঐতিহ্যক প্ৰচাৰ কৰাৰ উদ্দেশ্যে প্ৰস্তুত কৰা বিশেষ ভিডিঅ' প্ৰকল্প 'Explore Abhayapuri' আনুষ্ঠানিকভাৱে উন্মোচন কৰা হ'ব।

নুমলীগড় শোধনাগাৰৰ সহযোগত ১৯ টন একক ব্যৱহাৰযোগ্য প্লাষ্টিক মেঘালয়ৰ চিমেণ্ট কোম্পানীলৈ প্ৰেৰণ

গোলাঘাট নগৰক প্লাষ্টিকমুক্ত কৰাৰ লক্ষ্যৰে বিশেষ পদক্ষেপ

অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ১০ অক্টোবৰ ঃ গোলাঘাট নগৰক প্লাষ্টিকমুক্ত কৰাৰ লক্ষ্যৰে গোলাঘাট পৌৰসভাৰ উদ্যোগত নুমলীগড় শোধনাগাৰৰ সামাজিক দায়বদ্ধতা আঁচনি (CSR) পুঁজিৰ সহযোগত গ্ৰহণ কৰা হৈছে এক বিশেষ পদক্ষেপ। নগৰখনত দীৰ্ঘদিন ধৰি জমা হৈ থকা একক ব্যৱহাৰযোগ্য প্লাষ্টিকৰ আৱৰ্জনা নিষ্কাশন আৰু উপযুক্ত ব্যৱস্থাপনাৰ জৰিয়তে পৰিৱেশ প্ৰদূষণ ৰোধৰ লক্ষ্য লোৱা হৈছে। গোলাঘাট পৌৰসভাই প্ৰতিদিনে নগৰৰ বিভিন্ন স্থানৰ পৰা সংগ্ৰহ কৰা জাবৰ-জোঁথৰ ডাম্পিং গ্ৰাউণ্ডত জমা কৰি আহিছে। এই আৱৰ্জনাৰ সৈতে বৃহৎ পৰিমাণৰ একক ব্যৱহাৰযোগ্য প্লাষ্টিক জমা হোৱাৰ ফলত পৰিৱেশ প্ৰদূষণৰ আশংকা বৃদ্ধি পোৱাৰ লগতে প্লাষ্টিকসমূহ পৃথক্কৰণ আৰু উপযুক্তভাৱে নিষ্কাশন কৰাটোও এক ডাঙৰ সমস্যা হৈ পৰিছিল। দীৰ্ঘদিনৰ এই সমস্যা সমাধানৰ লক্ষ্যৰে পৰিৱেশ সংৰক্ষণৰ ক্ষেত্ৰত কাম কৰি অহা এটা বেচৰকাৰী সংস্থা 'গো গ্ৰীণৰ' সহযোগত গোলাঘাট পৌৰসভাই এই বিশেষ পদক্ষেপ গ্ৰহণ কৰে। এই অভিযানৰ প্ৰথম পৰ্যায়ত প্ৰায় ১৯ টন একক ব্যৱহাৰযোগ্য প্লাষ্টিক সংগ্ৰহ কৰি মেঘালয়ৰ এটা চিমেণ্ট উদ্যোগলৈ উপযুক্ত ব্যৱহাৰৰ বাবে প্ৰেৰণ কৰাৰ ব্যৱস্থা কৰা হৈছে। পৰ্যায়ক্ৰমে গোলাঘাট নগৰত জমা হৈ থকা প্ৰায় ১০০ টন একক ব্যৱহাৰযোগ্য প্লাষ্টিকৰ আৱৰ্জনা নিষ্কাশন আৰু পুনৰ ব্যৱহাৰৰ উপযোগী কৰি তোলাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। এই কাৰ্যসূচীৰ প্ৰথম পৰ্যায়ৰ প্লাষ্টিক প্ৰেৰণ কৰাৰ ফ্লেগ অফ কৰি শুভাৰম্ভ কৰে গোলাঘাট অতিৰিক্ত জিলা আয়ুক্ত জিণ্টু বৰা, নুমলীগড় শোধনাগাৰৰ সামাজিক দায়বদ্ধতা বিভাগৰ মুখ্য মহা প্ৰবন্ধক মিণ্টু সন্দিকৈ আৰু গোলাঘাট পৌৰসভাৰ সভানেত্ৰী দুলুমণি বৰবৰাই। অনুষ্ঠানত গোলাঘাট পৌৰসভাৰ উপ-পৌৰপতি সীমান্ত বৰা, ৱাৰ্ড সদস্য সকলৰ লগতে গণ্য মান্য ব্যক্তিসকল উপস্থিত থাকে। এই পদক্ষেপে গোলাঘাট নগৰৰ প্লাষ্টিক আৱৰ্জনা ব্যৱস্থাপনাৰ ক্ষেত্ৰত এক ইতিবাচক পৰিৱৰ্তন আনিব বুলি আশা কৰা হৈছে। একে সময়তে নগৰখনক পৰিষ্কাৰ-পৰিচ্ছন্ন, প্ৰদূষণমুক্ত আৰু প্লাষ্টিকমুক্ত কৰি তোলাৰ বাবে পৌৰসভাৰ এনে পদক্ষেপৰ সমান্তৰালভাৱে নাগৰিকসকলেও একক ব্যৱহাৰযোগ্য প্লাষ্টিকৰ ব্যৱহাৰ হ্ৰাস কৰাৰ লগতে পৰিৱেশ সংৰক্ষণৰ ক্ষেত্ৰত সচেতন ভূমিকা পালন কৰিব লাগিব। গোলাঘাট নগৰক পৰিষ্কাৰ- পৰিচ্ছন্ন আৰু প্লাষ্টিকমুক্ত কৰি তোলাৰ লক্ষ্যৰে গ্ৰহণ কৰা এনে বিশেষ অভিযানে এখন সুন্দৰ, স্বচ্ছ আৰু প্ৰদূষণমুক্ত গোলাঘাট গঢ়ি তোলাত সহায় কৰিব বুলি আশা কৰা হৈছে। এই সম্পৰ্কে নুমলীগড় শোধনাগাৰৰ সামাজিক দায়বদ্ধতা বিভাগৰ মুখ্য মহা প্ৰবন্ধক মিণ্টু সন্দিকৈয়ে কয় প্লাষ্টিক আমাৰ বাবে এক ডাঙৰ সমস্যা আৰু প্লাষ্টিকে আমাৰ পৰিৱেশ বহু পৰিমাণে নষ্ট কৰি পেলায় আৰু তাৰ ভিতৰত একক ব্যৱহাৰ যুক্ত প্লাষ্টিক অতিকৈ ভয়াবহ। যাৰ বাবে আমি গোলাঘাট পৌৰসভাৰ লগত আলোচনা কৰি এক একক ব্যৱহাৰ যুক্ত প্লাষ্টিক কেনেকৈ চিমেণ্ট ফেক্টৰীলৈ লৈ যাব পাৰি তাৰ বাবে পৰিকল্পনা কৰা হৈছে। চিমেণ্ট ফেক্টৰীয়ে এই প্লাষ্টিকসমূহ ইন্ধনজাত সামগ্ৰী হিচাপে ব্যৱহাৰ কৰে। ইয়াৰ অংশ হিচাপে আজি গোলাঘাটৰ পৰা মেঘালয়ৰ চিমেণ্ট ফেক্টৰীলৈ এই প্লাষ্টিক প্ৰেৰণ কৰাৰ আৰম্ভ কৰিছোঁ। এই ব্যৱস্থাৰ জৰিয়তে গোলাঘাট নগৰখন পৰিষ্কাৰ পৰিচ্ছন্নতা বৰ্তাই ৰখাত বৃহৎ ভূমিকা পালন কৰিব। আমাৰ অসমত প্লাষ্টিক জ্বলোৱা সম্ভৱ নহয়। যাৰ বাবে অত্যাধুনিক প্ৰযুক্তিৰে নিৰ্মাণ কৰা চিমেণ্ট ফেক্টৰীত ইয়াৰ ব্যৱস্থা আছে। তেওঁলোকে এই প্লাষ্টিক ইন্ধন হিচাপে ব্যৱহাৰ কৰি সম্পুৰ্ণৰূপে শেষ কৰিব পাৰে। আনহাতে এই সম্পৰ্কে গোলাঘাট পৌৰসভাৰ উপ- পৌৰপতি সীমান্ত বৰাই কয় নুমলীগড় শোধনাগাৰে এক সুন্দৰ প্ৰদক্ষেপ গ্ৰহণ কৰিছে। গোলাঘাট নগৰত পেলনীয়া প্লাষ্টিকৰ এক ডাঙৰ সমস্যা আছিল, যিসমূহ আমাৰ ডাম্পিং গ্ৰাউণ্ডত জমা হৈ থাকে। কিয়নো প্ৰত্যেক দিনাই গোলাঘাট নগৰৰ পৰা প্ৰায় ২০ টন একক ব্যৱহাৰ যুক্ত প্লাষ্টিক বা আৱৰ্জনা বিভিন্ন স্থানৰ পৰা তুলি ডাম্পিং গ্ৰাউণ্ডত জমা কৰা হয়। এই জমা হৈ থকা প্লাষ্টিকৰ পৰা আমাৰ পৰিৱেশ দুষিত হৈ পৰাৰ লগতে গোলাঘাট নগৰৰ বাবে এক শংকাৰ সৃষ্টি কৰিব। কিন্তু এই সমস্যা সমাধানৰ কৰিবলৈ নুমলীগড় শোধনাগাৰ আৰু 'গো গ্ৰীণ' নামৰ এটা সন্থাৰ সহযোগত প্ৰথমবাৰৰ বাবে ১৯ টন প্লাষ্টিক মেঘালয়ৰ চিমেণ্ট ফে"ৰীলৈ লৈ যাব। উক্ত চিমেণ্ট ফেক্টৰীত কাৰিকৰীভাৱে এই প্লাষ্টিকসমূহ ব্যৱহাৰ কৰি বিনষ্ট কৰিব। নুমলীগড় শোধনাগাৰৰ লক্ষ্য গোলাঘাট নগৰৰ পৰা ১০০ টন প্লাষ্টিক তেওঁলোকে নি প্লাষ্টিকমুক্ত গোলাঘাট কৰিবলৈ প্ৰচেষ্টা হাতত লৈছে। গোলাঘাটৰ ৰাইজে প্লাষ্টিকৰ ব্যৱহাৰ কমকৈ কৰক তাৰ বাবে আমি ৰাইজৰ মাজত সজাগতাৰ সৃষ্টি কৰি আহিছোঁ। উল্লেখযোগ্য যে গোলাঘাটৰ পৰা এই একক ব্যৱহাৰ যুক্ত প্লাষ্টিক মেঘালয়ৰ লুঙচাঙৰ ডালমিয়া চিমেণ্ট ফেক্টৰীলৈ লৈ যোৱা হ'ব। উক্ত চিমেণ্ট ফেক্টৰীয়ে এইপ্লাষ্টিক ইন্ধন জাত সামগ্ৰী হিচাপে ব্যৱহাৰ কৰি সম্পুৰ্ণৰূপে ধ্বংস কৰিব। এই প্লাষ্টিক চিমেণ্ট ফেক্টৰীয়ে ইন্ধন হিচাপে ব্যৱহাৰ কৰা কয়লাৰ লগত ব্যৱহাৰ কৰি সম্পুৰ্ণৰূপে শেষ কৰাৰ ক্ষমতা আছে। কিন্তু অসমৰ কোনো এখন চিমেণ্ট ফেক্টৰীত এই পদ্ধতি নাইবাবেই মেঘালয়ৰ চিমেণ্ট ফেক্টৰীলৈ লৈ যোৱা হয়।

কামৰূপত সেৱা সংকল্প অভিযানৰ জৰিয়তে উপকৃত ২৩ হাজাৰৰো অধিক হিতাধিকাৰী

ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ১০ অক্টোবৰ ঃ "চৰকাৰ ৰাইজৰ পদুলিত, Sarkar Janata Ke Dwar" শীৰ্ষক বিষয়বস্তুৰে ১ অক্টোবৰৰ পৰা ১০ অক্টোবৰলৈ কামৰূপ জিলাৰ বিভিন্ন স্থানত অনুষ্ঠিত সেৱা সংকল্প অভিযানৰ শিবিৰসমূহৰ আজি সামৰণি পৰে। জিলাখনৰ বিভিন্ন উন্নয়ন খণ্ড আৰু স্থানত অনুষ্ঠিত এই শিবিৰসমূহৰ জৰিয়তে ২৩ হাজাৰৰো অধিক হিতাধিকাৰীয়ে বিভিন্ন চৰকাৰী সেৱা লাভ কৰে। এই অভিযানৰ অংশ হিচাপে মুঠ ১৪টা স্বাস্থ্য শিবিৰো অনুষ্ঠিত কৰা হয়। ইয়াৰে ১৩টা উন্নয়ন খণ্ডত আৰু এটা পালাশবাৰী পৌৰসভা পৰিষদৰ অধীনত অনুষ্ঠিত হয়। এই পদক্ষেপৰ জৰিয়তে চৰকাৰী সেৱা, কল্যাণমূলক আঁচনি আৰু বিভিন্ন বিভাগৰ সহায়-সহযোগিতা ৰাইজৰ ওচৰলৈ লৈ যোৱাৰ লগতে অন্তিম পৰ্যায়লৈকে চৰকাৰী সেৱা প্ৰদান ব্যৱস্থা অধিক শক্তিশালী কৰা হয় আৰু চৰকাৰী সাহায্য লাভৰ প্ৰক্ৰিয়া সহজ কৰি তোলা হয়। কামৰূপ জিলাৰ ৰঙিয়া, কমলপুৰ, বেজেৰা, বিহদিয়া জাজিকোনা, হাজো, শুৱালকুছি, ৰামপুৰ, ছয়ানী ৰাণী, ছয়গাঁও, বকো, বনগাঁও, ছামৰিয়া আৰু গৰৈমাৰীত এই শিবিৰসমূহ অনুষ্ঠিত কৰা হয়। শিবিৰসমূহত বিভিন্ন বিভাগৰ বিষয়া-কৰ্মচাৰী আৰু ক্ষেত্ৰ পৰ্যায়ৰ কৰ্মীসকলে অংশগ্ৰহণ কৰি তৃণমূল পৰ্যায়ত ৰাইজক সেৱা আগবঢ়ায়। এই শিবিৰসমূহৰ জৰিয়তে নাগৰিকসকলে চৰকাৰী প্ৰতিনিধিসকলৰ সৈতে পোনপটীয়াকৈ মত বিনিময় কৰাৰ লগতে বিভিন্ন আঁচনি আৰু প্ৰাপ্য সুবিধাসমূহৰ বিষয়ে তথ্য লাভ, আবেদন দাখিল, প্ৰয়োজনীয় সহায় গ্ৰহণ আৰু নিজৰ বাসস্থানৰ ওচৰতে সেৱা সম্পৰ্কীয় সমস্যাসমূহৰ সমাধানৰ সুবিধা লাভ কৰে। অভিযানৰ সময়ছোৱাত আয়ুষ্মান ভাৰত প্ৰধানমন্ত্ৰীজন আৰোগ্য যোজনা (PM-JAY), প্ৰধানমন্ত্ৰী গৰিব কল্যাণ অন্ন যোজনা, প্ৰধানমন্ত্ৰী আৱাস যোজনা, পি এম-কিষাণ, কিষাণ ক্ৰেডিট কাৰ্ড, প্ৰধানমন্ত্ৰীজন ধন যোজনা, প্ৰধানমন্ত্ৰী জীৱন জ্যোতি বীমা যোজনা, প্ৰধানমন্ত্ৰী সুৰক্ষা বীমা যোজনা, অটল পেঞ্চন যোজনা, পি এম স্বনিধি, ভি বি-জি ৰাম জি (VB-G RAM G) আদিকে ধৰি কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন কল্যাণমূলক আঁচনিৰ বিষয়ে সজাগতা সৃষ্টি আৰু সেৱা প্ৰদানৰ ব্যৱস্থা কৰা হয়। ইয়াৰ উপৰি স্বাস্থ্য, কৃষি, গৃহ নিৰ্মাণ, বিত্তীয় অন্তৰ্ভুক্তি, সামাজিক সুৰক্ষা, জীৱিকা আৰু মৌলিক সেৱা সম্পৰ্কীয় বিভিন্ন আঁচনিও সামৰি লোৱা হয়। একেদৰে, অভিযানৰ জৰিয়তে ৰাজ্য চৰকাৰৰ বিভিন্ন আঁচনি আৰু নাগৰিক সেৱাৰ সুবিধাও ৰাইজৰ বাবে উপলব্ধ কৰা হয়। ইয়াৰ ভিতৰত অৰুণোদয়, ভূমি পট্টা, নামজাৰি, ভূমি বিক্ৰীৰ অনুমতি, নতুন ৰেচন কাৰ্ড, জন্ম আৰু মৃত্যুৰ প্ৰমাণ-পত্ৰ, বিবাহৰ প্ৰমাণ-পত্ৰ, বেংক একাউণ্ট খোলা, চৰকাৰী পেঞ্চন সেৱা, কিষাণ ক্ৰেডিট কাৰ্ড (KCC), নিজুত মইনা আৰু নিজুত বাবু আদি উল্লেখযোগ্য। বিভিন্ন বিভাগৰ বিষয়াসকলে নাগৰিকসকলক আঁচনিসমূহৰ যোগ্যতাৰ চৰ্ত, আবেদন পূৰণ আৰু বিভিন্ন আঁচনিৰ অধীনত উপলব্ধ সুবিধাসমূহ লাভ কৰাৰ ক্ষেত্ৰত তাৎক্ষণিকভাৱে প্ৰয়োজনীয় পৰামৰ্শ আৰু সহায় আগবঢ়ায়। স্বাস্থ্য আৰু সমাজ কল্যাণমূলক সেৱাই এই জনসম্পৰ্ক অভিযানত বিশেষ গুৰুত্ব লাভ কৰে। স্বাস্থ্য শিবিৰসমূহত নাগৰিকসকলৰ স্বাস্থ্য পৰীক্ষা আৰু অন্যান্য স্বাস্থ্য সম্পৰ্কীয় সেৱা আগবঢ়োৱা হয়। ইয়াৰ লগতে হিতাধিকাৰীসকলক প্ৰাসংগিক কল্যাণমূলক আৰু সামাজিক সুৰক্ষা আঁচনিৰ সুবিধা লাভ কৰাৰ ক্ষেত্ৰতো প্ৰয়োজনীয় দিহা-পৰামৰ্শ প্ৰদান কৰা হয়। এই শিবিৰসমূহে জনসাধাৰণৰ অভিযোগ নিষ্পত্তি, হিতাধিকাৰী চিনাক্তকৰণ আৰু সজাগতা সৃষ্টিৰ বাবে এক পোনপটীয়া মঞ্চ হিচাপে কাম কৰে। ইয়াৰ জৰিয়তে নাগৰিকসকলে নিজৰ সমস্যা আৰু অভিযোগসমূহ উত্থাপন কৰাৰ লগতে সংশ্লিষ্ট বিভাগসমূহৰ পৰা প্ৰয়োজনীয় সহায় লাভ কৰে।

সম্পাদকীয়

অধিকাৰ, সংঘাত আৰু প্ৰশাসনীয় সীমা

যিকোনো সুস্থ আৰু পৰিপক্ক গণতান্ত্ৰিক ব্যৱস্থাত প্ৰতিবাদ বা বিৰোধিতা জনোৱাৰ অধিকাৰ হৈছে নাগৰিকৰ এক অন্যতম মৌলিক তথা সাংবিধানিক অধিকাৰ। চৰকাৰৰ নীতি-নিয়ম বা কোনো সাংবিধানিক প্ৰতিষ্ঠানৰ কাৰ্যপ্ৰণালীক লৈ অসন্তুষ্টি প্ৰকাশ কৰা আৰু শান্তিপূৰ্ণভাৱে গণতান্ত্ৰিক প্ৰক্ৰিয়াৰে নিজৰ মত ব্যক্ত কৰাটো ৰাষ্ট্ৰৰ ধাৰণাক শক্তিশালীহে কৰে। কিন্তু শেহতীয়াভাৱে ৰাজধানী নতুন দিল্লীত মুখ্য নিৰ্বাচন আয়ুক্তৰ পদত্যাগৰ দাবীক কেন্দ্ৰ কৰি সৃষ্টি হোৱা পৰিস্থিতি, ধাৰাবাহিক আটক আৰু তাৰ প্ৰতি প্ৰশাসনে গ্ৰহণ কৰা অত্যন্ত কঠোৰ অৱস্থানে সমগ্ৰ দেশৰ সচেতন জনসাধাৰণৰ মনত গভীৰ প্ৰশ্নৰ উদ্ৰেগৰ সৃষ্টি কৰিছে।

দিল্লীত সংঘটিত ঘটনাপ্ৰবাহে সমগ্ৰ দেশৰে ৰাজনৈতিক প্ৰেক্ষাপটত তীব্ৰ উত্তাপৰ সৃষ্টি কৰিছে। পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জী, দিল্লীৰ প্ৰাক্তন মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱাল, পিনাৰাই বিজয়ন, মাণিক সৰকাৰসহ কেইবাগৰাকীও বিৰোধী নেতাক প্ৰতিবাদস্থলীলৈ যোৱাৰ পথত আৰক্ষীয়ে আটক কৰাৰ ঘটনাই এক অভূতপূৰ্ব পৰিস্থিতিৰ জন্ম দিছে। প্ৰতিবাদকাৰীসকলক প্ৰায় দুঘণ্টা ধৰি প্ৰিজন ভেনত আবদ্ধ কৰি ৰখা, প্ৰতিবাদৰ মূল স্থান যন্তৰ-মন্তৰত প্ৰৱেশ কৰাত বাধা প্ৰদান কৰা আৰু তাৰ ফলশ্ৰুতিত থানাৰ সন্মুখত 'এটুপি পানীও নোখোৱাকৈ' প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰিবলগীয়া হোৱা পৰিস্থিতিয়ে বিৰোধী দলসমূহৰ মাজত জৰুৰীকালীন অৱস্থাৰ দৰে ক্ষোভ উপজাইছে। কেৱল ৰাজনৈতিক নেতাই নহয়, আন্দোলনত অংশ ল'বলৈ অহা সাধাৰণ শিক্ষাৰ্থী, অধিবক্তা, সমাজকৰ্মী আৰু বাতৰি সংগ্ৰহ কৰিবলৈ যোৱা সংবাদকৰ্মীকো আটক কৰাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। ইফালে মেট্ৰ' ষ্টেচন বন্ধ কৰা, ইণ্টাৰনেট সেৱাত বাধা আৰোপ কৰা আৰু যাতায়াত ব্যৱস্থা স্তব্ধ কৰাৰ দৰে পদক্ষেপে সমগ্ৰ ৰাজধানী চহৰখনতে এক অপ্ৰত্যাশিত উত্তেজনাময় পৰিৱেশৰ সৃষ্টি কৰিছে।

আনহাতে, প্ৰশাসন আৰু আৰক্ষীৰ ফালৰ পৰা গ্ৰহণ কৰা পদক্ষেপৰ সপক্ষে কিছু যুক্তি আগবঢ়োৱা দেখা গৈছে। ৰাজধানীৰ অতি সংবেদনশীল অঞ্চলসমূহত যাতে আইনশৃঙ্খলা পৰিস্থিতিৰ অৱনতি নঘটে, তাৰ বাবে আগতীয়া সুৰক্ষামূলক ব্যৱস্থা গ্ৰহণ কৰাটো প্ৰশাসনৰ এক মুখ্য দায়িত্ব বুলি ক'ব খোজা হৈছে। সুৰক্ষাৰ নীতি আৰু প্ৰক্ৰিয়াগত নিয়ম নমনাৰ বাবেই প্ৰতিবাদৰ স্থানত বাধা-নিষেধ আৰোপ কৰিবলগীয়া হৈছিল বুলি প্ৰশাসনিক সূত্ৰত প্ৰকাশ পাইছে। প্ৰতিবাদকাৰী আৰু নিৰাপত্তাৰক্ষীৰ মাজত হোৱা সংঘাতত মহিলা আৰক্ষীসহ কেইবাজনো নিৰাপত্তাকৰ্মী আহত হোৱাৰ ঘটনাই শান্তিপূৰ্ণ আন্দোলনৰ শৃংখলাক লৈও প্ৰশ্ন উত্থাপন কৰে। ৰাজধানীৰ কোটি কোটি সাধাৰণ নাগৰিকৰ দৈনিক জীৱনযাত্ৰা যাতে ব্যাহত নহয়, তাৰ বাবেই প্ৰশাসনে এনে কঠোৰ পদক্ষেপ ল'বলৈ বাধ্য হোৱা বুলিও দাবী কৰা হৈছে।

এই সমগ্ৰ ঘটনাপ্ৰবাহে সাধাৰণ দেশবাসীৰ মনত কেইবাটাও গভীৰ প্ৰশ্নৰ জন্ম দিছে। শান্তিপূৰ্ণভাৱে নিজৰ দাবী উত্থাপন কৰিবলৈ যোৱা প্ৰতিবাদকাৰীক আগতীয়াকৈ আটক কৰাটো গণতান্ত্ৰিক অধিকাৰৰ সংকোচন নেকি, আৰু আইনশৃঙ্খলা ৰক্ষাৰ নামত জনসাধাৰণৰ যোগাযোগ তথা যাতায়াতৰ পথ সম্পূৰ্ণৰূপে স্তব্ধ কৰি দিয়াটো কিমানদূৰ গ্ৰহণযোগ্য— সেয়া এক চিন্তনীয় বিষয়। একেদৰে, মুখ্য নিৰ্বাচন আয়োগৰ দৰে সাংবিধানিক প্ৰতিষ্ঠানসমূহৰ নিৰপেক্ষতাক লৈ যেতিয়া জনসাধাৰণৰ একাংশৰ মনত প্ৰশ্ন উত্থাপন হয়, তেতিয়া তাৰ সমাধান মুকলি আলোচনাৰে কৰা উচিত নে প্ৰশাসনিক বলপ্ৰয়োগেৰে কৰা উচিত, তাক লৈও আলোচনাৰ প্ৰয়োজন হৈ পৰিছে। ইয়াৰ উপৰি গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰাৰ সময়ত প্ৰতিবাদকাৰীসকলেও আইন আৰু নিয়মানুৱৰ্তিতা কিমান দূৰ বজাই ৰখা উচিত, সেয়াও সমানে গুৰুত্বপূৰ্ণ।

গণতন্ত্ৰ কেৱল ভোটদানতেই সীমাবদ্ধ নহয়; ই আলোচনা, সমালোচনা আৰু ভিন্নমত প্ৰকাশৰ এক জীৱন্ত প্ৰক্ৰিয়া। যি দেশত প্ৰতিবাদ আৰু সমালোচনাক দমিত কৰিবলৈ চেষ্টা চলোৱা হয়, তাত গণতন্ত্ৰৰ ভেটি দুৰ্বল হৈ পৰে। কিন্তু একে সময়তে, প্ৰতিবাদকাৰীসকলেও এই কথা পাহৰা উচিত নহয় যে কোনো প্ৰতিবাদেই যেন হিংসাত্মক ৰূপ নলয় বা সাধাৰণ ৰাইজৰ অপূৰণীয় ক্ষতিসাধন নকৰে। শাসকপক্ষ আৰু বিৰোধী— দুয়োপক্ষই বুজি উঠা উচিত যে ক্ষমতাৰ সংঘাতত গণতন্ত্ৰৰ সুস্থ পৰম্পৰা বিনষ্ট হ'বলৈ দিয়াটো দেশৰ স্বাৰ্থৰ অনুকূল নহয়। দমন নীতিৰ পৰিৱৰ্তে আলোচনা আৰু সাংবিধানিক প্ৰক্ৰিয়াৰ প্ৰতি শ্ৰদ্ধাশীল হৈ সমস্যাক মুখামুখি হোৱাতহে সুস্থ গণতন্ত্ৰৰ সৰ্বোত্তম পৰিচয় নিহিত হৈ থাকে।

শুভেচ্ছাবাণী অবিহনে স্মৃতিগ্ৰন্থ আধৰুৱা

স্মৃতিগ্ৰন্থ হৈছে কোনো এটি বিশেষ অনুষ্ঠান, সমাৰোহ, প্ৰতিষ্ঠান বা বিশিষ্ট ব্যক্তিৰ স্মৃতিত প্ৰকাশ কৰা এক বিশেষ তথ্য সমৃদ্ধ পুথি বা দলিল। স্মৃতিগ্ৰন্থৰ লগত সংপৃক্ত হৈ থকা এটি বিষয় হৈছে- শুভেচ্ছাবাণী। এটি অনুষ্ঠান বা স্মৃতিৰ দলিলক জিলিকাই তোলা আটাইতকৈ মূল্যৱান অংশটোৱেই হৈছে -স্মৃতিগ্ৰন্থৰ লেখা সমূহৰ দৰেই অতিশয় দৰকাৰী অংগ স্বৰূপ- শুভেচ্ছাবাণী সমূহ। স্মৃতিগ্ৰন্থৰ আৰম্ভণিতে থকা শুভেচ্ছাবাণী সমূহ বা শুভ কামনা সমূহ গ্ৰন্থখনৰ প্ৰথম পৰিচয় বা মুখবন্ধুৰ দৰে কাম কৰে, যাৰ জৰিয়তে অনুষ্ঠান বা গ্ৰন্থখনৰ মূল উদ্দেশ্য আৰু গুৰুত্ব প্ৰতিফলিত হয়। স্মৃতিগ্ৰন্থ এখনৰ পাতত থকা শুভেচ্ছাবাণী সমূহে গ্ৰন্থ এখনৰ সৌন্দৰ্য আৰু গুৰুত্ব বৃদ্ধি কৰে। এই বাণী সমূহে কিতাপ খনক অধিক মায়াবী আৰু স্মৰণীয় কৰি তুলি পাঠকৰ মনত এক বিশেষ স্থান দখল কৰে। স্মৃতিগ্ৰন্থ এখনত বিশিষ্ট ব্যক্তিসকলৰ শুভেচ্ছা বাণীয়ে গ্ৰন্থ খনৰ মানদণ্ড বৃদ্ধি কৰে। এই বাণী সমূহে অনুষ্ঠান বা ভৱিষ্যতৰ এক প্ৰতিচ্ছবি দাঙি ধৰে। ই পঢ়ুৱৈক অনুপ্ৰাণিত কৰাৰ লগতে গ্ৰন্থখনক এক ঐতিহাসিক দলিলৰ ৰূপ দিয়ে। শুভেচ্ছাবাণীত থকা চিন্তাধাৰাই গ্ৰন্থখনক গম্ভীৰ আৰু শালীন কৰি তোলে। সমগ্ৰ গ্ৰন্থখনৰ বিষয়ে বা গ্ৰন্থখনৰ ভিতৰত কি আছে তাৰ এটি সংক্ষিপ্ত পৰিচয় বা পূৰ্বানুমান শুভেচ্ছাবাণী সমূহৰ পৰাই কৰিব পাৰি বা ইয়াৰ আভাস পোৱা যায়। ভৱিষ্যত প্ৰজন্মৰ বাবে এই বাণীসমূহে পথ প্ৰদৰ্শক হিচাপে কাম কৰে। বিশিষ্ট ব্যক্তি বা শুভাকাংক্ষী সকলৰ আৰ্শীবাদ আৰু শুভ কামনাই গ্ৰন্থখনৰ যাত্ৰা সফল কৰাত সহায় কৰে। শুভেচ্ছাবাণী অবিহনে স্মৃতিগ্ৰন্থ এখন মূৰ অবিহনে শৰীৰৰ দৰে। দেখাত কিতাপ যেন লাগে যদিও তাত গাম্ভীৰ্য নাথাকে। কিতাপ অতীতৰ সোণালী দিনবোৰৰ প্ৰতি শ্ৰদ্ধা আৰু ভৱিষ্যতৰ প্ৰতি আৰ্শীবাদ স্বৰূপ শুভেচ্ছাবাণী সমূহে গ্ৰন্থখনৰ সৌন্দৰ্য বঢ়োৱাৰ লগতে ই ইতিহাসৰ দলিল হৈ ৰয়। এই সমূহৰ উপৰিও এই বাৰ্তা সমূহত ফুটি উঠা আশিস আৰু পৰামৰ্শ তথা শুভেচ্ছাবাণী সমূহে আয়োজক বা সম্পাদক সকলৰ দায়িত্ববোধ গভীৰ কৰাৰ লগতে আগলৈ বা ভৱিষ্যতলৈ এনে কাম কৰিবলৈ অনুপ্ৰাণিত কৰে। স্মৃতিগ্ৰন্থ এখন যি উদ্দেশ্য লৈ প্ৰকাশ কৰা হয়, শুভেচ্ছাবাণীয়ে সেই উদ্দেশ্যৰ প্ৰতি সৰ্বান্তঃকৰণে সমৰ্থন আৰু শুভেচ্ছা জনায়। এটি সুন্দৰ শুভেচ্ছাবাণীয়ে স্মৃতিগ্ৰন্থ এখনক সজীৱতা প্ৰদান কৰে। বিভিন্ন উপলক্ষত প্ৰকাশিত বিশিষ্ট ব্যক্তিৰ শুভেচ্ছাবাণী সমূহৰ এক বিশেষ গুৰুত্ব আৰু স্থান অধিকাৰ কৰে। সেয়ে বহুতে ভবাৰ দৰে স্মৃতিগ্ৰন্থৰ শুভেচ্ছাবাণী সমূহ কেৱল মাত্ৰ কেইটামান বাক্যৰ সমষ্টি নহয়, ই এক বিশেষ মূল্যবান আৰু গুৰুত্বৰ বিষয়, যাৰ অবিহনে স্মৃতিগ্ৰন্থখন আধৰুৱা।

শচীন্দ্ৰ কুমাৰ দাস
লেখকৰ ঠিকনা ঃ লখিমপুৰ

সামাজিক মাধ্যম আৰু যুৱপ্ৰজন্ম

ডিজিটেল মাধ্যমৰ সঠিক, নিৰাপদ আৰু নিয়ন্ত্ৰিত ব্যৱহাৰৰ শিক্ষা ঘৰখনৰ পৰাই আৰম্ভ হোৱাটো বৰ্তমান সময়ৰ এক মৌলিক প্ৰয়োজনীয়তা। কাৰণ এটা শিশু বা কিশোৰে সমাজৰ প্ৰথমটো আনুষ্ঠানিক আৰু অনানুষ্ঠানিক পাঠ নিজৰ ঘৰখনৰ পৰাই শিকে। এইক্ষেত্ৰত অভিভাৱকৰ প্ৰথম পদক্ষেপ হ'ব লাগে নিজৰ সন্তানৰ স্মাৰ্টফোন বা ইণ্টাৰনেট ব্যৱহাৰৰ সবিশেষ কাৰ্যকলাপৰ ওপৰত এক সু-শৃংখল আৰু মৰমিয়াল নিৰীক্ষণ ব্যৱস্থা গঢ়ি তোলা। কিন্তু ইয়াত আটাইতকৈ গুৰুত্বপূৰ্ণ আৰু প্ৰয়োজনীয় দিশটো হৈছে অভিভাৱকৰ নিজৰ আত্মবীক্ষণ। সন্তানক ম'বাইল কমকৈ ব্যৱহাৰ কৰিবলৈ কঠোৰ নিৰ্দেশ দিয়াৰ পূৰ্বে পিতৃ-মাতৃ বা অভিভাৱকে নিজে কিমান সময় পৰ্দাৰ সন্মুখত অনাহকত কটায়, সেই বিষয়ে অন্তৰ্দৃষ্টিৰে সচেতন হোৱাটো অপৰিহাৰ্য। বৰ্তমান সময়ত বহু পৰিয়ালত দেখা যায় যে নিজৰ কৰ্মব্যস্ততাৰ অন্তত ঘৰলৈ উভতি অহাৰ পাছত অভিভাৱকসকলেও নিজৰ আজৰি সময়খিনি কেৱল সামাজিক মাধ্যম বা স্মাৰ্টফোনতেই আৱদ্ধ ৰাখে।



হিমাংশু ৰঞ্জন ভূঞা

বৰ্তমান সময়ত আধুনিক বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ দ্ৰুত তথা অভূতপূৰ্ব সম্প্ৰসাৰণে সমগ্ৰ মানৱ সমাজৰ দৈনন্দিন কাৰ্যকলাপ, চিন্তাধাৰা আৰু পাৰস্পৰিক সম্পৰ্কৰ পৰিসৰ সম্পূৰ্ণৰূপে সলনি কৰি পেলাইছে। বিশেষকৈ যোৱা এটা দশকত সামাজিক মাধ্যমৰ যি ধৰণৰ দ্ৰুত উত্থান ঘটিছে, সি আমাৰ পৰিচিত সমাজ ব্যৱস্থালৈ এক আমূল পৰিৱৰ্তন কঢ়িয়াই আনিছে। ফেচবুক, ইনষ্টাগ্ৰাম, হোৱাটছএপ বা ইউটিউবৰ দৰে মঞ্চসমূহ এতিয়া কেৱল মানুহৰ মাজত যোগাযোগৰ বা বাৰ্তালাপৰ এক সাধাৰণ আৰু সৰল আহিলা হৈ থকা নাই। ই এক অতি বিস্তৃত, সুসংগঠিত, ব্যৱসায়িক আৰু অতিশয় জটিল ব্যৱস্থালৈ ৰূপান্তৰিত হৈছে, যিয়ে পৃথিৱীৰ প্ৰায় প্ৰতিগৰাকী ব্যক্তিক নিজৰ গ্ৰাসলৈ আনিবলৈ সক্ষম হৈছে। হাতে হাতে সুলভ হৈ পৰা ম'বাইল ফোনবোৰে ছাত্ৰ-ছাত্ৰী আৰু যুৱপ্ৰজন্মক ঘৰৰ চাৰিবেৰ বা এখন নিৰ্দিষ্ট ভৌগোলিক পৰিসীমাৰ পৰা বহু দূৰলৈ উলিয়াই আনি এখন অদৃশ্য, স্পৰ্শ কৰিব নোৱাৰা আৰু অন্তহীন ভাৰ্চুৱেল পৃথিৱীৰ সৈতে সংযোগ কৰিছে। এই নতুন পৃথিৱীখনত বিশ্বৰ যিকোনো প্ৰান্তৰ তথ্যৰ বিশাল ভঁৰাল, মানৱীয় প্ৰয়োজনৰ সকলো সমল, বিনোদনৰ অলেখ বিকল্প আৰু বিভিন্ন ধৰণৰ অচিনাকি মানুহৰ সৈতে মুহূৰ্তৰ ভিতৰতে মত বিনিময় কৰাৰ সুবিধা একেলগে উপলব্ধ। প্ৰথম অৱস্থাত এই সমগ্ৰ ব্যৱস্থাই মানুহৰ বৌদ্ধিক আৰু সামাজিক পৰিসৰ বৃদ্ধি কৰিব বুলি ধাৰণা কৰা হৈছিল যদিও, ইয়াৰ বাস্তৱিক প্ৰয়োগে কিছু পৃথক আৰু চিন্তনীয় দিশ পোহৰলৈ আনিছে। এই সুবিধাবোৰৰ সমান্তৰালভাৱে সামাজিক মাধ্যমে সমাজত এক প্ৰকাৰৰ অদৃশ্য নিয়ন্ত্ৰণ ব্যৱস্থা গঢ়ি তুলিছে, যিয়ে মানুহৰ স্বাভাৱিক চিন্তা-চৰ্চা, সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়া আৰু দৈনন্দিন কাৰ্যসূচীক প্ৰত্যক্ষভাৱে প্ৰভাৱিত আৰু পৰিচালিত কৰিবলৈ আৰম্ভ কৰিছে। কৃত্ৰিম বুদ্ধিমত্তা আৰু বিশেষ এলগৰিদমৰ জৰিয়তে এই মঞ্চসমূহে প্ৰতিগৰাকী ব্যৱহাৰকাৰীৰ পছন্দ, অপছন্দ আৰু আচৰণ নিৰন্তৰ নিৰীক্ষণ কৰি এনে কিছুমান সমল যোগান ধৰে, যিবোৰে তেওঁলোকক পৰ্দাৰ সন্মুখত দীৰ্ঘসময় ধৰি আৱদ্ধ কৰি ৰাখিবলৈ বাধ্য কৰায়। আগতে মানুহে নিজৰ নিতান্ত প্ৰয়োজন অনুসৰিলেহে প্ৰযুক্তি ব্যৱহাৰ কৰিছিল, কিন্তু এতিয়া পৰিস্থিতি এনেকুৱা হৈছে যে প্ৰযুক্তিয়েহে মানুহৰ অমূল্য সময় আৰু মনোযোগ নিজৰ সুবিধা অনুসৰি নিৰ্ধাৰণ কৰিবলৈ লৈছে। এই ব্যাপক পৰিৱৰ্তনে সমাজৰ সকলো শ্ৰেণীৰ বয়োজ্যেষ্ঠ মানুহকে চুই গৈছে যদিও, ইয়াৰ দ্বাৰা আটাইতকৈ বেছি প্ৰভাৱিত আৰু বিপদগ্ৰস্ত হৈছে আমাৰ নৱপ্ৰজন্ম। তেওঁলোকৰ বাবে ইণ্টাৰনেট বা ডিজিটেল মাধ্যমসমূহ কেৱল এক বিকল্প বা অৱসৰ কটোৱাৰ উপায় নহয়, ই সম্পূৰ্ণৰূপে তেওঁলোকৰ পৰিচয় গঢ়ি তোলাৰ এক প্ৰধান আৰু অপৰিহাৰ্য কাৰক হৈ পৰিছে। এই অৱস্থাই যুৱপ্ৰজন্মৰ চিন্তাধাৰা আৰু সামগ্ৰিক জীৱন প্ৰণালীৰ ওপৰত কেনে ধৰণৰ ক্ৰিয়া কৰিছে, তাৰ এক নিৰপেক্ষ বিশ্লেষণৰ আজি অতিশয় প্ৰয়োজন।

যুৱপ্ৰজন্মই বৰ্তমান সময়ত এই ডিজিটেল জগতখনৰ সৈতে যিদৰে একাত্ম হৈ পৰিছে, সি তেওঁলোকৰ সামাজিকীকৰণ প্ৰক্ৰিয়াটোক সম্পূৰ্ণৰূপে সলনি কৰি পেলাইছে। আজিকালিৰ কিশোৰ-কিশোৰীসকলৰ জীৱনধাৰণৰ প্ৰণালী পৰ্যবেক্ষণ কৰিলে দেখা যায় যে বাস্তৱ পৃথিৱীৰ সামাজিক সম্পৰ্কবোৰতকৈ ভাৰ্চুৱেল পৃথিৱীৰ সম্পৰ্কবোৰে তেওঁলোকৰ জীৱন পৰিচালনা কৰাত সৰ্বাধিক গুৰুত্ব লাভ কৰিছে। খেলপথাৰত সমনীয়াৰ লগত কটোৱা সময় বা পৰিয়ালৰ আত্মীয়-স্বজনৰ লগত হোৱা মুখামুখি বাৰ্তালাপৰ স্থান এতিয়া গ্ৰহণ কৰিছে সামাজিক মাধ্যমৰ ডিজিটেল বাৰ্তালাপ বা সমূহীয়া ভিডিঅ' কল সমূহে। এই ভাৰ্চুৱেল আড্ডাবোৰত মানুহৰ শাৰীৰিক উপস্থিতি নাথাকে যদিও মানসিকভাৱে যুৱপ্ৰজন্মই নিজৰ সৰ্বস্ব তাত উজাৰি দিয়ে। তেওঁলোকৰ আৱেগ, অনুভূতি, আনন্দ আৰু দুখ প্ৰকাশৰ একমাত্ৰ মাধ্যম হৈ পৰিছে বিভিন্ন ধৰণৰ ডিজিটেল স্থিতি আৰু মুহূৰ্তৰ ছবি। সামাজিক মাধ্যমত লাভ কৰা সঁহাৰিৰ সংখ্যাৰে তেওঁলোকে নিজৰ সামাজিক মৰ্যাদা, জনপ্ৰিয়তা আৰু আনকি নিজৰ অস্তিত্বৰো মূল্যায়ন কৰিবলৈ আৰম্ভ কৰিছে। এই পৰিস্থিতিয়ে তেওঁলোকৰ মনত এনে এক ধাৰণাৰ জন্ম দিছে যে যিমান বেছি মানুহে তেওঁলোকৰ ডিজিটেল কাৰ্যকলাপক আদৰি ল'ব, সিমানেই তেওঁলোক সমাজত গ্ৰহণযোগ্য আৰু সফল। ফলস্বৰূপে, আনৰ পৰা প্ৰশংসা বা স্বীকৃতি লাভৰ বাবে অহৰহ কৰি থকা এই নিৰন্তৰ প্ৰচেষ্টাই কিশোৰ-কিশোৰীসকলক এক প্ৰকাৰৰ মানসিক প্ৰতিযোগিতাত লিপ্ত কৰোৱাইছে। এই প্ৰতিযোগিতাত জয়ী হ'বলৈ তেওঁলোকে নিজৰ প্ৰকৃত পৰিচয় লুকুৱাই ৰাখি এক কৃত্ৰিম আৰু সজাই তোলা পৰিচয় সমাজৰ আগত দাঙি ধৰিবলৈ বাধ্য হৈছে। যি সময়ত তেওঁলোকে নিজৰ প্ৰতিভা বিকাশ, গ্ৰন্থ অধ্যয়ন বা বাস্তৱ জগতৰ সমস্যাসমূহৰ বিষয়ে চিন্তা কৰিব লাগিছিল, সেই সময়খিনি তেওঁলোকে ব্যয় কৰিছে এখন অবাস্তৱ জগতত নিজকে প্ৰতিষ্ঠা কৰাৰ অৰ্থহীন দৌৰত। ইয়াৰ ফলত যুৱপ্ৰজন্মৰ মাজত সামাজিক দায়বদ্ধতা, পাৰস্পৰিক সহানুভূতি আৰু বাস্তৱ জগতৰ মানুহৰ প্ৰতি থকা আন্তৰিকতা ক্ৰমাগতভাৱে হ্ৰাস পাবলৈ ধৰিছে। বাস্তৱত মুখামুখিকৈ লগ পালে দুটা বাক্য ভালদৰে পাতিব নোৱাৰা বহুতো যুৱক-যুৱতীয়ে ইণ্টাৰনেটৰ পৃথিৱীত অতি সক্ৰিয় ভূমিকা পালন কৰা দেখা যায়, যিয়ে প্ৰমাণ কৰে যে তেওঁলোকৰ যোগাযোগৰ দক্ষতা কেৱল ডিজিটেল যন্ত্ৰৰ বুটামতেই সীমাবদ্ধ হৈ পৰিছে। এনে এক পৰিৱেশত ডাঙৰ-দীঘল হোৱা প্ৰজন্ম এটাৰ বৌদ্ধিক বিকাশ আৰু সামগ্ৰিক মানসিক সুস্থতাৰ ওপৰত এই প্ৰযুক্তিয়ে পেলোৱা প্ৰভাৱ অতিশয় উদ্বেগজনক।

এই সমগ্ৰ পৰিস্থিতিৰ আটাইতকৈ ভয়াবহ আৰু উদ্বেগজনক দিশটো শেহতীয়াকৈ পোহৰলৈ আহিছে ইউনিচেফ আৰু নেচনেল ছাৰ্ভিচ স্কিমৰ দ্বাৰা পৰিচালিত এক যুটীয়া সমীক্ষাৰ জৰিয়তে। এই সমীক্ষাই সামাজিক মাধ্যম আৰু অসমৰ যুৱপ্ৰজন্মৰ মাজৰ সম্পৰ্কৰ অতিশয় নিৰ্মম দিশ উন্মোচন কৰিছে, যিবোৰ অতিকৈ চিন্তনীয়। প্ৰকাশিত তথ্য অনুসৰি, অসমৰ প্ৰায় পাঁচানব্বৈ শতাংশ যুৱপ্ৰজন্মই ইণ্টাৰনেট, সামাজিক মাধ্যম, মেছেজিং এপ্লিকেশ্যন বা অন্য যিকোনো ধৰণৰ ডিজিটেল মাধ্যম ব্যৱহাৰ কৰাৰ সময়ত চাইবাৰ বুলিং অৰ্থাৎ ডিজিটেল নিৰ্যাতনৰ সন্মুখীন হৈছে। এই ডিজিটেল নিৰ্যাতনৰ পৰিসৰ অতি ব্যাপক; ইয়াৰ ভিতৰত অন্তৰ্ভুক্ত হৈ আছে কোনো ব্যক্তিক সামাজিক মাধ্যমত ইচ্ছাকৃতভাৱে আৰু ৰাজহুৱাভাৱে অপমান কৰা, মিছা অপবাদ দিয়া, ভয় বা ভাবুকি প্ৰদান কৰা, মানসিকভাৱে হাৰাশাস্তি কৰা বা অবুজ মন্তব্যৰে আঘাত সনা কাৰ্য। ডিজিটেল মাধ্যমৰ জৰিয়তে চলোৱা এনে ধৰণৰ নিৰ্যাতন বাস্তৱ জগতৰ যিকোনো নিৰ্যাতনতকৈ অধিক জটিল আৰু ভয়ংকৰ, কিয়নো ইয়াত আক্ৰমণকাৰীয়ে নিজৰ প্ৰকৃত পৰিচয় লুকুৱাই ৰাখি ভুৱা একাউণ্টৰ জৰিয়তে অতি সহজে আৰু নিৰাপদে আনক আক্ৰমণ কৰিব পাৰে। লগতে, এবাৰ ইণ্টাৰনেটৰ পৃথিৱীত প্ৰচাৰ হোৱা কোনো আপত্তিজনক মন্তব্য, ছবি বা সমল সম্পূৰ্ণৰূপে মচি পেলোৱাটো প্ৰায় অসম্ভৱ হৈ পৰে, যাৰ ফলত ভুক্তভোগীয়ে গোটেই জীৱন তাৰ কু-প্ৰভাৱ সহ্য কৰিবলগীয়া পৰিস্থিতিৰ সৃষ্টি হয়। সমীক্ষাটোত অতি স্পষ্টভাৱে প্ৰকাশ পাইছে যে এই ধৰণৰ ডিজিটেল নিৰ্যাতনৰ বলি হোৱা প্ৰায় ষাঠি শতাংশ কিশোৰ-কিশোৰী আৰু যুৱক-যুৱতীৰ পাৰস্পৰিক আৰু সামাজিক সম্পৰ্কত গভীৰ বিৰূপ প্ৰভাৱ পৰিছে। তেওঁলোকে মানুহৰ প্ৰতি থকা স্বাভাৱিক বিশ্বাস হেৰুৱাই পেলাইছে আৰু সমাজৰ পৰা নিজকে লাহে লাহে আঁতৰাই নি অকলশৰীয়া জীৱন আঁকোৱালি ল'বলৈ আৰম্ভ কৰিছে। তাতোকৈ গুৰুত্বপূৰ্ণ আৰু স্পৰ্শকাতৰ কথাটো হ'ল, সমীক্ষাত অংশগ্ৰহণ কৰা প্ৰায় চৌবিশ শতাংশ যুৱপ্ৰজন্মই ডিজিটেল নিৰ্যাতনৰ ফলশ্ৰুতিত তীব্ৰ উদ্বেগ, অত্যধিক মানসিক চাপ আৰু এক প্ৰকাৰৰ অহেতুক ভয়ৰ মাজেৰে দিন পাৰ কৰাৰ কথা মুকলিকৈ উল্লেখ কৰিছে। এই পৰিসংখ্যাসমূহ কেৱল চৰকাৰী বা বেচৰকাৰী নথিত লিপিবদ্ধ হৈ থকা কিছুমান নিৰ্জীৱ সংখ্যা নহয়; প্ৰকৃততে ইয়াৰ আঁৰত লুকাই আছে আধুনিক প্ৰযুক্তিৰ গ্ৰাসত পৰা হাজাৰ হাজাৰ যুৱ মনৰ অপ্ৰকাশিত যন্ত্ৰণা, যিবোৰ বহু সময়ত নিজৰ পৰিয়াল, অভিভাৱক বা শিক্ষকৰ সম্পূৰ্ণ অলক্ষিতে থাকি যায়।

সামাজিক মাধ্যমৰ আন এক অত্যন্ত নেতিবাচক আৰু সূক্ষ্ম প্ৰভাৱ হৈছে ইয়াৰ জৰিয়তে সৃষ্টি হোৱা অনবৰত তুলনাত্মক মানসিকতা, যিয়ে যুৱপ্ৰজন্মৰ মানসিক অৱস্থাক তীব্ৰভাৱে ক্ষতিগ্ৰস্ত কৰি আহিছে। ডিজিটেল মঞ্চসমূহত সাধাৰণতে মানুহে তেওঁলোকৰ জীৱনৰ কেৱল আটাইতকৈ ধুনীয়া, আড়ম্বৰপূৰ্ণ, সফল আৰু আনন্দদায়ক মুহূৰ্তবোৰহে আনৰ আগত প্ৰদৰ্শন কৰে। দামী আৰু সুন্দৰ পোছাক, বিলাসী আৰু ব্যয়বহুল ভ্ৰমণৰ ছবি, সুস্বাদু খাদ্যৰ প্ৰদৰ্শন, প্ৰযুক্তিৰ জৰিয়তে কৃত্ৰিমভাৱে সজাই তোলা বাহ্যিক সৌন্দৰ্য আৰু বিলাসিতাৰ ছবিবোৰ এই মাধ্যমসমূহত অহৰহ প্ৰচাৰ হৈ থাকে। এজন সাধাৰণ কিশোৰ বা কিশোৰীয়ে যেতিয়া নিজৰ দৈনন্দিন জীৱনৰ সংগ্ৰাম আৰু সাধাৰণ বাস্তৱতাৰ লগত সামাজিক মাধ্যমৰ পৰ্দাত জিলিকি থকা আনৰ সেই পৰিপূৰ্ণ আৰু ত্ৰুটিহীন ছবিবোৰৰ অহৰহ তুলনা কৰিবলৈ আৰম্ভ কৰে, তেতিয়া স্বাভাৱিকতেই তেওঁলোকৰ মনত এক গভীৰ আৰু পীড়াদায়ক অপ্ৰাপ্তিবোধৰ জন্ম হয়। তেওঁলোকে বাৰে বাৰে অনুভৱ কৰিবলৈ লয় যেন তেওঁলোকৰ নিজৰ জীৱন আন দহজনৰ তুলনাত অতি নিম্নমানৰ, মূল্যহীন আৰু বিফলতাৰে ভৰা। এই অহৰহ চলি থকা আৰু কেতিয়াও শেষ নোহোৱা তুলনাই যুৱপ্ৰজন্মৰ মাজত আত্মবিশ্বাসৰ তীব্ৰ অভাৱৰ সৃষ্টি কৰে। নিজৰ প্ৰকৃত পৰিচয়, পাৰদৰ্শিতা আৰু সামৰ্থ্যক লৈ তেওঁলোকৰ মনত সন্দেহ ওপজে আৰু কেৱল বাহ্যিক আড়ম্বৰক জীৱনৰ সফলতাৰ একমাত্ৰ মাপকাঠী হিচাপে গ্ৰহণ কৰাৰ প্ৰৱণতা বৃদ্ধি পায়। এই অপ্ৰাপ্তিবোধ ক্ৰমাগতভাৱে বৃদ্ধি পাই অৱশেষত এক ধৰণৰ অনাহূত উদ্বেগ আৰু বহু সময়ত তীব্ৰ নিৰাশা বা অৱসাদলৈ পৰ্যবসিত হয়। প্ৰকৃততে মানুহৰ জীৱন কেতিয়াও সকলো সময়তে নিখুঁত আৰু সুখময় হ'ব নোৱাৰে, সংগ্ৰাম, দুখ আৰু বিফলতা প্ৰতিখন মানৱ জীৱনৰে অবিচ্ছেদ্য আৰু স্বাভাৱিক অংগ। কিন্তু সামাজিক মাধ্যমে নিৰ্মাণ কৰা এই কৃত্ৰিম আৰু আলোকিত জগতখনে যুৱ মনত এনে এক ভ্ৰান্ত ধাৰণাৰ জন্ম দিয়ে যে সফলতা আৰু নিৰন্তৰ আনন্দৰ বাহিৰে আন কোনো পৰিস্থিতি সমাজত গ্ৰহণযোগ্য নহয়। ইয়াৰ পৰিণামস্বৰূপে বাস্তৱ জীৱনত সামান্য ব্যৰ্থতাৰ সন্মুখীন হ'লেই বা প্ৰত্যাশা অনুসৰি ফলাফল নাপালেই তেওঁলোকে তীব্ৰ মানসিক চাপ সহ্য কৰিব নোৱাৰা হয়। হাতৰ মুঠিত থকা এই সৰু যন্ত্ৰটোৱে মানুহৰ চিন্তাৰ দিশ সম্পূৰ্ণৰূপে সলনি কৰি পেলাবলৈ সক্ষম হৈছে আৰু ইয়াৰ প্ৰভাৱত এটা সমগ্ৰ প্ৰজন্মই নিজৰ প্ৰকৃত সুখ বিচাৰি পোৱাত অহৰহ সংগ্ৰাম কৰিবলগীয়া হৈছে।

মানসিক চাপ, হীনমন্যতা আৰু উদ্বেগৰ সমান্তৰালভাৱে, অবিৰত আৰু অনিয়ন্ত্ৰিতভাৱে ডিজিটেল মাধ্যমৰ ব্যৱহাৰে যুৱপ্ৰজন্মৰ শাৰীৰিক স্বাস্থ্য আৰু দৈনন্দিন আচাৰ-ব্যৱহাৰজনিত দিশতো অতি স্পষ্ট আৰু গুৰুতৰ প্ৰভাৱ পেলাইছে। ইয়াৰ আটাইতকৈ প্ৰত্যক্ষ আৰু ক্ষতিকাৰক উদাহৰণ হৈছে টোপনিৰ তীব্ৰ নাটনি বা নিদ্ৰাহীনতাৰ সমস্যা। ৰাতি গভীৰ নিশালৈকে ম'বাইলৰ পৰ্দাত সময় কটোৱা, সামাজিক মাধ্যমত বিভিন্ন সমল চাই থকা বা অনলাইন খেল খেলাৰ ফলত কিশোৰ-কিশোৰীসকলৰ স্বাভাৱিক টোপনিৰ চক্ৰটো সম্পূৰ্ণৰূপে ব্যাহত হৈ পৰিছে। চিকিৎসা বিজ্ঞানৰ দৃষ্টিকোণৰ পৰা বিশ্লেষণ কৰিলে দেখা যায় যে ম'বাইলৰ পৰ্দাৰ পৰা নিৰ্গত হোৱা নীলা পোহৰে মানুহৰ মগজুত থকা হৰম'নৰ স্বাভাৱিক উৎপাদনত তীব্ৰ বাধা প্ৰদান কৰে, যিটো মানুহৰ নিদ্ৰা নিয়ন্ত্ৰণৰ বাবে অপৰিহাৰ্য। পৰ্যাপ্ত জিৰণি আৰু বিশ্ৰামৰ অভাৱত পৰৱৰ্তী দিনটোত শৰীৰ আৰু মগজুৱে স্বাভাৱিক আৰু সক্ৰিয়ভাৱে কাম কৰিব নোৱাৰা অৱস্থাৰ সৃষ্টি হয়। ইয়াৰ পোনপটীয়া আৰু আটাইতকৈ বেয়া প্ৰভাৱ পৰে ছাত্ৰ-ছাত্ৰীৰ শিক্ষা আৰু শৈক্ষিক প্ৰদৰ্শনৰ ওপৰত। শ্ৰেণীকোঠাত পাঠদানৰ সময়ত মনোযোগ স্থাপন কৰিব নোৱাৰা, পঢ়া-শুনাত ক্ৰমাগতভাৱে অনিহা আৰু বিৰক্তি বৃদ্ধি পোৱা, লগতে সামগ্ৰিকভাৱে স্মৃতিশক্তি হ্ৰাস পোৱা আদি লক্ষণসমূহ বৰ্তমান সময়ত যুৱপ্ৰজন্মৰ মাজত অতি সাধাৰণ ঘটনা হৈ পৰিছে। ইয়াৰ লগতে, পৰ্যাপ্ত টোপনি আৰু মানসিক বিশ্ৰামৰ অভাৱে তেওঁলোকৰ স্বাভাৱিক আচৰণতো ব্যাপক পৰিৱৰ্তন আনিছে। সৰু সৰু কথাতে খং উঠা, খিংখিঙীয়া স্বভাৱ, পৰিয়ালৰ জ্যেষ্ঠ সদস্যৰ লগত তৰ্কত লিপ্ত হোৱা, অকাৰণতে জেদ ধৰা বা অস্থিৰতা প্ৰদৰ্শন কৰা আদি প্ৰৱণতাসমূহ অস্বাভাৱিকভাৱে বৃদ্ধি পাইছে। সমাজত প্ৰায়ভাগ সময়তে এই লক্ষণবোৰক বয়সৰ দোষ বা কিশোৰ অৱস্থাৰ স্বাভাৱিক পৰিৱৰ্তনশীল আচৰণ বুলি সহজভাৱে লৈ উপেক্ষা কৰা হয় আৰু ধৰি লোৱা হয় যে সময়ৰ লগে লগে এই আচৰণবোৰ নিজে নিজে ঠিক হৈ যাব। কিন্তু বাস্তৱ আৰু মনস্তাত্বিক বিশ্লেষণ কৰিলে দেখা যায় যে এই বাহ্যিক লক্ষণবোৰৰ আঁৰত প্ৰায়েই লুকাই থাকে এক গভীৰ আৰু অন্তৰ্নিহিত মানসিক সংকট, যাৰ মূল শিপাডাল সজোৰে সোমাই থাকে তেওঁলোকৰ হাতৰ ফোনটোৰ ভিতৰতেই। অনবৰতে মগজুক প্ৰদান কৰা অতিৰিক্ত তথ্যৰ বোজাই যুৱপ্ৰজন্মক এক ক্ৰমাগত মানসিক অৱসাদৰ দিশে আগুৱাই লৈ গৈছে।

ডিজিটেল মাধ্যমৰ সঠিক, নিৰাপদ আৰু নিয়ন্ত্ৰিত ব্যৱহাৰৰ শিক্ষা ঘৰখনৰ পৰাই আৰম্ভ হোৱাটো বৰ্তমান সময়ৰ এক মৌলিক প্ৰয়োজনীয়তা। কাৰণ এটা শিশু বা কিশোৰে সমাজৰ প্ৰথমটো আনুষ্ঠানিক আৰু অনানুষ্ঠানিক পাঠ নিজৰ ঘৰখনৰ পৰাই শিকে। এইক্ষেত্ৰত অভিভাৱকৰ প্ৰথম পদক্ষেপ হ'ব লাগে নিজৰ সন্তানৰ স্মাৰ্টফোন বা ইণ্টাৰনেট ব্যৱহাৰৰ সবিশেষ কাৰ্যকলাপৰ ওপৰত এক সুশৃংখল আৰু মৰমিয়াল নিৰীক্ষণ ব্যৱস্থা গঢ়ি তোলা। কিন্তু ইয়াত আটাইতকৈ গুৰুত্বপূৰ্ণ আৰু প্ৰয়োজনীয় দিশটো হৈছে অভিভাৱকৰ নিজৰ আত্মবীক্ষণ। সন্তানক ম'বাইল কমকৈ ব্যৱহাৰ কৰিবলৈ কঠোৰ নিৰ্দেশ দিয়াৰ পূৰ্বে পিতৃ-মাতৃ বা অভিভাৱকে নিজে কিমান সময় পৰ্দাৰ সন্মুখত অনাহকত কটায়, সেই বিষয়ে অন্তৰ্দৃষ্টিৰে সচেতন হোৱাটো অপৰিহাৰ্য। বৰ্তমান সময়ত বহু পৰিয়ালত দেখা যায় যে নিজৰ কৰ্মব্যস্ততাৰ অন্তত ঘৰলৈ উভতি অহাৰ পাছত অভিভাৱকসকলেও নিজৰ আজৰি সময়খিনি কেৱল সামাজিক মাধ্যম বা স্মাৰ্টফোনতেই আৱদ্ধ ৰাখে। এটা কথা মনত ৰখা উচিত যে সন্তানে সদায় মৌখিক উপদেশতকৈ পিতৃ-মাতৃৰ দৈনন্দিন আচৰণ আৰু কাৰ্যকলাপৰ পৰাহে বেছি কথা শিকে আৰু আয়ত্ত কৰে। যদি ঘৰখনত পৰিয়ালৰ সদস্যসকলৰ মাজত পাৰস্পৰিক মুকলি বাৰ্তালাপৰ পৰিৱৰ্তে প্ৰতিগৰাকী সদস্য নিজৰ নিজৰ যন্ত্ৰত ব্যস্ত থাকে, তেন্তে সন্তানেও সেই একেই বিচ্ছিন্ন জীৱনশৈলীকে স্বাভাৱিক বুলি গ্ৰহণ কৰিব। সেয়েহে, ডিজিটেল যুগৰ পৰিৱেশ সাপেক্ষে সন্তানক পৰিচালনা কৰাৰ নব্য ধাৰণাটো আজিৰ সমাজত অতি প্ৰাসংগিক আৰু কাৰ্যকৰী হৈ পৰিছে। ইয়াৰ অৰ্থ প্ৰযুক্তিক ঘৰখনত সম্পূৰ্ণৰূপে নিষিদ্ধ কৰা নহয়, বৰঞ্চ ইয়াৰ এক স্বাস্থ্যকৰ, সুৰক্ষিত আৰু সন্তুলিত ব্যৱহাৰৰ পৰিৱেশ সৃষ্টি কৰা। ঘৰখনত কিছুমান নিৰ্দিষ্ট আৰু উমৈহতীয়া নিয়ম প্ৰণয়ন কৰিব পৰা যায়, যেনে- পৰিয়ালৰ সকলোৱে একেলগে নিশাৰ আহাৰ গ্ৰহণৰ সময়ত বা শুবলৈ যোৱাৰ নিৰ্দিষ্ট সময়ৰ পূৰ্বে ম'বাইল ফোনৰ ব্যৱহাৰ সম্পূৰ্ণৰূপে বন্ধ ৰখা। ইয়াৰ উপৰিও সন্তানৰ লগত মুকলিকৈ কথা পতাৰ এক সুস্থ অভ্যাস গঢ়ি তোলাটো অত্যন্ত জৰুৰী। তেওঁলোকে ইণ্টাৰনেটত কি সমল চাইছে, কাৰ লগত যোগাযোগ ৰাখিছে বা ডিজিটেল পৃথিৱীত তেওঁলোকে কোনো অস্বস্তিকৰ পৰিস্থিতিৰ সন্মুখীন হৈছে নেকি, সেই বিষয়ে নিয়মীয়াকৈ আৰু অতি বন্ধুত্বপূৰ্ণ মনোভাৱেৰে আলোচনা কৰিলেহে সন্তানে চাইবাৰ বুলিং বা আন সমস্যাৰ সন্মুখীন হ'লে বিনা দ্বিধাই অভিভাৱকক জনাবলৈ প্ৰয়োজনীয় সাহস লাভ কৰিব।

পৰিয়ালৰ এই প্ৰাথমিক দায়িত্বৰ সমান্তৰালভাৱে আমাৰ শিক্ষানুষ্ঠানসমূহৰ আনুষ্ঠানিক দায়িত্ব আৰু প্ৰতিষ্ঠানিক ভূমিকাও এই সমগ্ৰ প্ৰক্ৰিয়াত সমানেই গুৰুত্বপূৰ্ণ আৰু অপৰিহাৰ্য। বিদ্যালয় বা মহাবিদ্যালয়সমূহ কেৱল নিৰ্ধাৰিত পাঠ্যক্ৰম সম্পূৰ্ণ কৰা, শ্ৰেণীত পাঠদান কৰা আৰু বাৰ্ষিক পৰীক্ষা অনুষ্ঠিত কৰি নম্বৰ প্ৰদান কৰা স্থান হৈ থকাটো বৰ্তমানৰ ডিজিটেল যুগত কোনোমতেই পৰ্যাপ্ত নহয়। ছাত্ৰ-ছাত্ৰীসকলৰ সামগ্ৰিক ব্যক্তিত্ব গঠন, চৰিত্ৰ নিৰ্মাণ আৰু মানসিক বিকাশৰ প্ৰধান কেন্দ্ৰ হিচাপে শিক্ষানুষ্ঠানসমূহে বৰ্তমানৰ এই নৱতম ডিজিটেল প্ৰত্যাহ্বানসমূহৰ মুখামুখি হ'বলৈ নিজকে আধুনিক ধৰণেৰে প্ৰস্তুত কৰিব লাগিব। পৰিতাপৰ কথা যে, আমাৰ অসমৰ সৰহভাগ শিক্ষানুষ্ঠানত এতিয়াও মানসিক স্বাস্থ্যৰ দৰে এক অতি স্পৰ্শকাতৰ, সংবেদনশীল আৰু প্ৰয়োজনীয় বিষয়ৰ ওপৰত মুকলিকৈ আলোচনা কৰিবলৈ কোনো নিয়মিত মঞ্চ বা সুনিৰ্দিষ্ট প্ৰতিষ্ঠানিক ব্যৱস্থা নাই। শাৰীৰিক অসুস্থতা বা খেল-ধূলাৰ প্ৰতি যিদৰে প্ৰাথমিক গুৰুত্ব প্ৰদান কৰা হয়, শিক্ষাৰ্থীৰ মানসিক সমস্যাসমূহক আজিও আমাৰ সমাজত বহু পৰিমাণে আওকাণ কৰা বা লুকুৱাই ৰখা দেখা যায়। এই পশ্চাদপদ পৰিস্থিতিৰ পৰিৱৰ্তন আনিবলৈ প্ৰতিখন বিদ্যালয়ত বিজ্ঞানসন্মতভাৱে প্ৰশিক্ষিত মানসিক পৰামৰ্শদাতা নিযুক্তি দিয়াটো সময়ৰ এক প্ৰধান আৰু জৰুৰী দাবী হৈ পৰিছে। ইয়াৰ লগতে, ছাত্ৰ-ছাত্ৰীসকলক প্ৰাথমিক স্তৰৰ পৰাই কেৱল সাধাৰণ কম্পিউটাৰ শিক্ষা প্ৰদান কৰাই নহয়, বৰঞ্চ ডিজিটেল সাক্ষৰতা আৰু ডিজিটেল সুস্থতাৰ প্ৰকৃত নৈতিক ধাৰণা প্ৰদান কৰিব লাগিব। ইণ্টাৰনেটৰ বিশাল পৃথিৱীত নিজৰ ব্যক্তিগত তথ্য কেনেদৰে সুৰক্ষিত কৰি ৰাখিব লাগে, ভয়ংকৰ ভুৱা বাতৰি বা উদ্দেশ্যপ্ৰণোদিত উৰাবাতৰি কেনেদৰে যুক্তিকংগতভাৱে চিনাক্ত কৰিব লাগে আৰু আনৰ লগত ডিজিটেল মাধ্যমত কেনেধৰণৰ ভদ্ৰতাপূৰ্ণ তথা সন্মানজনক আচৰণ কৰিব লাগে, সেই সম্পৰ্কে তেওঁলোকক বিস্তৃতভাৱে শিক্ষিত কৰিব লাগিব। তাতোকৈ ডাঙৰ কথাটো হ'ল, শিক্ষানুষ্ঠানৰ চৌহদত শিক্ষক আৰু শিক্ষাৰ্থীৰ মাজত এনে এক গভীৰ বিশ্বাস, নিৰ্ভৰশীলতা আৰু নিৰাপত্তাৰ আৱেগিক সম্পৰ্ক গঢ়ি তুলিব লাগিব, য'ত কোনো এজন চাইবাৰ বুলিঙৰ বলি হোৱা বা মানসিক চাপত ভোগা ছাত্ৰ বা ছাত্ৰীয়ে কোনো ধৰণৰ অপৰাধবোধ, লাজ বা ভয় নোহোৱাকৈ মুকলি মনেৰে নিজৰ সমস্যাৰ কথা শিক্ষকক জনাব পাৰে। শিক্ষকসকলেও ছাত্ৰ-ছাত্ৰীৰ স্বাভাৱিক আচৰণত ঘটা অস্বাভাৱিক পৰিৱৰ্তনসমূহ অতি সূক্ষ্মভাৱে নিৰীক্ষণ কৰাৰ মানসিক যোগ্যতা অৰ্জন কৰিব লাগিব, যাতে পৰিস্থিতি বিষম হোৱাৰ পূৰ্বেই প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব পৰা যায়।

এক কথাত, সমস্যাটো আধুনিক প্ৰযুক্তি, ইণ্টাৰনেট বা স্মাৰ্টফোনটো নহয়, বৰঞ্চ প্ৰকৃত সমস্যাটো হৈছে এই প্ৰযুক্তিৰ অত্যধিক নিৰ্ভৰশীলতা আৰু ভয়ংকৰ অপব্যৱহাৰ। প্ৰযুক্তিৰ নিজা কোনো দোষ বা গুণ, ভাল বা বেয়া নাথাকে, ইয়াৰ সামগ্ৰিক প্ৰভাৱ নিৰ্ভৰ কৰে কেৱল ব্যৱহাৰকাৰীৰ উদ্দেশ্য, মানসিকতা আৰু নিয়ন্ত্ৰণ ক্ষমতাৰ ওপৰত। স্মাৰ্টফোন আৰু সামাজিক মাধ্যমৰ আমাৰ জীৱনত অলেখ যোগাত্মক আৰু উপকাৰী দিশ আছে যিবোৰ বৰ্তমানৰ আধুনিক আৰু দ্ৰুত পৰিৱৰ্তনশীল জীৱন যাপনৰ বাবে একেবাৰেই অপৰিহাৰ্য। শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত বিশ্বমানৰ নতুন দিগন্তৰ সন্ধান কৰা, বিশ্বৰ যিকোনো প্ৰান্তৰ মানুহৰ সৈতে মুহূৰ্তৰ ভিতৰতে দ্ৰুত যোগাযোগ স্থাপন কৰা, নিজৰ প্ৰতিভা আৰু সৃজনশীলতাক এখন বিশাল ৰাজহুৱা মঞ্চত মুকলিকৈ প্ৰকাশ কৰা আদি বিভিন্ন যোগাত্মক কামত ডিজিটেল মাধ্যম এক অনন্য আৰু শক্তিশালী আহিলা হিচাপে পৰিগণিত হৈছে। গতিকে, সমাজত সৃষ্টি হোৱা কিছুমান নেতিবাচক প্ৰভাৱৰ বাবে এই সমগ্ৰ প্ৰযুক্তি ব্যৱস্থাক সম্পূৰ্ণৰূপে নিষিদ্ধ কৰাৰ চিন্তা কৰাটো কেতিয়াও এক ফলপ্ৰসু, বাস্তৱসন্মত বা ব্যৱহাৰিক পৰ্যায়ৰ সমাধান হ'ব নোৱাৰে। ইয়াৰ পৰিৱৰ্তে, ইয়াৰ এক স্বাস্থ্যকৰ, সুসংগঠিত, সুৰক্ষিত আৰু সমাজৰ প্ৰতি দায়িত্বশীল ব্যৱহাৰৰ পৰিৱেশ কেনেদৰে সৃষ্টি কৰিব পাৰি, সেই কথাতহে সমাজৰ সকলোৱে গভীৰভাৱে চিন্তা-চৰ্চা কৰিব লাগে। এইক্ষেত্ৰত ব্যক্তিগত আৰু আনুষ্ঠানিক প্ৰতিষ্ঠানিক প্ৰচেষ্টাৰ উপৰিও চৰকাৰী পৰ্যায়তো পলম নকৰাকৈ কিছুমান কঠোৰ আৰু জৰুৰী পদক্ষেপ গ্ৰহণ কৰাৰ প্ৰয়োজনীয়তা আহি পৰিছে। চৰকাৰে ৰাজ্যৰ সকলো চৰকাৰী আৰু বেচৰকাৰী বিদ্যালয়সমূহত মানসিক স্বাস্থ্য পৰামৰ্শ সেৱা বাধ্যতামূলক আৰু সৰ্বজনীন কৰাৰ ব্যৱস্থা কৰিব লাগে। লগতে, চাইবাৰ বুলিং বা যিকোনো ডিজিটেল অপৰাধৰ বলি হোৱা ভুক্তভোগীসকলে যাতে অতি সহজে, খৰতকীয়াকৈ আৰু সুৰক্ষিতভাৱে অভিযোগ দাখিল কৰি ন্যায় পাব পাৰে, তাৰ বাবে এক সুদৃঢ়, সক্ৰিয় আৰু দ্ৰুত কাৰ্যকৰী আইনী ব্যৱস্থা গঢ়ি তোলাটো অত্যন্ত প্ৰয়োজনীয়। চৰকাৰী বা বেচৰকাৰী স্বেচ্ছাসেৱী সংগঠনৰ উদ্যোগত সমগ্ৰ ৰাজ্যজুৰি অভিভাৱক আৰু শিক্ষকসকলৰ বাবে ডিজিটেল সুৰক্ষাৰ বিশেষ প্ৰশিক্ষণ শিবিৰৰ আয়োজন কৰিলে ই সমাজত এক নিৰ্ণায়ক সজাগতা সৃষ্টি কৰাত সহায় কৰিব। শেষত এই কথা দৃঢ়তাৰে ক'ব পাৰি যে, কিশোৰ আৰু যুৱপ্ৰজন্মৰ মানসিক স্বাস্থ্য সুৰক্ষিত কৰি ৰখাটো কেৱল কোনো এটা নিৰ্দিষ্ট পৰিয়াল, এখন শিক্ষানুষ্ঠান বা কোনো একক চৰকাৰী বিভাগৰ দায়িত্ব নহয়। ই হৈছে অভিভাৱক, শিক্ষক, প্ৰশাসন আৰু সমগ্ৰ সমাজৰ এক যুটীয়া আৰু নিৰন্তৰ দায়বদ্ধতা। অসমৰ নৱপ্ৰজন্মৰ এই সংকটৰ স্থায়ী সমাধান বিচাৰি সমাজৰ প্ৰতিজন সচেতন নাগৰিক একত্ৰিত হৈ আগবাঢ়ি অহাটোৱেই সময়ৰ আটাইতকৈ ডাঙৰ আহ্বান।

বৃহৎ মুকলি সভা; প্রাক্তন শিক্ষাগুৰুক সম্বর্ধনা: বর্ণাঢ্য সাংস্কৃতিক অনুষ্ঠান

নামনি মাজুলীৰ প্রাচীন শিক্ষানুষ্ঠান ঐতিহ্যমণ্ডিত আঁহতগুৰি উচ্চ মাধ্যমিক বিদ্যালয়ৰ মহাৰজত জয়ন্তীৰ আৰম্ভণী অনুষ্ঠান শুভাৰম্ভ

অসম বার্তা, উজনী মাজুলী, ১০ অক্টোবৰ ঃ মাজুলী জিলাৰ নামনি মাজুলীৰ মাধ্যমিক শিক্ষাৰ অগ্রণী শিক্ষানুষ্ঠান, ঐতিহ্যমণ্ডিত আঁহতগুৰি উচ্চ মাধ্যমিক বিদ্যালয়ৰ মহাৰজত জয়ন্তী বর্ষ উদযাপনৰ আৰম্ভণি অনুষ্ঠান আজি আড়ম্বৰপূর্ণভাবে শুভাৰম্ভ কৰা হয়। পৃথিৱীৰ বৃহত্তম জনবহুল নদীদ্বীপ মাজুলী পশ্চিম প্রান্তৰ এসময়ৰ আটাইতকৈ ডাঙৰ মৌজা, নামনি মাজুলীৰ আঁহতগুৰিত ১৯৫২ চনত প্রতিষ্ঠা হৈছিল আঁহতগুৰি উচ্চ মাধ্যমিক বিদ্যালয়। প্রতিষ্ঠা কালৰে পৰা স্বকীয়তাৰে জিলিকি থকা বিদ্যালয়খনে ব্রহ্মপুত্র নদীৰ গৰাখহনীয়ৰ দৰে প্রাকৃতিক দুর্যোগত পৰি তিনিবাৰকৈ স্থান সলনি কৰাৰ পাছত বর্তমান নামনি মাজুলীৰ বাঘ গাঁৱত স্থায়ীভাৱে স্থাপন কৰা হৈছে। বিদ্যালয়খনে ৭৫ বছৰীয়া শিক্ষক অজিত মুক্তিয়াৰে। বিদ্যালয়ৰ ছাত্র-ছাত্রীসকলে পৰিবেশন কৰা সমবেত সংগীতেৰে শুভাৰম্ভ কৰা মুকলি সভাখন উদ্বোধন কৰে নামনি মাজুলী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ অবসৰপ্রাপ্ত বিষয় শিক্ষক দিগন্ত শইকীয়াই। সভাত নির্দিষ্ট বক্তাৰ তত্ত্বাধুৰ ভাষণ প্রদান কৰে আঁহতগুৰি উচ্চ মাধ্যমিক বিদ্যালয়ৰ অবসৰপ্রাপ্ত প্রধান শিক্ষক কমল বৰাই। কমল বৰাই তেওঁৰ ভাষণত বিদ্যালয়ৰ ইতিহাস সুন্দৰ ভাৱে উপস্থাপন কৰে। উক্ত মুকলি সভাত বিশিষ্ট অতিথি হিচাপে বিদ্যালয়ৰ প্রাক্তন শিক্ষক শশীধৰ দাস, প্রাক্তন ছাত্র ডিব্রুগড়ৰ ডিম্বেশ্বৰ শইকীয়া, বিদ্যালয়ৰ প্রাক্তন শিক্ষক পুতুল মহন্ত, মাজুলী জিলা মাধ্যমিক শিক্ষক সংস্থাৰ সভাপতি প্রশান্ত দোলাকাষৰীয়া আৰু সম্পাদক লোহিত শইকীয়া, কৰতিপাৰ হাইস্কুলৰ প্রধান শিক্ষক প্রদীপ বৰা, শ্রীলোহিত হাইস্কুলৰ প্রধান শিক্ষক অসীম হাজৰিকা, সদৌ অসম ছাত্র সস্থাৰ কেন্দ্রীয় কার্যনির্বাহক বংগবস মহন্ত, মিছামৰা উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্রধান শিক্ষক কমল কুম্বাং, কৰতিপাৰ গাঁও পঞ্চায়তৰ সভাপতি প্রফুল্ল পেগু, মাজুলী জিলা যুব ছাত্র পৰিষদৰ সভাপতি মুনিন্দ্র ভূঞা, টি এম পি কে মাজুলী জিলাৰ সম্পাদক হেমন্ত মিলি আদিয়ে অংশগ্রহণ কৰি ভাষণ প্রদান কৰে। উক্ত, মুকলি সভাত বিদ্যালয়ৰ প্রাক্তন শিক্ষকসকলক গভীৰ শ্রদ্ধাৰে সম্বর্ধনা জনোৱা হয়। উক্ত, শিক্ষক সম্বর্ধনা অনুষ্ঠান আঁত ধৰে বিদ্যালয়ৰ প্রাক্তন প্রধান শিক্ষক বিষ্ণু শইকীয়াই। প্রাক্তন শিক্ষকসকলে উক্ত সম্বর্ধনা গ্রহণ কৰি আবেগিক হৈপৰে। বিদ্যালয়ৰ প্রধান শিক্ষক মাণিক হাজৰিকাই অনুষ্ঠানত আদৰণী ভাষণ প্রদান কৰে। মুকলি সভাত বিদ্যালয়ৰ শিক্ষক অজিত মুক্তিয়াৰৰ কণ্ঠৰ বৰগীত, বিদ্যালয়ৰ প্রাক্তন আৰু অধ্যয়নৰত ছাত্রীসমূহীয়া বৰগীত, সমুহীয়া লোকগীতে সভাৰ সৌষ্ঠব বৃদ্ধি কৰে। বিয়লি তিনিবজাৰ পৰা বর্ণাঢ্য সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়। উক্ত, সাংস্কৃতিক অনুষ্ঠানত শিল্পীসকলে বিভিন্ন গীত নৃত্য প্রদর্শন কৰি ৰাতিপৈকে সমগ্র অঞ্চলটো মুখৰিত হৈ পৰে। আজি বিদ্যালয়খনৰ মহাৰজত জয়ন্তী আৰম্ভণী অনুষ্ঠানত স্থানীয় হেজাৰ হেজাৰ লোকে অংশগ্রহণ কৰে। অনুষ্ঠানত শলাগ সৰাই আগবঢ়াই বিদ্যালয়ৰ প্রধান শিক্ষক মাণিক হাজৰিকাই।

বুৰুঙা বজাৰ হাইস্কুলত মধ্যাহ্ন ভোজনক লৈ ব্যাপক অনিয়মৰ অভিযোগ

অসম বার্তা, ডবকা, ১০ অক্টোবৰ ঃ হোজাই জিলাৰ বুৰুঙা বজাৰ হাইস্কুলত ছাত্র-ছাত্রীৰ বাবে চৰকাৰীভাৱে প্রবর্তিত মধ্যাহ্ন ভোজন আঁচনিক লৈ ব্যাপক অনিয়ম সংঘটিত হোৱাৰ অভিযোগ উত্থাপন হৈছে। বিদ্যালয় খনত ছাত্র-ছাত্রীক নিয়মীয়াকৈ মধ্যাহ্ন ভোজন যোগান ধৰা হোৱা নাই বুলি অভিযোগ উত্থাপন কৰাৰ লগতে খোৱাৰ অনুপযোগী চাউল ব্যবহাৰ আৰু অস্বাস্থ্যকৰ পৰিবেশত আহাৰ অনুষ্ঠানত আদৰণী ভাষণ প্রদান কৰে। মুকলি সভাত বিদ্যালয়ৰ শিক্ষক অজিত মুক্তিয়াৰৰ কণ্ঠৰ বৰগীত, বিদ্যালয়ৰ প্রাক্তন আৰু অধ্যয়নৰত ছাত্রীসমূহীয়া বৰগীত, সমুহীয়া লোকগীতে সভাৰ সৌষ্ঠব বৃদ্ধি কৰে। বিয়লি তিনিবজাৰ পৰা বর্ণাঢ্য সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়। উক্ত, সাংস্কৃতিক অনুষ্ঠানত শিল্পীসকলে বিভিন্ন গীত নৃত্য প্রদর্শন কৰি ৰাতিপৈকে সমগ্র অঞ্চলটো মুখৰিত হৈ পৰে। আজি বিদ্যালয়খনৰ মহাৰজত জয়ন্তী আৰম্ভণী অনুষ্ঠানত স্থানীয় হেজাৰ হেজাৰ লোকে অংশগ্রহণ কৰে। অনুষ্ঠানত শলাগ সৰাই আগবঢ়াই বিদ্যালয়ৰ প্রধান শিক্ষক মাণিক হাজৰিকাই।

১২ নং ৰার্ড সদস্যক গৰিহণা নাগৰিক মঞ্চৰ

গোলাঘাটত ড্রাগছ বিৰোধী সজাগতা সভা

অসম বার্তা, ষ্টাফ বিপর্টাৰ, গোলাঘাট, ১০ অক্টোবৰ ঃ গোলাঘাট নগৰত দিনক দিনে বৃদ্ধি পাবলৈ ধৰিছে মাৰাত্মক ড্রাগছৰ প্রচলন। যাৰ প্রতি লক্ষ্য ৰাখি গোলাঘাট নাগৰিক মঞ্চৰ উদ্যোগত নগৰৰ প্রতিটো ৰার্ডৰ বাসিন্দা সকলক মাৰাত্মক ড্রাগছৰ বিৰুদ্ধে থিয় দিবলৈ আহ্বান জনায় আজি ১২ নং ৰার্ডৰ বংি ক্লাবৰ চৌহদত এখন ৰাজহুৱা সভা অনুষ্ঠিত কৰে। মঞ্চৰ সভাপতি কিশোৰ কুমাৰে দত্তৰ সভাপতিত্বত অনুষ্ঠিত হোৱা ড্রাগছ বিৰোধী সজাগতা সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে মঞ্চৰ বিষয়বৰীয়া ৰবীন হাজৰিকাই। ড্রাগছৰ ভয়াবহতাৰ বিষয়ে বিতংভাৱে আলোকপাত কৰে মঞ্চৰ সাধাৰণ সম্পাদক নিকুমণি দত্ত আৰু কার্যকৰী সভাপতি সঞ্জীৱ সন্দিকৈয়ে। দুই জন বিষয় বৰীয়া শেহতীয়াকৈ গোলাঘাট নগৰত ড্রাগছ আসক্ত কেই বাটাও ভয়ংকৰ ঘটনা সংঘটিত কৰাৰ কথা উল্লেখ কৰাৰ লগতে বহুৰৰ প্রথম দিনটোতে নিচাসক্ত কেইজনমান যুবকে এজন নিৰীহ লোকক হত্যা কৰাৰ উপৰিও কেই বাজনা ড্রাগছ আসক্ত যুবকৰ ইতিমধ্যে মৃত্যু হৈছে। যাৰ বাবে বাইজে এই ক্ষেত্রত সজাগ আৰু সচেতন হ'বলৈ সকলোকে আহ্বান জনায়। সভাত অঞ্চলটোৰ ভালেসংখ্যক গণমান্য ব্যক্তি উপস্থিত থাকে। আনহাতে বংি ক্লাবৰ চৌহদৰ নতুনকৈ নির্মাণ কৰা এখন ৰাজহুৱা ভৰনত এই সভাখন অনুষ্ঠিত কৰাৰ কথা আছিল যদিও ১২ নং ৰার্ডৰ ৰার্ড সদস্যগৰাকীয়ে উক্ত সভাগৃহৰ গেটত তলা লগাই দিয়াত তীব্র প্রতিক্রিয়া প্রকাশ কৰে মঞ্চৰ কার্যকৰী সভাপতি সঞ্জীৱ সন্দিকৈয়ে। ৰার্ড সদস্য গৰাকীৰ এনে কার্যক গৰিহণা জনোৱাৰ লগতে ড্রাগছ সৰবাহকাৰীৰ সৈতে ৰার্ড সদস্যগৰাকীৰ কিবা ৰুজুবুজি আছেনকি বুলি প্রশ্ন উত্থাপন কৰে।

নাজিৰাৰ শিমলুগুৰিত সদৌ শিৰসাগৰ জিলা ছাত্র সস্থাৰ সপ্তদশ অধিৱেশন সম্পন্ন



অসম বার্তা, গেলেকী, নামতি, ১০ অক্টোবৰ ঃ নাজিৰা সমজিলাৰ অন্তর্গত শিমলুগুৰিত ৯ আৰু ১০ অক্টোবৰত দুদিনীয়া বর্ণাঢ্য কার্যসূচীৰে সদৌ শিৰসাগৰ জিলা ছাত্র সস্থাৰ সপ্তদশ অধিৱেশনখনি সফলভাৱে অনুষ্ঠিত হৈ যায়। অধিৱেশনৰ সামৰণি দিনটোত আহোম ছশবছৰীয়া গৌৰৱোজ্জ্বল ইতিহাসৰ বিৰল চানেকি ঐতিহাসিক গড়গাঁৱৰ কাৰেংঘৰ বাকবিৰ পৰা শিমলুগুৰিলৈ উলিওৱা হয় এক অপূর্ব আৰু বাৰেৱহণীয়া সাংস্কৃতিক শোভাযাত্রা। আগে আগে গজৰাজ আৰু তাৰ পিছে পিছে অসমৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ সাতাঁসপুৰুষীয়া কৃষ্টি-সংস্কৃতিৰ অনুপম সমাহাৰেৰে উলিওৱা এই শোভাযাত্রাই সমগ্র অঞ্চলটোক ৰাইজৰ মোহাচ্ছন্ন কৰি তোলে। বর্ণিল সাংস্কৃতিক শোভাযাত্রাৰ শুভ উদ্বোধন কৰি সদৌ অসম ছাত্র সস্থাৰ (আছু) কেন্দ্রীয় সাধাৰণ সম্পাদক সমীৰণ ফুকনে কয় উজনিৰ তিনি জিলাত হোৱা প্রলয়কাৰী বানৰ প্রকৃত কাৰণ উদঘাটন কৰিব লাগিব আৰু পৰবর্তী সময়ত তাৰ স্থায়ী সমাধানৰ ব্যবস্থা কৰিব লাগিব আৰু প্রলয়কাৰী বানত সর্বস্বান্ত হোৱা লোকসকলক অসম চৰকাৰে তৎকালীনভাৱে উচিত বান সাহায্য প্রদানৰ বাবে চৰকাৰক এক দাবী জনায়। বিভিন্ন জাতি-জনগোষ্ঠীৰে সম্মিলিত বর্ণাঢ্য শোভাযাত্রাত কেৱল সাংস্কৃতিক প্রদর্শনতে সীমাবদ্ধ নাথাকি শেহতীয়া সম্বলিত বিভিন্ন প্লেক ৰ্ড -বেনাৰেৰেও শোভাযাত্রাটো সজাই তোলা হয়। শোভাযাত্রাত বিশেষ আকর্ষণৰ কেন্দ্রবিন্দু হৈ পৰে অসমীয়া চলচ্চিত্র জগতৰ তিনিযাকৈ মোহময়ী অভিনেত্রী ত্রয়ে যশস্বী ভূ এগা, শ্রেয়া বৰঠাকুৰ আৰু বৈভৱী গোস্বামী। অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে অসম উন্নতি সভাৰ উ পসভাপতি নবেন চেতিয়া, সম্পাদক নৰজ্যোতি শইকীয়া আৰু কার্যনির্বাহক সদস্য অসীম দত্ত। ছাত্র সস্থাৰ বিষয়ৰবীয়া, বিভিন্ন বিদ্যালয়-মহাবিদ্যালয়ৰ শিক্ষাৰ্থী তথা অঞ্চলটোৰ শতাধিক লোকৰ স্বতঃস্ফূর্ত অংশগ্রহণেৰে এই সাংস্কৃতিক শোভাযাত্রাই এক ঐতিহাসিক ৰূপ ধাৰণ কৰে।

ডিমৌ উন্নয়ন খণ্ডত সেৰা সংকল্প অভিযান-২০২৬ৰ অংশ হিচাপে সেৰা সেঁতু অভিযান অভিযান সম্পন্ন

অসম বার্তা, শিৰসাগৰ, ১০ অক্টোবৰ ঃ শিৰসাগৰ জিলাৰ ডিমৌ উন্নয়ন খণ্ডৰ অন্তর্গত ৰাজহুৱা খেলপথাৰত যোৱা ৯ অক্টোবৰ তাৰিখে সেৰা সংকল্প অভিযান-২০২৬-ৰ অংশ হিচাপে 'সেৰা সেতু অভিযান- চৰকাৰ আপোনাৰ দুৱাৰত' শীর্ষক এক সেৰা শিবিৰ অনুষ্ঠিত হয়। এই শিবিৰৰ মূল উদ্দেশ্য আছিল বিভিন্ন চৰকাৰী সেৰা আৰু জনকল্যাণমূলক আঁচনিৰ সুবিধা জনসাধাৰণৰ ওচৰলৈ লৈ যোৱা। শিবিৰত সংশ্লিষ্ট চৰকাৰী বিভাগৰ বিষয়া- কর্মচাৰীসকলে উপস্থিত থাকি তথ্য আৰু সহায় প্রদান, আবেদন আৰু পঞ্জীয়ন, নথি পৰীক্ষণ তথা ওজৰ-আপত্তি নিষ্পত্তিৰ লগতে বিভিন্ন চৰকাৰী আঁচনি আৰু সেৰাৰ সুবিধা লাভ কৰাত ৰাইজক সহায় কৰে। ইয়াৰ জৰিয়তে আয়ুষ্মান ভাৰত - পি.এম.-জে.এ.ই. (Ayushman Bharat - PM-JAY), পি.এম. গৰীৱ কল্যাণ অন্ন যোজনা, পি.এম.-কিষাণ (কিষাণ সম্মান নিধি), চার্ভে এণ্ড মেপিং



(SVAMITVA), প্রধানমন্ত্রীজন ধন যোজনা, প্রধানমন্ত্রী জীবন জ্যোতি বীমা যোজনা, প্রধানমন্ত্রী সুৰক্ষা বীমা যোজনা, অটল পেঞ্চন যোজনা, পি.এম. স্বনিধি (PM SVANidhi), ভি.বি.-জি. ৰামজী (VB-G RAMG), ৰান নেশন ৰান ৰেচন কার্ড (One Nation One Ration Card-ONORC), পি.এম. সূর্য ঘৰ: বিনামূলীয়া বিজুলী যোজনা (PM Surya Ghar: Muft Bijli Yojana), অৰুণোদয় (দিব্যাংগসকলৰ বাবে), ভূমি পট্টা, নামজাৰী (Mutation), মাটি বিক্রীৰ অনুমতি (Land Sale Permission), নতুন ৰেচন কার্ড প্রদান, জন্ম আৰু মৃত্যু প্রমাণ পত্র (Birth and Death Certificates), বিবাহৰ প্রমাণ পত্র, বেংক একাউণ্ট খোলা, অবসৰপ্রাপ্ত চৰকাৰী কর্মচাৰীৰ পেঞ্চন, কিষাণ ক্রেডিট কার্ড, নিযুত মইনা, নিযুত বাঢ় আদিকে ধৰি বিভিন্ন জনকল্যাণমূলক আঁচনি আৰু সেৰাৰ সুবিধা প্রদান কৰা হয়। আজিৰ শিবিৰত শিৰসাগৰ জিলাৰ জিলা আয়ুক্ত মুনল য়াদৰ, ডিমৌ সম-জিলা আয়ুক্ত লুকুমণি বড়া প্রমুখে বিভিন্ন চৰকাৰী বিভাগৰ বিষয়া-কর্মচাৰীসকল, বিশিষ্ট অতিথি আৰু গণ্যমান্য সংখ্যক স্থানীয় ৰাইজ উপস্থিত থাকে।

দেৰগাঁৱৰ DKD কলেজৰ সমীপৰ FCI ৰোডত সন্ধিয়া নামিলেই মদৰ আড্ডা

অসম বার্তা, দেৰগাঁও, ১০ অক্টোবৰ ঃ দেৰগাঁৱৰ DKD কলেজৰ তিনিআলিৰ পৰা FCI চাৰিআলিলৈ যোৱা পথছোৱাত সন্ধিয়া হ'লেই সৃষ্টি হোৱা এক উদ্বেগজনক পৰিবেশক লৈ সামাজিক মাধ্যমত ব্যাপক চর্চা চলিছে। পথছোৱাত বাহনৰ ভিতৰত বহি একাংশ লোকে মদ্যপান কৰি আড্ডা দিয়াৰ অভিযোগ উত্থাপন হৈছে। সন্ধিয়া প্রায় ৬ বজাৰ পৰা নিশা ১০-১১ বজালৈকে এনে পৰিবেশ অব্যাহত থকাৰ অভিযোগ অঞ্চলটোৰ নিৰাপত্তা আৰু সামাজিক পৰিবেশক লৈ প্রশ্নৰ অৱতাৰণা কৰিছে। সামাজিক মাধ্যমত চর্চা লাভ কৰা অভিযোগ অনুসৰি, DKD কলেজৰ তিনিআলিৰ পৰা FCI ৰোডত প্রবেশ কৰাৰ পাছৰে পৰা FCI চাৰিআলিলৈকে পথছোৱাৰ বিভিন্ন স্থানত বাহনৰ ভিতৰত বহি মদ্যপান কৰা আৰু যুবতীসকলে সন্ধিয়াৰ পাছত এই পথেৰে অহা-যোৱা কৰিবলৈ অসুৰক্ষিত আৰু ভীতিগ্রস্ত অনুভৱ কৰিবলগীয়া হৈছে বুলি একাংশই উদ্বেগ প্রকাশ কৰিছে। এখন গুৰুত্বপূর্ণ পথত এনেধৰণৰ পৰিবেশৰ অভিযোগ উত্থাপন হোৱাটোৱে সচেতন মহলৰ মাজত প্রতিক্রিয়াৰ সৃষ্টি কৰিছে। বিশেষকৈ শিক্ষা প্রতিষ্ঠানৰ সমীপবর্তী অঞ্চলত এনে কার্যকলাপৰ অভিযোগে যুব প্রজন্মৰ ওপৰত ইয়াৰ সম্ভাব্য প্রভাৱক লৈও চিন্তা বৃদ্ধি কৰিছে। পথটোৰে দৈনন্দিন যাতায়াত কৰা লোকসকলে যাতে ভয়-শংকাৰ পৰিবর্তে নিৰাপদে অহা-যোৱা কৰিব পাৰে, তাৰ বাবে প্রশাসনৰ তৎপৰতাৰ প্রয়োজনীয়তা অনুভৱ কৰিছে স্থানীয় সচেতন মহলে। এই সদর্ভত দেৰগাঁও আৰক্ষী থানা আৰু দেৰগাঁৱৰ বিধায়কৰ দৃষ্টি আকর্ষণ কৰি বিষয়টোক গুৰুত্বসহকাৰে বিবেচনা কৰাৰ আহ্বান জনোৱা হৈছে। সন্ধিয়াৰ পৰা নিশালৈকে উক্ত পথছোৱাত নিয়মীয়া আৰক্ষী টহল, প্রয়োজনীয় নিৰীক্ষণ আৰু অভিযোগসমূহৰ যথাযথ তদন্ত ব্যবস্থা গ্রহণ কৰিবলৈ দাবী উত্থাপন হৈছে। অৱশ্যে, সামাজিক মাধ্যমত উত্থাপিত অভিযোগসমূহৰ সত্যতা আৰু ঘটনাৰ প্রকৃত পৰিস্থিতি আৰক্ষীৰ তদন্ত জৰিয়তেহে স্পষ্ট হ'ব। এইক্ষেত্রত প্রশাসনে বিষয়টো পৰীক্ষা কৰি প্রয়োজনীয় ব্যবস্থা গ্রহণ কৰিলে সাধাৰণ নাগৰিকৰ নিৰাপত্তা নিশ্চিত কৰাৰ লগতে অঞ্চলটোৰ সামাজিক পৰিবেশ সুস্থ কৰি ৰখাত সহায় হ'ব বুলি সচেতন মহলে আশা প্রকাশ কৰিছে। এতিয়া প্রশ্ন এটাই— দেৰগাঁৱৰ এই গুৰুত্বপূর্ণ পথছোৱাত সন্ধিয়াৰ পাছত নিৰাপদ যাতায়াত নিশ্চিত কৰিবলৈ প্রশাসনে কেতিয়া ব্যবস্থা গ্রহণ কৰিব? অভিযোগসমূহৰ যথাযথ তদন্ত আৰু সময়োচিত পদক্ষেপৰ অপেক্ষাত আছে দেৰগাঁৱৰ সচেতন নাগৰিক।

সেৰা সংকল্প অভিযান-২০২৬ৰ জিলা পর্যায়ৰ কুইজ, চিত্রাংকন আৰু বক্তৃতা প্রতিযোগিতা সম্পন্ন

অসম বার্তা, ষ্টাফ বিপর্টাৰ, তিনিচুকীয়া, ১০ অক্টোবৰ ঃ সেৰা সংকল্প অভিযান-২০২৬ৰ অধীনত তিনিচুকীয়া জিলাৰ জিলা পর্যায়ৰ কুইজ আৰু চিত্রাংকন প্রতিযোগিতা তিনিচুকীয়াৰ আদর্শ বালিকা বিদ্যালয় আৰু বিপিন বৰা উচ্চ মাধ্যমিক বিদ্যালয়ত যোৱা ৯ অক্টোবৰত অনুষ্ঠিত হৈ যায়। জিলাখনৰছটা বিধানসভা সমষ্টিৰ পৰা নির্বাচিত বিভিন্ন বিদ্যালয় আৰু মহাবিদ্যালয়ৰ শিক্ষার্থীসকলে অংশগ্রহণ কৰা প্রতিযোগিতাসমূহত নিজৰ জ্ঞান, বৌদ্ধিক দক্ষতা আৰু সৃষ্টিশীল প্রতিভাৰ পৰিচয় দাঙি ধৰে। কুইজ প্রতিযোগিতাৰ 'ক' শাখাত ৰূপাই জাতীয় বিদ্যালয়ৰ ভাগীৰথ মৰাণ আৰু নৰবীণ বিৰ শংকৰদেৱ শিশু নিকেতনৰ অংশুমান গগৈ আৰু প্রমিত চক্রবর্তীয়ে দ্বিতীয় স্থান আৰু হলি চাইল্ড ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ ছাকিবা হুছেইন আৰু অৰজিৎ পালে তৃতীয় স্থান লাভ কৰে। 'খ' শাখাত ডিগবৈৰ কার্মেল স্কুলৰ সব্যসাচী ভৰালী আৰু গৌৰিশা ডেকাই প্রথম স্থান, দ্য লিটল ষ্টার্ছ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ আকাশ মাউৰিয়া আৰু প্রজ্ঞাদীপ শইকীয়াই দ্বিতীয় স্থান আৰু ৰূপাই জাতীয় বিদ্যালয়ৰ ৰুপস্মিতা ভাৰলৈ আৰু নিউছেনফা ভাজনীয়ে তৃতীয় স্থান অধিকাৰ কৰে। 'গ' শাখাত ডুমডুমা মহাবিদ্যালয়ৰ অর্জুন শ্রীবাস্তৱ আৰু সৌৱভ সৰকাৰে প্রথম স্থান, তিনিচুকীয়া মহাবিদ্যালয়ৰ চিন্ময় গগৈ আৰু ভূপেন লিম্বুৰে দ্বিতীয় স্থান আৰু লিডু মহাবিদ্যালয়ৰ গৌতম দেৰনাথ আৰু দীক্ষা দেই তৃতীয় স্থান লাভ কৰে। আনহাতে, 'ঘ' শাখাত ডিগবৈ মহাবিদ্যালয়ৰ ইন্দুকল্প ৰবগোহাঁই আৰু মেহতাৰ আলীয়ে প্রথম স্থান আৰু ডুমডুমা মহাবিদ্যালয়ৰ ৰিমঝিম ডেকা আৰু দীপাঞ্জলি মৰাণে দ্বিতীয় স্থান লাভ কৰে। আনহাতে, চিত্রাংকন প্রতিযোগিতাৰ 'ক' শাখাত পি এম শ্রী ফিল'ৰাবী হাইস্কুলৰ অভিনৰ শইকীয়াই প্রথম, ২নং তিনিসুঁতি এল পি স্কুলৰ শিয়া তামাঙে দ্বিতীয় আৰু কার্মেল স্কুলৰ অক্ষমা মজুমদাৰে তৃতীয় স্থান লাভ কৰে। 'খ' শাখাত আদর্শ বিদ্যালয়, ইটাখুলি উদয়ন সন্দিকৈয়ে প্রথম, সৰু ধাদুম এম ই স্কুলৰ ৰণাংগন ডেকাৰী দ্বিতীয় আৰু ছেইণ্ট পেট্রিকচ হাইস্কুলৰ মেৰীজ উচ্চতৰ মাধ্যমিক বিদ্যালয়, ডুমডুমাৰ কৰণ মৰাণে তৃতীয় স্থান অধিকাৰ কৰে। একেদৰে, 'গ' শাখাত ছেইণ্ট পেট্রিকছ হাইস্কুলৰ ৰাজা বৰাই প্রথম, মার্ঘেৰিটা পাৰ্ত্রিক হায়াৰ ছেকেণ্ডাৰী স্কুলৰ উদয়াদিত্য বৰগোহাঁয়ে দ্বিতীয় আৰু বিবেকানন্দ একাডেমীৰ স্নেহা বৰুৱাই তৃতীয় স্থান লাভ কৰে। আনহাতে আজি তিনিচুকীয়া বাণিজ্য মহাবিদ্যালয়ত অনুষ্ঠিত জিলা পর্যায়ৰ বক্তৃতা প্রতিযোগিতাত 'ক' শাখাত লাইপুলি হাইস্কুলৰ বর্ণিল জিউ গগৈ প্রথম স্থান, চেইণ্ট পেট্রিক'চ হাইস্কুলৰ মন্দীপ চেত্রীয়ে দ্বিতীয় স্থান, বৰুৱাছোলা হাইস্কুলৰ ৰশ্মি শইকীয়াই তৃতীয় স্থান, 'খ' শাখাত ফিল'ৰাবী চিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ নিশাৰাণী ভূএগাই প্রথম স্থান, ডিৰাক উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ চয়নিকা সোণোৱালে দ্বিতীয় স্থান, চেইণ্ট পেট্রিকচ হাইস্কুলৰ ঈশা দাসে তৃতীয় স্থান, 'গ' শাখাত ডুমডুমা মহাবিদ্যালয়ৰ কপিল সোণোৱালে প্রথম স্থান, ডিগবৈ মহাবিদ্যালয়ৰ অগেনা বৰদলৈয়ে দ্বিতীয় স্থান, ডিগবৈ মহাবিদ্যালয়ৰ অদিতি উপাধ্যায়ে তৃতীয় স্থান, 'ঘ' শাখাত ডুমডুমা মহাবিদ্যালয়ৰ ক্রমে বিমঝিম ডেকাই প্রথম স্থান, ইলোৱা বৰা সোণোৱালে দ্বিতীয় স্থান, দীপাঞ্জলি মৰাণে তৃতীয় স্থান দখল কৰে। জিলা পর্যায়ৰ প্রতিযোগিতাত বিজয়ীসকলে বাজিক পর্যায়ৰ প্রতিযোগিতাত তিনিচুকীয়া জিলাক প্রতিনিধিত্ব কৰিব।

যোগ্য হিতাধিকাৰীসকলক চৰকাৰী আঁচনিৰ সুবিধা প্রদানৰ ওপৰত গুৰুত্ব আৰোপ

ধর্মশালা উন্নয়ন খণ্ডত সেৰা সংকল্প অভিযানৰ কার্যসূচী ৰূপায়ণ

অসম বার্তা, গৌৰীপুৰ, ১০ অক্টোবৰ ঃ ধুবুৰী জিলাৰ ধর্মশালা উন্নয়ন খণ্ডৰ উদ্যোগত যোৱা কালি 'সেৰা সংকল্প অভিযান'ৰ কার্যসূচী ৰূপায়ণৰ কার্যসূচী অনুষ্ঠিত হয়। এই অভিযানৰ মূল উদ্দেশ্য হৈছে চৰকাৰী সেৰা আৰু জনকল্যাণমূলক আঁচনিৰ বিষয়ে জৰিয়তে জনসাধাৰণক বিভিন্ন চৰকাৰী সেৰা আৰু জনকল্যাণমূলক আঁচনিৰ বিষয়ে সজাগ কৰাৰ লগতে আঁচনিসমূহৰ সুবিধা লাভৰ ক্ষেত্রত সম্মুখীন হোৱা অসুবিধাসমূহ দূৰ কৰি সেৰা লাভৰ প্রক্রিয়া অধিক সহজ আৰু সুচল কৰি তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। বিশেষকৈ চৰকাৰী আঁচনিৰ সুবিধাৰ পৰা বঞ্চিত হৈ থকা যোগ্য হিতাধিকাৰীসকলক চিনাক্ত কৰি তেওঁলোকক সংশ্লিষ্ট আঁচনিসমূহৰ সৈতে সংযুক্ত কৰাৰ ক্ষেত্রত এই অভিযানক এক গুৰুত্বপূর্ণ পদক্ষেপ হিচাপে বিবেচনা কৰা হৈছে। ইয়াৰ সমান্তৰালভাৱে চৰকাৰী সেৰা প্রদান ব্যবস্থাক অধিক স্বচ্ছ, সহজলভ্য আৰু জনমুখী কৰি তোলাৰ লক্ষ্যও এই অভিযানৰ অন্যতম উদ্দেশ্য। এই পদক্ষেপৰ জৰিয়তে সাধাৰণ ৰাইজে চৰকাৰী সেৰা আৰু বিভিন্ন জনকল্যাণমূলক আঁচনিৰ সুবিধা লাভ কৰাত বিশেষভাৱে উপকৃত হ'বলৈ আশা প্রকাশ কৰা হৈছে। উক্ত কার্যসূচীত ধুবুৰী সমষ্টিৰ বিধায়কা বেবী বেগম, ধুবুৰী জিলাৰ স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক ডাঃ জ্যোতিকুমাৰ দাস, ধর্মশালা খণ্ড প্রাথমিক চিকিৎসালয়ৰ মহকুমা স্বাস্থ্য বিষয়া ডাঃ মুছকুৰা আহমেদ লগতে বিভিন্ন বিভাগৰ বিষয়া-কর্মচাৰী লগতে বিভিন্ন দলৰ নেত্রী সকলে উপস্থিত থাকে।

চিজেপিৰ প্ৰতিবাদক 'ফ্লপ শ্ব' আখ্যা বিজেপিৰ

দিয়ে। বিজেপি নেতা সম্বিত পাত্ৰই কয় যে 'মবক্ৰেচী' বা অৰাজকতা সৃষ্টিৰ বাবে গণউন্মাদনাৰ ওপৰত এইবাৰ গণতন্ত্ৰৰ জয় হৈছে। কাৰণ যন্তৰ-মন্তৰলৈ আগবাঢ়া শ শ যুৱক আৰু কেইবাজনো ৰাজনীতিবিদক দিল্লী আৰক্ষীয়ে আটক কৰি ৰাখিছিল। বিজেপিৰ জ্যেষ্ঠ নেতা ৰবিশংকৰ প্ৰসাদে অভিযোগ কৰে যে ককৰোচ্ছ জনতা পাৰ্টীয়ে আম আদমী পাৰ্টীৰ 'ছায়াত সংগঠন' হিচাপে কাম কৰিবলৈ এই প্ৰতিবাদৰ আহ্বান জনাইছিল। কিন্তু ভাৰতীয় গণতন্ত্ৰই তেওঁলোকৰ 'অৰাজকতাৰ সন্ধান' ধ্বংস কৰি পেলাইছে। দিল্লীস্থিত বিজেপিৰ মুখ্য কাৰ্যালয়ত এক সংবাদমেল সম্বোধন কৰি সম্বিত পাত্ৰই ৰাহুল গান্ধীক 'নালায়ক' অৰ্থাৎ কোনো কাম নোহোৱা নেতা বুলি অভিহিত কৰে। লগতে শুকুৰবাৰে ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৰে ইণ্ডিয়া ব্লকৰ 'ভোট চুৰি'ৰ অভিযোগক অস্বীকাৰ কৰা নাছিল বুলি এখন বৈঠকত কৰা মন্তব্যক তেওঁ গৰিহণা দিয়ে। পাত্ৰৰ অভিযোগ, শুকুৰবাৰে ৰাষ্ট্ৰপতি মুৰ্মুৰ সৈতে বৈঠকত মিলিত হোৱাৰ পিছত ৰাহুল গান্ধীয়ে তেওঁৰ 'ভিত্তিহীন' মন্তব্যৰে প্ৰমাণ কৰিলে যে তেওঁ লোকসভাত বিৰোধী দলৰ নেতাৰ পদত অধিষ্ঠিত হৈ থকাৰ যোগ্য নহয়। পাত্ৰই কয় যে যন্তৰ-মন্তৰত যি হৈ আছে আৰু টিভি তথা বিভিন্ন ছ'চিয়েল মিডিয়া হেণ্ডেলত যি দেখুওৱা হৈছে, সেয়াই ভাৰতৰ সঁচা কাহিনীক প্ৰতিনিধিত্ব নকৰে। ভাৰত শান্তিপূৰ্ণ আৰু সুশাসনেৰে আগবাঢ়িছে। তেওঁ কয়, "এই প্ৰতিবাদৰ জৰিয়তে ৰাজধানী আৰু সমগ্ৰ ভাৰতবৰ্ষক পণবন্দী কৰি ৰখাৰ চেষ্টা চলোৱা হৈছিল। ইয়াত হিংসা, শাৰীৰিক দ্বন্দ্ব আৰু ৰাজপথৰ যুদ্ধৰ উচটনি দিয়াৰ প্ৰয়াস কৰা হৈছিল। কিন্তু ই 'ফ্লপ শ্ব'ত পৰিণত হ'ল।" তেওঁ লগতে কয়, "গণতন্ত্ৰই অৰাজকতন্ত্ৰৰ ওপৰত জয়লাভ কৰিলে। আজি দিল্লীত গণতন্ত্ৰই নিজকে যিদৰে দৃঢ় কৰি তুলিছে আৰু সমগ্ৰ পৰিস্থিতি নিয়ন্ত্ৰণত থকাৰ সত্যটো লক্ষ্য কৰিলে, মই পুনৰ ক'ব বিচাৰোঁ যে নৈৰাজ্যবাদীসকল বিফল হৈছে আৰু তেওঁলোকৰ এই শ্ব' ফ্লপ হৈছে।" আনহাতে, বিজেপিৰ মুখ্য কাৰ্যালয়ত এক সুকীয়া সংবাদমেলত ৰবিশংকৰ প্ৰসাদে কংগ্ৰেছ আৰু ইয়াৰ মিত্ৰ দলৰ লগতে আপৰ বিৰুদ্ধে বিভিন্ন নিৰ্বাচনত পৰাজয়ৰ পিছত ৰাজপথৰ প্ৰতিবাদক 'সশস্ত্ৰীকৰণ' কৰিবলৈ চেষ্টা কৰাৰ অভিযোগ উত্থাপন কৰে। প্ৰসাদে কয়, "এই পৰাজিত আৰু হতাশগ্ৰস্ত দলসমূহে যোৱা তিনি-চাৰি দিন ধৰি দিল্লীৰ জনসাধাৰণক হাৰাশাস্তি কৰি আছে। ৰাজপথৰ প্ৰতিবাদক অস্ত্ৰৰে সজ্জিত কৰি আছে, কিন্তু মানুহে তেওঁলোকৰ ষড়যন্ত্ৰ বিফল কৰিছে। বিৰোধীয়ে উচটনি দিবলৈ চেষ্টা কৰা দীৰ্ঘদিনীয়া অৰাজকতাক গণতন্ত্ৰৰ মৰ্যাদাই ধ্বংস কৰি পেলাইছে। ৰাজপথৰ পৰা নহয়, সংসদৰ পৰাহে দেশখন পৰিচালিত হ'ব।" ইয়াৰ লগতে পাত্ৰই ভাৰতত ইলন মাস্কৰ ষ্টাৰলিংক প্ৰজেক্টৰ ওপৰত শেহতীয়াকৈ কৰা মন্তব্যৰ উদ্ধৃতি দি ৰাহুল গান্ধীক জোৰজুলুম কৰা বিশ্বাসঘাতক মিৰ জাফৰৰ সৈতে তুলনা কৰে। তেওঁ অভিযোগ কৰে যে ৰাহুল গান্ধীয়ে আজি মাস্কক ভাৰতলৈ 'আদৰণি' জনাইছে। ইয়াৰ বিপৰীতে তেওঁৰ দলৰ নেতাসকলেই ইয়াৰ পূৰ্বে ভাৰতত ষ্টাৰলিংক প্ৰকল্পক অনুজ্ঞাপত্ৰ প্ৰদানৰ বাবে চৰকাৰে গ্ৰহণ কৰা পদক্ষেপক লৈ প্ৰশ্ন উত্থাপন কৰিছিল। ইয়াৰ উপৰি পাত্ৰই বাঁওপন্থী দল আৰু আপৰ আহ্বায়ক অৰবিন্দ কেজৰিৱালকে ধৰি আন বিৰোধী নেতাসকলকো মিৰ জাফৰৰ সৈতে তুলনা কৰে। ৰাহুল গান্ধীয়ে নিৰ্বাচনত জয়ী নোহোৱাকৈ ক্ষমতালৈ অহাৰ চেষ্টাত অৰাজকতা বিয়পাই থকাৰ সময়তে বৃন্দা কাৰাটৰ দৰে বাঁওপন্থী নেতাই ভিত্তিহীন 'ভোট চুৰি' অভিযোগক লৈ 'হুলস্থূল'ৰ সৃষ্টি কৰিছে বুলি তেওঁ উল্লেখ কৰে। তেওঁ কয়, "তেওঁলোকে নক্সালবাদৰ পৰা সংগ্ৰহ কৰা বুলি দাবী কৰা ধনৰ পৰা নিজৰ ঘৰখন চলাইছিল, যাৰ অন্ত পেলাইছে মোদী চৰকাৰে। বংগৰ নবাব ছিৰাজ উদ-দৌলাৰ অধীনত সেনাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰা মিৰ জাফৰে পলাশীৰ যুদ্ধৰ সময়ত সম্ৰাটক বিশ্বাসঘাতকতা কৰিছিল আৰু ব্ৰিটিছ ইষ্ট ইণ্ডিয়া কোম্পানীৰ পক্ষ লৈ ব্ৰিটিছ শাসনৰ পথ প্ৰশস্ত কৰিছিল।" বিৰোধী দলসমূহক আক্ৰমণ কৰি পাত্ৰই অভিযোগ কৰে, "আজি মোদী বনাম মিৰ জাফৰসকলৰ মাজত ৰণ চলিছে। ৰাজপথত অৰাজকতা সৃষ্টিৰ এই প্ৰচেষ্টা সমগ্ৰ ভাৰতে লক্ষ্য কৰক। ই কেৱল নিৰ্বাচনত জয়ী নোহোৱাকৈ বা আনকি প্ৰতিদ্বন্দ্বিতা নকৰাকৈ ক্ষমতা দখল কৰাৰ কথা। কঠোৰ পৰিশ্ৰম নকৰাকৈয়ে প্ৰধানমন্ত্ৰী হোৱাৰ কথা। দেশখন বন্ধকত ৰাখিবলৈ সাজু আৰু এইখিনি লাভৰ বাবে দ্বিচাৰিতা গ্ৰহণ কৰিবলৈও সাজু।" তেওঁ অভিযোগ কৰে যে এনে 'মিৰ জাফৰ'ৰ বাবেই মোগল আৰু ব্ৰিটিছে ভাৰতৰ ক্ষমতা দখল কৰিছিল। কিন্তু মোদী ইয়াত আছে আৰু কেৱল মোদীয়েই এই দেশখনক ইংৰাজ আৰু অনুপ্ৰৱেশকাৰীৰ পৰা ৰক্ষা কৰিব। এইটো একেবাৰে স্পষ্ট যে 'মোদী বনাম মিৰ জাফৰ'ৰ এই যুদ্ধত ভাৰতৰ জনসাধাৰণে মোদী আৰু দেশৰ সৈতে থিয় দিছে। ইয়াৰ কাৰণ হ'ল মোদী ১৪০ কোটি ভাৰতীয়ৰ পৰা শক্তি আহৰণ কৰে আৰু তেওঁলোকৰ কল্যাণৰ বাবে কাম কৰে। পাত্ৰই লগতে কয় যে প্ৰধানমন্ত্ৰী মোদীৰ সমৰ্থনত শিলৰ দৰে থিয় হ'বলৈ বিজেপিয়ে প্ৰতিজন নাগৰিকক আহ্বান জনাইছে। "আমি নৰেন্দ্ৰ মোদীৰ সৈতে থিয় দি এই দেশখনক শক্তিশালী কৰিব লাগিব। নক্সালবাদ নিৰ্মূল হ'ব আৰু সন্ত্ৰাসবাদ নিৰ্মূল হ'ব। বিদেশী শক্তিয়ে যিমানেই এই ভাবুকিসমূহৰ পৃষ্ঠপোষকতা নকৰক কিয়, বিজয় কেৱল ভাৰতৰেই হ'ব।" মাস্কৰ ষ্টাৰলিংক প্ৰজেক্ট সন্দৰ্ভত ৰাহুল গান্ধীক তীব্ৰ সমালোচনা কৰি ৰবিশংকৰ প্ৰসাদে ভাৰত 'কলৰ গণৰাজ্য' নহয় বুলিও মন্তব্য কৰে। বিজেপিৰ সাংসদগৰাকীয়ে কয় যে নৰেন্দ্ৰ মোদীৰ নেতৃত্বত এই দেশখনে কেতিয়াও শিৰ নত কৰা নাই আৰু সেইটো কেতিয়াও নকৰে। ৰাষ্ট্ৰীয় স্বাৰ্থত যি ব্যৱস্থা গ্ৰহণ কৰিব, সেয়া বিদেশীয়েই হওক বা ভাৰতীয়, কাৰো একচেটিয়া অধিকাৰ গ্ৰহণ নকৰে। তেওঁ লগতে কয় যে যদি এই লোকসকলে দেশত অৰাজকতা সৃষ্টিৰ বাবে কুণ্ঠাবোধ কৰে, তেন্তে দেশৰ জনসাধাৰণে তেওঁলোকৰ বিৰুদ্ধে মাৰবান্ধি থিয় দিব লাগিব।

শৰতৰ স্নিগ্ধ পৰশত ধৰালৈ আগমন

ঘাটসমূহত হাজাৰ হাজাৰ শ্ৰদ্ধালুৰে ভিৰ কৰে। বিশেষকৈ উজান বজাৰৰ ব্ৰহ্মপুত্ৰ ঘাট আৰু পাণ্ডু ঘাটত ভক্তৰ সমাগম বেছি দেখা যায়। তেওঁলোকে পৱিত্ৰ নদীৰ বুকুত প্ৰাৰ্থনা, দীপদান আৰু পিতৃতৰ্পণ কৰে। ঢাক-ঢোলৰ তালত মহানগৰীৰ প্ৰতিটো প্ৰান্ত যেন একেলগে নাচি উঠে। গোলাঘাটত মহালয়াৰ পুৱা এক বিশেষ ধৰ্মীয় পৰিৱেশেৰে আৰম্ভ হয়। নগৰখনৰ ৰাজপথ পুৱতিনিশাৰ পৰাই লোকাৰণ্য হৈ পৰে। লোকবিশ্বাস অনুসৰি মহালয়াৰ দিনা প্ৰাতঃভ্ৰমণ কৰিলে বছৰটোৰ ভ্ৰমণৰ বাবে শুভ সময় নিৰ্ধাৰণ কৰাৰ প্ৰয়োজন নহয়। পুৰুষ-মহিলা উভয়েই এই সময়ত ৰাজপথত ওলাই আহি পৱিত্ৰ দিনটোৰ আৰম্ভণি কৰে। এই দিনটোত পূৰ্বপুৰুষক পিণ্ডদান কৰি মৃতকৰ আত্মাৰ সদগতি কামনা কৰা হয়। ধুবুৰীত মহালয়া উপলক্ষে পুৱা ৫.৩০ বজাত ধুবুৰী টাউন ক্লাবৰ উদ্যোগত চণ্ডীপাঠেৰে প্ৰভাত ফেৰী উলিওৱা হয়। এই প্ৰভাত ফেৰীত চহৰখনৰ অসংখ্য ভক্তপ্ৰাণ ৰাইজে অংশগ্ৰহণ কৰে। ৰাজপথত চণ্ডীপাঠ আৰু ঢাক-ঢোলৰ শব্দই এক ধৰ্মীয় পৰিৱেশ সৃষ্টি কৰে। যোৰহাটতো মহালয়াৰ প্ৰভাত এক সুকীয়া উৎসাহেৰে পালন কৰা হয়। জনবিশ্বাস অনুসৰি আজি মহিষমৰ্দিনী দেৱী দুৰ্গাই মৰ্ত্যলৈ নামি আহিছে। মহালয়াৰ লগে লগে যোৰহাটত দুৰ্গা পূজাৰ উৎসৱমুখৰ পৰিৱেশ আৰম্ভ হৈছে। গড়আলি, এ টি ৰোড, নৱনিৰ্মিত উৰণ সেতু আৰু ন-আলি উৰণ সেতু আদিত ৰাইজৰ জনসমুদ্ৰ দেখা যায়। পুৱতি নিশাৰ পৰাই লোকসকলে মহালয়াৰ পৱিত্ৰতা উপভোগ কৰে। ৰাজ্যৰ আন আন ঠাইতো মহালয়া উপলক্ষে মন্দিৰ, নামঘৰ আৰু নদীঘাটত বিশেষ পূজা-অৰ্চনা, শ্ৰাদ্ধ আৰু প্ৰাৰ্থনা অনুষ্ঠিত হয়। ভক্তসকলে নতুন সাজ-পাৰ পৰিধান কৰি পৱিত্ৰ দিনটোত অংশগ্ৰহণ কৰে। মহালয়াৰ এই আগমনৰ লগে লগে অসমৰ আকাশ-বতাহত শাৰদীয় উৎসৱৰ সুৰ বাজিবলৈ আৰম্ভ কৰিছে। লগতে পূজা মণ্ডপসমূহতো প্ৰস্তুতিৰ ধুম চলিছে। দেৱীপক্ষৰ আৰম্ভণিতে ৰাজ্যবাসীয়ে সুখ, শান্তি আৰু সমৃদ্ধিৰ বাবে প্ৰাৰ্থনা জনাইছে।

দিল্লীত আটক হোৱাৰ অভিযোগ মমতা

প্ৰতিবাদৰ অংশ হিচাপে তেওঁ আৰু তেওঁৰ সহযোগীসকলে ৪৮ এটুপি পানীও নোখোৱাৰ সিদ্ধান্ত লৈছে। শনিবাৰে দিনটোৰ প্ৰতিবাদৰ বিভিন্ন ঘটনাই দিল্লীত ৰাজনৈতিক উত্তেজনা বৃদ্ধি কৰিছে। প্ৰতিবাদ আৰম্ভ হোৱাৰ পূৰ্বেই আৰক্ষীয়ে কেইবাগৰাকী লোকক ভেনত তুলি নিয়াৰ অভিযোগ উত্থাপন হৈছে। তেওঁলোকৰ মাজত প্ৰতিবাদত অংশ ল'বলৈ অহা লোক, বাতৰি সংগ্ৰহ কৰিবলৈ অহা সাংবাদিক আৰু আত্মীয়ক চিকিৎসালয়লৈ নিয়াৰ পথত আৰক্ষীৰ হাতত আটক হোৱা বুলি দাবী কৰা লোকো আছে। এই ঘটনাত মমতা বেনাৰ্জীৰ লগতে অৰবিন্দ কেজৰিৱাল, পিনাৰাই বিজয়ন আৰু মাণিক সৰকাৰকো আটক কৰা হৈছে বুলি বাতৰি প্ৰকাশ পাইছে। দিল্লীত সন্মুখীন হোৱা অভিজ্ঞতাৰ কথা বৰ্ণনা কৰি মমতাই কয়, "আমাক কাৰ্যতঃ অপহৰণ কৰি এখন গাড়ীত প্ৰায় দুঘণ্টা ধৰি ঘূৰোৱা হৈছে। আমি কোনো আইন ভংগ কৰা নাছিলোঁ। যন্তৰ-মন্তৰলৈ যাব বিচাৰিছিলোঁ যদিও আমাক সোমাবলৈ দিয়া নহ'ল। বাধ্য হৈ আমাৰ দলৰ ছগৰাকী সাংসদে এখন বাছ আস্থানৰ ওচৰত পথৰ ওপৰতে বহি প্ৰতিবাদ কৰে। আৰক্ষীয়ে আমাক বেনাৰ আঁতৰাবলৈ কয় আৰু তাত কোনো লোককে থিয় হ'বলৈ দিয়া নহ'ব বুলি জনায়। পৰিস্থিতি দেখি এনে লাগিছিল যেন জৰুৰীকালীন অৱস্থা চলিছে। তথাপি আমি তেওঁলোকৰ সকলো নিৰ্দেশ মানি লৈছিলোঁ।" সকলো চৰ্ত মানি লোৱাৰ পাছতো তেওঁলোকক আটক কৰি প্ৰিজন ভেনৰ ভিতৰত আবদ্ধ কৰি ৰখা হৈছিল বুলি অভিযোগ কৰে মমতাই। তেওঁৰ ভাষ্য অনুসৰি, জীৱনত প্ৰথমবাৰৰ বাবে তেওঁ প্ৰিজন ভেনত উঠিবলগীয়া হয়। অপৰাধত অভিযুক্ত লোকক কঢ়িয়াবলৈ ব্যৱহাৰ কৰা এনে বাহনৰ ভিতৰত বন্দী কৰি কোনো অপৰাধ নকৰা লোকক দুঘণ্টা ধৰি ঘূৰাই ফুৰোৱাটো অন্যায় বুলি মন্তব্য কৰে তেওঁ। এই ঘটনাৰ প্ৰতিবাদতে থানাৰ সন্মুখত ধৰ্ণাত বহাৰ কথা উল্লেখ কৰি মমতাই কয়, "আমাক দুঘণ্টা ধৰি আটক কৰি ৰখাৰ বিৰুদ্ধে আমাৰ এই যুঁজ চলিব। মোৰ সহকৰ্মী দোলা, ডেৰেক, সাকেত, প্ৰতিমা আৰু শামিৰুল মোৰ সৈতে আছে। আমি সকলোৱে মিলি এই প্ৰতিবাদ আৰম্ভ কৰিছোঁ। প্ৰতিবাদৰ অংশ হিচাপে আমি এটুপি পানীও নাখাওঁ। মোৰ এনে লাগে, ইয়াৰ ফলত কেন্দ্ৰীয় চৰকাৰ বৰ সুখী হ'ব।" আৰক্ষীক সমালোচনা কৰাৰ লগতে শাসকপক্ষৰ বিৰুদ্ধেও সৰৱ হয় মমতা। তেওঁ কয়, "মূল পৰিকল্পনাকাৰীৰ নিৰ্দেশ পালন কৰাৰ বাবে মই কেৱল আৰক্ষীক দোষ দিব বিচৰা নাই। কিন্তু ক্ষমতাৰ মোহত অন্ধ হৈ শাসকপক্ষ ইমান অহংকাৰী কেনেকৈ হ'ল, সেয়া বুজি পোৱা নাই। ছাত্ৰ-ছাত্ৰী, যুৱসমাজ আৰু মহিলাৰ ওপৰত কিয় ইমান অত্যাচাৰ চলোৱা হৈছে? এনে ঘটনা কেনেকৈ ঘটিব পাৰে, সেয়া মোৰ কল্পনাৰো বাহিৰত।" মহালয়াৰ কথা উল্লেখ কৰি মমতাই পশ্চিমবংগৰ ৰাইজক অশুভ শক্তিৰ বিৰুদ্ধে একত্ৰিত হ'বলৈ আহ্বান জনায়। তেওঁ কয়, "সকলোৱে জানে, মা দুৰ্গাৰ আগমনে অশুভ শক্তিৰ বিনাশৰ বাৰ্তা কঢ়িয়াই আনে। অশুভ শক্তিৰ বিৰুদ্ধে সকলোৱে একত্ৰিত হৈ মানৱশৃংখল গঢ়ি তুলিবলৈ মই ৰাইজক আহ্বান জনাইছোঁ।" শনিবাৰে নিশাই পশ্চিমবংগলৈ উভতি যোৱাৰ কথা আছিল যদিও আৰক্ষীৰ এই কাৰ্যৰ প্ৰতিবাদত ধৰ্ণা অব্যাহত ৰখাৰ সিদ্ধান্ত লোৱা বুলি জনায় মমতাই। তেওঁ কয় যে ৪৮ ঘণ্টীয়া প্ৰতিবাদী কাৰ্যসূচীৰ অংশ হিচাপে ৰাজ্যখনৰ বিভিন্ন স্থানত মানৱশৃংখল গঢ়ি তোলাৰ প্ৰস্তুতি চলিছে। "আমি এতিয়া পথৰ কাষত আশ্ৰয়হীন লোকৰ দৰে বহি আছোঁ। আগলৈ কি হ'ব, সেয়া আমি নাজানো। কিন্তু আমি অকণো ভয় খোৱা নাই। আমাৰ ওপৰত হোৱা অন্যায়ৰ প্ৰতিবাদতে এই ধৰ্ণা অব্যাহত ৰাখিছোঁ। আমি পানীও নাখাওঁ," বুলি স্পষ্ট কৰি দিয়ে মমতা বেনাৰ্জীয়ে।

যন্তৰ-মন্তৰৰ প্ৰতিবাদৰ মাজতে নতুন দিল্লীত

সংঘটিত হয়। আৰক্ষীৰ এই কাৰ্যক লৈ ৰাজনৈতিক প্ৰতিক্ৰিয়া আৰম্ভ হৈছে। চিজেপিৰ উক্ত প্ৰতিবাদত নিৰ্বাচন আয়োগৰ বিৰোধিতা কৰা হৈছে। লগতে মুখ্য নিৰ্বাচনী আয়ুক্ত জ্ঞানেশ কুমাৰৰ পদত্যাগৰ দাবী উত্থাপন কৰা হৈছে। এই প্ৰতিবাদৰ পৰিপ্ৰেক্ষিতত ৰাজধানী চহৰখনত বৃহৎ সংখ্যক নিৰাপত্তাৰক্ষী মোতায়েন কৰা হৈছে। যন্তৰ-মন্তৰ আৰু ইয়াৰ আশে-পাশে কঠোৰ নিৰাপত্তা ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ইফালে, প্ৰতিবাদক লৈ আৰোপ কৰা বাধা-নিষেধাজ্ঞা আৰু নিৰাপত্তা বেষ্টনী গঢ়ি তোলাৰ সিদ্ধান্তক আপয়ে তীব্ৰ সমালোচনা কৰিছে। কেজৰিৱালৰ বাসগৃহৰ সমীপতো নিৰাপত্তা বেষ্টনী গ্ৰহণ কৰাৰ বাতৰিয়ে ৰাজনৈতিক বিতৰ্ক আৰু তীব্ৰতৰ কৰি তুলিছে। ইয়াৰ ফলত বিৰোধী নেতাসকলে প্ৰতিবাদত অংশগ্ৰহণ কৰা আৰু ৰাজহুৱা স্থানলৈ যোৱাৰ ক্ষেত্ৰত সন্মুখীন হোৱা পৰিস্থিতি সম্পৰ্কে প্ৰশ্ন উত্থাপন কৰিছে। ৰাজধানীত কেজৰিৱালৰ আটকৰ ঘটনাই চিজেপিৰ প্ৰতিবাদ আৰু নিৰ্বাচন আয়োগক লৈ চলি থকা ৰাজনৈতিক উত্তেজনা অধিক গাঢ় কৰি তুলিছে। আৰক্ষীয়ে অৱশ্যে এই সন্দৰ্ভত বিতং তথ্য প্ৰকাশ কৰা নাই। ঘটনাৰ পৰৱৰ্তী পৰিস্থিতি সম্পৰ্কে অধিক তথ্য লাভৰ বাবে প্ৰতীক্ষা কৰা হৈছে।

শেষ হ'ব নেকি কহিনুৰ থিয়েটাৰৰ যাত্ৰা?

নে নাই, সেয়া এতিয়াও স্পষ্ট হোৱা নাই। এই সন্দৰ্ভত পৰিচালকগৰাকীয়ে কোনো সবিশেষ প্ৰকাশ কৰা নাই। ১৯৭৬ চনত বিশিষ্ট নাট্যশিল্পী ৰতন লহকৰে কহিনুৰ থিয়েটাৰ প্ৰতিষ্ঠা কৰিছিল। পাঠশালাক কেন্দ্ৰ কৰি গঢ় লৈ উঠা এই নাট্যদলটোৱে সময়ৰ লগে লগে অসমৰ ভ্ৰাম্যমাণ থিয়েটাৰ জগতত এক সুকীয়া স্থান দখল কৰিবলৈ সক্ষম হয়। বৃহৎ মঞ্চসজ্জা, আকৰ্ষণীয় উপস্থাপন আৰু নতুন নতুন কাৰিকৰী কৌশলৰ ব্যৱহাৰেৰে দলটোৱে দৰ্শকৰ মাজত জনপ্ৰিয়তা লাভ কৰিছিল। ২০১৭ চনত ৰতন লহকৰৰ মৃত্যুৰ পিছত পুত্ৰ তপন লহকৰে কহিনুৰ থিয়েটাৰৰ দায়িত্ব গ্ৰহণ কৰে। তেওঁৰ নেতৃত্বত দলটোৱে নাট্যচৰ্চা অব্যাহত ৰাখে। বছৰ বছৰ ধৰি নতুন বিষয়বস্তু আৰু ব্যতিক্ৰমী উপস্থাপনেৰে দৰ্শকক আকৰ্ষণ কৰি আহিছিল কহিনুৰ থিয়েটাৰে। কহিনুৰ থিয়েটাৰৰ বিশেষ আকৰ্ষণ আছিল বিশ্বজুৰি জনপ্ৰিয় কাহিনী আৰু ছবিক মঞ্চত তুলি ধৰাৰ প্ৰয়াস। 'টাইটানিক' আৰু 'জুৰাছিক পাৰ্ক'ৰ দৰে ছবিৰ কাহিনী মঞ্চত উপস্থাপন কৰি দলটোৱে ভ্ৰাম্যমাণ থিয়েটাৰৰ পৰিসৰ আৰু সম্ভাৱনাক নতুন ৰূপত তুলি ধৰিছিল। অসমৰ সীমা অতিক্ৰম কৰিও দলটোৱে নিজৰ পৰিচয় দাঙি ধৰিবলৈ সক্ষম হৈছিল। ২০১০ চনত নতুন দিল্লীত নাট প্ৰদৰ্শনৰ বাবে কহিনুৰ থিয়েটাৰক নেশ্যনেল স্কুল অৱ ড্ৰামাই আমন্ত্ৰণ জনাইছিল। ইয়াৰ জৰিয়তে অসমৰ ভ্ৰাম্যমাণ থিয়েটাৰৰ স্বকীয় শৈলী ৰাষ্ট্ৰীয় পৰ্যায়তো চৰ্চালৈ আহিছিল। সেয়েহে কহিনুৰ থিয়েটাৰৰ ভৱিষ্যতক লৈ সৃষ্টি হোৱা চৰ্চাই স্বাভাৱিকতে নাট্যপ্ৰেমীসকলৰ দৃষ্টি আকৰ্ষণ কৰিছে। তপন লহকৰৰ পোষ্টটোৱে দলটোৰ যাত্ৰাৰ অন্ত পৰাৰ ইংগিত দিছে নে ইয়াৰ আঁৰত আন কিবা কাৰণ আছে, সেয়া এতিয়াও জানিব পৰা হোৱা নাই। এই সন্দৰ্ভত পৰিচালকগৰাকীৰ স্পষ্ট বক্তব্যলৈ সকলোৱে অপেক্ষা কৰিছে।

মণিপুৰত পুনৰ হিংসা! একেদিনাই সাতজনৰ

জিলাৰ আই টি ৰোডৰ কাষৰীয়া অঞ্চলত এই ঘটনাসমূহ সংঘটিত হোৱা বুলি জানিব পৰা গৈছে। কেইবাজনো লোকৰ মৃত্যুৰ খবৰৰ লগতে কিছু লোক সন্ধানহীন হোৱা আৰু বাসগৃহৰ ক্ষতিসাধনৰ ঘটনাই সংশ্লিষ্ট অঞ্চলসমূহৰ বাসিন্দাসকলৰ মাজত আতংক সৃষ্টি কৰিছে। এনে পৰিস্থিতিৰ মাজতে ৰাজ্যখনৰ প্ৰাক্তন মুখ্যমন্ত্ৰী এন. বীৰেণ সিঙে কেন্দ্ৰীয় চৰকাৰৰ জৰুৰী হস্তক্ষেপৰ আহ্বান জনাইছে। সামাজিক মাধ্যম ষ্ক-ত কৰা এক পোষ্টত তেওঁ অবৈধভাৱে মজুত ৰখা অস্ত্ৰ-শস্ত্ৰ উদ্ধাৰ, সশস্ত্ৰ গোটসমূহৰ বিৰুদ্ধে নিৰ্ণায়ক অভিযান আৰু ভাৰত-ম্যানমাৰ সীমান্তৰ নিৰাপত্তা অধিক শক্তিশালী কৰাৰ দাবী জনায়। এই ক্ষেত্ৰত তেওঁ কেন্দ্ৰীয় চৰকাৰৰ জৰুৰী হস্তক্ষেপ বিচাৰি প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়কো নিজৰ পোষ্টত টেগ কৰে। পোষ্টটোত বীৰেণ সিঙে কামজং জিলাৰ নিংচৌ গাঁৱত ম্যানমাৰভিত্তিক সন্দেহযুক্ত উগ্ৰপন্থীৰ আক্ৰমণ, মাকুই আই টি ৰোড আৰু ছাছাদত সংঘটিত হিংসাত্মক ঘটনা তথা কামজঙৰ এখন আৰক্ষী থানা জ্বলাই দিয়াৰ খবৰৰ কথা উল্লেখ কৰে। ইয়াৰ লগতে কাংপকপি জিলাৰ মাকুই আশাং গাঁৱৰ দুজন নগা লোক সন্ধানহীন হৈ থকা বুলিও তেওঁ উদ্বেগ প্ৰকাশ কৰে। উখৰুল জিলাৰ ইয়াওলেনত নেপালী সম্প্ৰদায়ৰ সন্দীপ ৰায় নামৰ এজন লোকৰ হত্যাকাণ্ডৰ কথা উল্লেখ কৰি তেওঁ কয় যে এই হিংসাত্মক ঘটনাসমূহে বিভিন্ন জনগোষ্ঠীৰ নিৰীহ লোকৰ জীৱনলৈ ভাবুকি কঢ়িয়াই আনিছে। তেওঁ ৰাজ্যিক আৰু কেন্দ্ৰীয় নিৰাপত্তা বাহিনীক পলম নকৰি ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। ইফালে, অসামৰিক লোকৰ হত্যাকাণ্ড আৰু আক্ৰমণৰ প্ৰতিবাদত কুকি জনগোষ্ঠীৰ কেইবাটাও সংগঠনে পৃথক পৃথক বন্ধৰ কাৰ্যসূচী ঘোষণা কৰিছে। উখৰুলৰ কুকি চিভিল ছ'চাইটী ৱৰ্কিং কমিটীয়ে ১০ অক্টোবৰৰ পুৱা ৰৰ বজাৰ পৰা পৰৱৰ্তী নিৰ্দেশ নিদিয়া পৰ্যন্ত ৰাষ্ট্ৰীয় ঘাইপথ ২০২ত অনিৰ্দিষ্টকালীন সম্পূৰ্ণ বন্ধৰ আহ্বান জনাইছে। সেনাপতি জিলাৰ ৪০ বছৰীয়া গোৰ্খালী কৃষক সন্দীপ ৰায়ৰ হত্যাকাণ্ডৰ খবৰ প্ৰকাশ পোৱাৰ পাছতে এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। অভিযোগ অনুসৰি, চেপু ইয়াওলেন অঞ্চলত নিজৰ কৃষিভূমিলৈ গৈ থকা অৱস্থাত তেওঁ আক্ৰমণৰ বলি হয়। কুকি চিভিল ছ'চাইটী ৱৰ্কিং কমিটীৰ মতে, সন্দীপ ৰায়ে ১০ অক্টোবৰৰ পুৱা প্ৰায় ৬ বজাত চেপু ইয়াওলেনত লীজত লোৱা কৃষিভূমিলৈ গৈ থকা সময়ত আক্ৰমণৰ সন্মুখীন হয়। তেওঁ মহাদেৱ—টলয়—ফুটছেৰো সংযোগী আন্তঃগাঁও পথেৰে এখন ৰঙা মাৰুতি অল্ট' গাড়ী চলাই গৈ থকা বুলি জানিব পৰা গৈছে। কমিটীটোৱে এই আক্ৰমণৰ আঁৰত এনএছচিএন শচআই এমগ্ন-ৰ সন্দেহযুক্ত কেডাৰ জড়িত থকা বুলি অভিযোগ কৰিছে। সংগঠনটোৱে ঘটনাটোৰ নিন্দা কৰি মৃতকৰ পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰাৰ লগতে দোষীক চিনাক্ত কৰি জবাবদিহি কৰাৰ দাবী জনাইছে। অৱশ্যে আক্ৰমণটোৰ প্ৰকৃত কাৰণ আৰু ইয়াৰ সৈতে জড়িত লোকসকলৰ পৰিচয় এতিয়াও স্বতন্ত্ৰভাৱে নিশ্চিত হোৱা নাই। ইপিনে, কাংপকপি জিলাত কমিটী অন ট্ৰাইবেল ইউনিটিয়ে (CoTU) পৃথক বন্ধৰ কাৰ্যসূচী ঘোষণা কৰিছে। সংগঠনটোৱে ১০ অক্টোবৰৰ সন্ধিয়া ছ বজাৰ পৰা ২৪ ঘণ্টীয়া সম্পূৰ্ণ বন্ধৰ আহ্বান জনাইছে। বন্ধৰ জাননীত CoTU-এ কামজং জিলাৰ ছাছাদ, উখৰুল জিলাৰ ইয়াওলেন আৰু আই টি ৰোডৰ কাষৰীয়া অঞ্চলত সংঘটিত হোৱা বুলি প্ৰকাশিত আক্ৰমণৰ ঘটনাসমূহৰ কথা উল্লেখ কৰিছে। সংগঠনটোৱে এই ঘটনাসমূহৰ সৈতে এনএছচিএন (আই এম)-ৰ সৈতে জড়িত টাংখুল আৰু লিয়াংমেই গোটৰ লোক জড়িত থকা বুলি অভিযোগ কৰিছে। অৱশ্যে এই অভিযোগসমূহৰ সত্যতা স্বতন্ত্ৰভাৱে নিশ্চিত হোৱা নাই। CoTU-এ অসামৰিক লোকৰ নিৰাপত্তাক লৈ গভীৰ উদ্বেগ প্ৰকাশ কৰি পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে প্ৰশাসনক তাৎক্ষণিক ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে। বন্ধৰ সময়ছোৱাত স্থানীয় বাসিন্দা, ব্যৱসায়ী, পৰিবহণৰ সৈতে জড়িত লোক আৰু অন্যান্য সংশ্লিষ্ট পক্ষক বন্ধ কাৰ্যসূচী পালন কৰিবলৈ আহ্বান জনোৱা হৈছে। অৱশ্যে জৰুৰী চিকিৎসা সেৱা আৰু জীৱন ৰক্ষাৰ বাবে প্ৰয়োজনীয় অত্যাৱশ্যকীয় সেৱাসমূহ বন্ধৰ আওতাৰ বাহিৰত ৰখা হৈছে। ছাছাদ গাঁৱত সংঘটিত হোৱা বুলি প্ৰকাশিত আন দুটা মৃত্যুৰ ঘটনাক লৈও উদ্বেগ প্ৰকাশ কৰিছে কুকি চিভিল ছ'চাইটী ৱৰ্কিং কমিটীয়ে। কমিটীটোৰ অভিযোগ অনুসৰি, লালেনমাং টৌথাঙৰ পত্নী ডমখোনেই টৌথাঙক ৯ অক্টোবৰৰ নিশা ভাৰতীয় সংৰক্ষিত বেটেলিয়নৰ (IRB) জোৱানে গুলীয়াই হত্যা কৰে। অৱশ্যে এই ঘটনাৰ প্ৰকৃত পৰিস্থিতি স্বতন্ত্ৰভাৱে নিশ্চিত হোৱা নাই। ইয়াৰ উপৰি ১০ অক্টোবৰৰ পুৱতি নিশা ছাছাদ গাঁৱত সংঘটিত হোৱা বুলি অভিযোগ কৰা আক্ৰমণত ২২ বছৰীয়া মাইকেল ঙামমিনলেন হাওকিপৰ মৃত্যু হোৱা বুলি কমিটীয়ে প্ৰকাশ কৰিছে। সেই সময়তে কেইবাটাও বাসগৃহত অগ্নিসংযোগ কৰা বুলিও অভিযোগ উত্থাপন হৈছে। এই ঘটনাসমূহে স্পৰ্শকাতৰ অঞ্চলসমূহত বসবাস কৰা লোকসকলৰ নিৰাপত্তাক লৈ উদ্বেগ বৃদ্ধি কৰিছে। উল্লেখ্য, সংবাদ সংস্থা পিটিআইৰ এক প্ৰতিবেদন অনুসৰি, মণিপুৰৰ কামজং জিলাত এগৰাকী মহিলাক গুলীয়াই হত্যা কৰা হয়। এই ঘটনাৰ পাছতে কৰ্তৃপক্ষই নিষেধাজ্ঞামূলক আদেশ জাৰি কৰিছে। শেহতীয়া হিংসাত্মক ঘটনা আৰু বন্ধৰ আহ্বানে সংশ্লিষ্ট জিলাসমূহত অনিশ্চয়তা বৃদ্ধি কৰিছে। পৰিবহণ, ব্যৱসায়-বাণিজ্য আৰু দৈনন্দিন জনজীৱন ব্যাহত হোৱাৰ আশংকাও দেখা দিছে। কুকি ইনপি মণিপুৰ আৰু অন্যান্য জনগোষ্ঠীয় সংগঠনে অসামৰিক লোকৰ সুৰক্ষা আৰু জবাবদিহিতাৰ বিষয়ত বিভিন্ন সময়ত নিজৰ মত প্ৰকাশ কৰি আহিছে। অৱশ্যে ১০ অক্টোবৰত নিৰ্দিষ্টভাৱে বন্ধৰ কাৰ্যসূচী ঘোষণা কৰিছিল উখৰুলৰ কুকি চিভিল ছ'চাইটী ৱৰ্কিং কমিটী আৰু CoTU-এ। বৰ্তমান পৰিস্থিতিত অসামৰিক লোকৰ নিৰাপত্তা নিশ্চিত কৰা, প্ৰতিটো মৃত্যুৰ ঘটনা আৰু আক্ৰমণৰ সত্যতা নিৰূপণ কৰা তথা অধিক হিংসা প্ৰতিৰোধ কৰাটোৱেই প্ৰশাসনৰ বাবে প্ৰধান প্ৰত্যাহ্বান হৈ পৰিছে। পৰিস্থিতি স্বাভাৱিক অৱস্থালৈ ঘূৰাই আনিবলৈ নিৰপেক্ষ তদন্ত, দোষীৰ বিৰুদ্ধে ব্যৱস্থা আৰু ফলপ্ৰসূ নিৰাপত্তা ব্যৱস্থা গ্ৰহণৰ দাবী উত্থাপন হৈছে। এনে উত্তেজনাপূৰ্ণ পৰিস্থিতিত যিকোনো জনগোষ্ঠীৰ নিৰীহ লোকৰ জীৱন আৰু সম্পত্তিৰ সুৰক্ষা নিশ্চিত কৰাৰ লগতে সকলো পক্ষকে সংযম অৱলম্বন কৰিবলৈ আহ্বান জনোৱা হৈছে। উল্লেখ্য যে প্ৰকাশিত মৃত্যুৰ সংখ্যা, আক্ৰমণৰ আঁৰত কোন জড়িত আৰু নিৰাপত্তা বাহিনীৰ বিৰুদ্ধে উত্থাপিত অভিযোগসমূহ স্বতন্ত্ৰভাৱে নিশ্চিত হোৱা নাই।

প্ৰতিবাদৰ নামত ভেকো-ভাওনা চলাইছে

অপসাৰণৰ দাবীত প্ৰতিবাদ সাব্যস্ত কৰি আছে। কিন্তু বিজেপিয়ে এই প্ৰতিবাদক ভিত্তিহীন আখ্যা দি আহিছে। এই পটভূমিত অসমৰ মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে বিৰোধী নেতাসকলে নিৰ্বাচনত পৰাজয়ৰ পিছত হতাশ হৈ পৰিছে আৰু সেই হতাশাৰ পৰাই প্ৰতিবাদৰ নামত ভেকো-ভাওনা কৰি আছে। মুখ্যমন্ত্ৰীগৰাকীয়ে স্পষ্ট ভাষাত কয় যে বিৰোধীয়ে এতিয়ালৈকে এটাও নিৰ্বাচন জয় কৰিব পৰা নাই। ধাৰাবাহিকভাৱে নিৰ্বাচনত পৰাস্ত হোৱাৰ বাবে তেওঁলোকৰ নেতৃত্ব হতাশাগ্ৰস্ত হৈ পৰিছে। সেই হতাশাৰ প্ৰকাশেই এই প্ৰতিবাদ। কিন্তু ৰাইজে তেওঁলোকৰ নাটক ভালদৰে বুজি পাইছে বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে। ৰাহুল গান্ধী সম্পৰ্কত সোধা এক প্ৰশ্নৰ উত্তৰত ড° হিমন্ত বিশ্ব শৰ্মাই কয়, "ৰাহুল গান্ধীয়ে যেতিয়া চন্দ্ৰযান আৰু মংগলযানত যাত্ৰা কৰিব, তেতিয়া মোক তেওঁৰ কথা সুধিব।" তেওঁ লগতে কয় যে ৰাষ্ট্ৰপতিক সাক্ষাৎ কৰিবলৈ যিকোনো নাগৰিক যাব পাৰে আৰু উচ্চতম ন্যায়ালয়লৈও প্ৰতিদিনে হাজাৰ হাজাৰ লোক যায়। সেয়া কোনো অসাধাৰণ ঘটনা নহয়। ক'কৰোচ্ছ জনতা পাৰ্টীক উদ্দেশ্যি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে নিজকে পঁইতাচোৰা বুলি কোৱা লোকসকলৰ বিষয়ে আলোচনা কৰি বিশেষ লাভ নাই। তেওঁৰ মতে, আজি যুৱশক্তিয়ে দেশ গঢ়াত গুৰুত্বপূৰ্ণ ভূমিকা লৈছে, সেয়েহে যুৱশক্তিৰ বিষয়েহে আলোচনা কৰিব লাগে। দিল্লীত চলি থকা প্ৰতিবাদ সন্দৰ্ভত অসমৰ মুখ্যমন্ত্ৰীয়ে কয় যে ১৪০ কোটি জনতাৰ ভিতৰত অতি কম সংখ্যক লোকহে এই প্ৰতিবাদত অংশ ল'বলৈ দিল্লীলৈ গৈছে। তেওঁ উল্লেখ কৰে যে দিল্লীৰ প্ৰতিবাদত অংশ লোৱা লোকতকৈ ১০০ গুণ বেছি লোকে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে আছে। লগতে তেওঁ কয় যে অসম আৰু পশ্চিমবংগত ধাৰাবাহিকভাৱে উপ-নিৰ্বাচনত বিজেপিয়ে জয়লাভ কৰি আছে, যাৰ পৰা স্পষ্ট হয় যে জনসাধাৰণৰ সমৰ্থন বিজেপিৰ সৈতে আছে। মুখ্যমন্ত্ৰীয়ে আৰোপ কৰা মতে, বিৰোধী আৰু চিজেপিয়ে চৰকাৰক ব্লেকমেইল কৰাৰ চেষ্টা কৰিছে, কিন্তু তেওঁলোক সেই প্ৰচেষ্টাত কেতিয়াও সফল নহ'ব। বিৰোধীৰ অভিযোগক লৈ চৰকাৰে কোনো ভয় নকৰে বুলি তেওঁ দৃঢ়তাৰে কয়। প্ৰতিবাদকাৰীক শ'লঠেকত পেলাবলৈ চৰকাৰে চেষ্টা কৰা বুলি বিৰোধীয়ে উত্থাপন কৰা অভিযোগৰ প্ৰতি উত্তৰ দি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে দিল্লীত কিছুমান নিষেধাজ্ঞা আৰোপ কৰা হৈছে যাতে লোকসকলে তালৈ গৈ ভেকো-ভাওনা কৰিব নোৱাৰে। তেওঁ পুনৰ উল্লেখ কৰে যে বিৰোধীয়ে নিৰ্বাচনত জয়ী হ'ব নোৱাৰি প্ৰতিবাদৰ মঞ্চত নাটক দেখুৱাই আছে, কিন্তু জনসাধাৰণে সেই নাটকৰ আঁৰৰ সত্যতা বুজি পাইছে। ইপিনে, শনিবাৰে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই হৰিদ্বাৰৰ প্ৰখ্যাত নাৰায়ণী শিলা মন্দিৰ পৰিদৰ্শন কৰি পৰম্পৰাগত ৰীতি-নীতি অনুসৰি পূজা আগবঢ়ায়। এই সময়ত তেওঁ কয় যে বিগত ৰচ বছৰ ধৰি তেওঁ নাৰায়ণী শিলা মন্দিৰত প্ৰাৰ্থনা কৰিবলৈ আহি আছে আৰু এই স্থানত তেওঁ পৰম শান্তি অনুভৱ কৰে। সামগ্ৰিকভাৱে, দেশজুৰি চলি থকা প্ৰতিবাদৰ মাজতে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বিৰোধী তথা চিজেপিৰ সমালোচনা অব্যাহত ৰাখিছে। তেওঁৰ মতে, প্ৰতিবাদৰ নামত চলি থকা এই সমগ্ৰ ঘটনাৱলী ৰাজনৈতিক ভেকো-ভাওনাৰ বাহিৰে আন একো নহয়।

অখিল গগৈৰ সত্যাগ্ৰহৰ ২০০ ঘণ্টা অতিক্ৰম

এইটো অসমৰ আটাইতকৈ সমৃদ্ধিশালী অবিভক্ত শিৱসাগৰ জিলাৰ সমস্যা। সেয়েহে ইয়াৰ সমাধানৰ দায়িত্ব চৰকাৰে ল'ব লাগে। তেওঁ লগতে কয়, "এয়া কেৱল অখিল গগৈৰ সমস্যা নহয়। অসমৰ আটাইতকৈ সমৃদ্ধিশালী অবিভক্ত শিৱসাগৰ জিলাৰ সমস্যা।" এই সমস্যাৰ প্ৰতি মুখ্যমন্ত্ৰী, বিভাগীয় মন্ত্ৰী অথবা মুখ্য সচিবে বুজ নোলোৱাটো দুৰ্ভাগ্যজনক বুলিও তেওঁ মন্তব্য কৰে। তেওঁৰ মতে, দীৰ্ঘদিন ধৰি চলি থকা এই আন্দোলনলৈ চৰকাৰে গুৰুত্ব নিদিয়াৰ ফলত ৰাইজৰ মাজত অসন্তোষ বৃদ্ধি পাইছে। আন্দোলনকাৰী বিধায়কগৰাকীয়ে কয় যে সত্যাগ্ৰহ কেৱল এটা প্ৰতীকী প্ৰতিবাদ নহয়; এইটো জনসাধাৰণৰ ন্যায্য দাবীৰ সৈতে জড়িত। সেয়েহে চৰকাৰে বিষয়টোৰ গুৰুত্ব উপলব্ধি কৰি আলোচনাৰ জৰিয়তে সমাধানৰ পথ উলিয়াব লাগে। কিন্তু ২০০ ঘণ্টা পাৰ হৈ যোৱাৰ পিছতো চৰকাৰৰ পৰা কোনো সাৰ্থক সঁহাৰি নোপোৱাত তেওঁ ক্ষোভ প্ৰকাশ কৰে। ইফালে, সত্যাগ্ৰহস্থলীত বিভিন্ন প্ৰান্তৰ ৰাইজে সমৰ্থন জনাইছে। তেওঁলোকে বিধায়কগৰাকীৰ দাবীৰ সৈতে একমত প্ৰকাশ কৰি চৰকাৰে সোনকালে হস্তক্ষেপ কৰিব লাগে বুলি মন্তব্য কৰিছে। আন্দোলন অব্যাহত থকাৰ লগে লগে ৰাজনৈতিক মহলতো এই সত্যাগ্ৰহক লৈ চৰ্চা বৃদ্ধি পাইছে।

হিমাশ্ৰী বড়োৰ ৰহস্যজনক মৃত্যুৰ তদন্তৰ

প্ৰেৰণ কৰি ঘটনাৰ উচিত তদন্তৰ দাবী জনাইছিল। মুখ্যমন্ত্ৰী শৰ্মাৰ এই দাবীৰ পাছতে অন্ধ্ৰপ্ৰদেশ চৰকাৰে তদন্তকাৰী দল গঠন কৰি ঘটনাৰ তদন্ত আৰম্ভ কৰিছে। ২১ বছৰীয়া হিমাশ্ৰী বড়ো গুৱাহাটী মহানগৰীৰ বোন্দাৰ চপাইদঙৰ বাসিন্দা আছিল। বিশাখাপট্টনমত অনুষ্ঠিত এক সাংস্কৃতিক অনুষ্ঠানত অংশগ্ৰহণৰ উদ্দেশ্যে যুৱতীগৰাকীয়ে অন্ধ্ৰপ্ৰদেশলৈ গৈছিল। বিগত ৰছ ছেপ্টেম্বৰত দহজন বন্ধুৰ সৈতে তেওঁ বিশাখাপট্টনমত উপস্থিত হৈছিল। অনুষ্ঠান সামৰি বিগত ৬ অক্টোবৰত ২২৫০৩ নম্বৰ বিবেক এক্সপ্ৰেছেৰে হিমাশ্ৰীয়ে বিশাখাপট্টনমৰ পৰা গুৱাহাটীস্থিত ঘৰলৈ অকলশৰে উভতি আহিছিল। কিন্তু অতি দুৰ্ভাগ্যজনকভাৱে বাটতে হিমাশ্ৰী বড়োৰ মৃত্যু হয়। অতি ৰহস্যজনকভাৱে ৭ অক্টোবৰত হিমাশ্ৰী বড়োৰ নিথৰ দেহ ৰে'ল আৰক্ষীয়ে অন্ধ্ৰপ্ৰদেশৰ টিকুলামপুৰৰ ৰে'লপথৰ সমীপৰ এখন হাবিৰ দাঁতিত উদ্ধাৰ কৰে। হিমাশ্ৰী বড়োৰ সৈতে যোৱা দহজন বন্ধুৰ ভিতৰত কিছুদিন পূৰ্বে পাঁচজন অসমলৈ ঘূৰি আহিছিল। কিন্তু হিমাশ্ৰী আৰু আন চাৰিজন বন্ধু অন্ধ্ৰপ্ৰদেশতে ৰৈ গৈছিল। ৬ অক্টোবৰত গুৱাহাটীলৈ যাবলৈ হিমাশ্ৰীয়ে শিলচৰ এক্সপ্ৰেছৰ ৩এচি দবাত আসন সংৰক্ষণ কৰি ৰাখিছিল। কিন্তু সেই ৰে'লখন সময়মতে ধৰিব নোৱৰাত তেওঁ কন্যাকুমাৰীৰ পৰা ডিব্ৰুগড়লৈ যোৱা বিবেক এক্সপ্ৰেছত যাত্ৰা কৰিবলৈ ষ্টেচনতে ৰৈ আছিল। তাৰ পাছত হিমাশ্ৰীয়ে তেওঁৰ বন্ধু জ্যোতি চৌধুৰীক ৰে'লখনৰ সাধাৰণ দবাত এটা টিকট কাটি দিবলৈ যোগাযোগ কৰিছিল। জ্যোতিয়ে হিমাশ্ৰীক সহায় কৰিবলৈ অবিনাশ নামৰ যুৱক এজনক ৰে'ল ষ্টেচনলৈ পঠিয়াইছিল। মাজনিশা ৰ:্ছ বজাত বিবেক এক্সপ্ৰেছ বিশাখাপট্টনম ষ্টেচনত উপস্থিত হোৱাৰ লগে লগে দুয়োজনে টিকট কালেক্টৰ (টিচি)ৰ ওচৰলৈ গৈ ৩এচি বা স্লিপাৰ ক্লাছৰ দবাৰ বাবে টিকট বিচাৰিছিল। টিকটৰ বিনিময়ত টিচিয়ে কিছু টকা বিচাৰিছিল। ঠিক তেতিয়াই ৰে'লখন চলিবলৈ ধৰিছিল আৰু হিমাশ্ৰীয়ে দৌৰি গৈ স্লিপাৰৰ এছ-চ দবাত উঠিছিল। তাৰ পাছত অবিনাশে হিমাশ্ৰীৰ বেগটো দি ষ্টেচনৰ পৰা গুচি গৈছিল। ৬ অক্টোবৰৰ মাজনিশা ২Ė ৩৯ বজাত হিমাশ্ৰীয়ে বন্ধু জ্যোতি চৌধুৰীক ফোন কৰি দবাত থকা কিছু লোকে মাদক দ্ৰব্য খাই থকা বুলি জনাইছিল। তাৰ পাছত তিনি ছেকেণ্ডৰ এটা ভিডিঅ' ৰেকৰ্ডিং কৰিও তেওঁলৈ পঠিয়াইছিল। তাৰ কিছু সময়ৰ পাছতে হিমাশ্ৰীৰ ফোনটো বিচ্ছিন্ন হৈ পৰিল। জ্যোতি চৌধুৰীয়ে যেতিয়া তেওঁৰ সহপাঠী অনুপ তিৱাৰীক এই ঘটনাটোৰ বিষয়ে অৱগত কৰে, তেতিয়া তেওঁ ৰে'লৰে হেল্পলাইনত ফোন কৰি হিমাশ্ৰীক হাৰাশাস্তি কৰা বুলি খবৰ দিয়ে। সেইদিনা মাজৰাতি ৩Ė ৫৬ বজাত শ্ৰীকাকুলাম ৰোড ষ্টেচনত ৰে'লখন উপস্থিত হোৱাৰ সময়ত আৰক্ষীয়ে দবাটো পৰিদৰ্শন কৰে যদিও যুৱতীগৰাকীক বিচাৰি নাপালে। তেওঁলোকে কেৱল হিমাশ্ৰী বড়োৰ বেগ আৰু ছুটকেছটো বিচাৰি উলিয়াইছিল। পৰৱৰ্তী সময়ত আৰপিএফে ঘটনাৰ অধিক তদন্ত নকৰাকৈয়ে বিষয়টোৰ পৰা গা এৰা দিয়ে। শ্ৰীকাকুলাম জিলাৰ পণ্ডুৰু মণ্ডলৰ পেনুবৰ্থীত ৰে'লপথৰ সমীপত ৭ অক্টোবৰত হিমাশ্ৰীৰ মৃতদেহ উদ্ধাৰ হয়। পলাছা ৰে'লৰে আৰক্ষীয়ে এটা গোচৰ ৰুজু কৰি মৃতদেহটো শ্ৰীকাকুলাম সাধাৰণ চিকিৎসালয়লৈ প্ৰেৰণ কৰে। মৰণোত্তৰ পৰীক্ষাৰ অন্তত ৮ অক্টোবৰত হিমাশ্ৰীৰ মৃতদেহটো পৰিয়ালৰ লোকক গতাই দিয়া হয়। তাৰ পাছতে শ্ৰীকাকুলামৰ আৰক্ষী বিষয়া কে. ভি. মহেশ্বৰা ৰেড্ডীয়ে ঘটনাস্থলী পৰিদৰ্শন কৰে। তদন্তৰ বাবে চাৰিজন আৰপিএফ সদস্যৰে গঠিত অতিৰিক্ত দলৰ লগতে ৭টা দল নিয়োগ কৰা হৈছে। হিমাশ্ৰী ভুলবশতঃ ৰে'লৰ পৰা পৰি গৈছিল নে কোনোবাই ঠেলি পেলাইছিল, তাকে লৈ কৰ্তৃপক্ষই তদন্ত কৰি আছে। উল্লেখ্য যে এই ঘটনাই ৰাজ্যবাসীৰ মাজত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। হিমাশ্ৰী বড়োৰ ৰহস্যজনক মৃত্যুৰ সত্য উদঘাটনৰ বাবে অন্ধ্ৰপ্ৰদেশ আৰক্ষীৰ বিশেষ তদন্তকাৰী দলে (এছআইটি) সকলো দিশৰ পৰা তদন্ত অব্যাহত ৰাখিছে।

গৌৰৱ-ৰকিবুল নহয়, আজমল কেনেকৈ

ফলাফল অনুসৰি, নগাঁও লোকসভা সমষ্টিত বিজেপি প্ৰাৰ্থী দেৱাশিস শৰ্মাই ১.৪ লাখতকৈ অধিক ভোটৰ ব্যৱধানত জয়লাভ কৰে। নিৰ্বাচন বিভাগৰ তথ্য অনুসৰি, বিজেপি প্ৰাৰ্থীয়ে ৭, ১১, ৯১২টা ভোট লাভ কৰাৰ বিপৰীতে আইইউডিএফৰ প্ৰাৰ্থী মৌলানা বদৰুদ্দিন আজমলে ৫, ৭১, ৬৩৭টা আৰু কংগ্ৰেছৰ প্ৰাৰ্থী শিৱামণি বৰাই ১, ২৯, ১৩৬টা ভোট লাভ কৰে। ফলাফল ঘোষণা হোৱাৰ পিছতে সৰ্বত্ৰে চৰ্চা লৈছে মৌলানা বদৰুদ্দিন আজমলৰ প্ৰসংগই। তেওঁ কেনেকৈ ৫, ৭১, ৬৩৭টা ভোট লাভ কৰি দ্বিতীয় স্থানত থাকিব পাৰিলে, আৰু আইইউডিএফতকৈ কংগ্ৰেছ ইমান পিছ পৰি থাকিল-এই লৈ ৰাজনৈতিক বিশ্লেষণ আৰম্ভ হৈছে। নলবাৰীত সাংবাদিকসকলে নগাঁও উপ-নিৰ্বাচনৰ ফলাফল সম্পৰ্কে প্ৰশ্ন কৰাৰ উত্তৰত মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই কয়, "কংগ্ৰেছ দলটো কিয় পিছ পৰি ৰ'ল, সেয়া বৰ্তমানৰ বিবেচ্য বিষয় নহয়। বদৰুদ্দিন আজমল কেনেকৈ ইমান শক্তিশালী হ'ল, সেয়াহে মূল কথা। বিজেপিয়ে এই বিষয়ে নিশ্চয় আলোচনা কৰিব।" তেওঁ লগতে কয়, "ৰাইজে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত হোৱা উন্নয়নৰ সৈতে মিলি গৈছে। এতিয়া কংগ্ৰেছৰ লগত ৰাইজ নাই। কাৰণ কংগ্ৰেছ কেতিয়াও ৰাইজৰ লগত নাছিলেই। সেইবোৰেই আজি কংগ্ৰেছৰ বিপৰ্যয়ৰ মূল কাৰণ।" আনহাতে, দিল্লীত চলি থকা ক'কৰোচ্ছ জনতা পাৰ্টীৰ প্ৰতিবাদকো মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই সমালোচনা কৰে। তেওঁ কয়, "চিজেপিৰ পিছফালে কাৰ নেতৃত্ব আছে, সেই বিষয়ে যদি ৰাইজক সংবাদ মাধ্যমে দেখুৱাই দিয়ে, তেন্তে কোনেও প্ৰতিবাদ কৰিবলৈ নাযায়।" উল্লেখ্য, শনিবাৰে নলবাৰী বিধানসভা সমষ্টিত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জন্মদিন উপলক্ষে সেৱা সংকল্প সেতু অভিযান আৰম্ভ কৰা হয়। নলবাৰী সমষ্টিৰ টাউন মণ্ডলক সামৰি হৰি মন্দিৰত, আৰু বিজেপিৰ বাহজানী তথা উত্তৰ নলবাৰী মণ্ডলক সামৰি বি.এড. কলেজত এক কাৰ্যসূচী অনুষ্ঠিত হয়। এই অনুষ্ঠানত সমষ্টিটোৰ বহু আঁচনি-বঞ্চিত ৰাইজে নিজৰ নিজৰ আবেদন প্ৰক্ৰিয়া দাখিল কৰে। কাৰ্যসূচীত মন্ত্ৰী জয়ন্ত মল্লবৰুৱাৰ লগতে দলীয় নেতা-কৰ্মীসহ বহু ৰাইজ উপস্থিত থাকে।

দিল্লী আৰক্ষীলৈ সোণম ৱাংচুকৰ ২৪ ঘণ্টাৰ

অধিবক্তাসকলকো আটক কৰা হৈছে। প্ৰায় ৩৫ হাজাৰ আৰক্ষী আৰু অৰ্ধসামৰিক বাহিনীৰ জোৱান মোতায়েন কৰি য'তেই ডাঙৰ জনসমাগম দেখা পোৱা গৈছে, তাতেই মাইকযোগে আটক কৰাৰ নিৰ্দেশ দিয়া হৈছে বুলি খবৰ প্ৰকাশ পাইছে। ৰাজধানীখনত এনে পৰিস্থিতি আগতে কেতিয়াও দেখা নাছিল বুলি অনেকেই মন্তব্য কৰিছে। এই পৰিস্থিতিৰ মাজতে লাডাখৰ পৰা বিশেষ ভিডিঅ' বাৰ্তা প্ৰেৰণ কৰিছে শিক্ষাবিদ তথা বিশিষ্ট উদ্ভাৱক সোণম ৱাংচুকে। তেওঁ দিল্লী আৰক্ষীলৈ ২৪ ঘণ্টাৰ সময়সীমা নিৰ্ধাৰণ কৰি কৈছে যে এই সময়ৰ ভিতৰত প্ৰতিবাদকাৰীক গ্ৰেপ্তাৰ কৰা বন্ধ কৰিব লাগিব। অন্যথা তেওঁ পুনৰ অনশন কাৰ্যসূচী ৰূপায়ণ কৰিব। তেওঁ স্পষ্ট কৰি দিছে যে অনশন লাডাখত হওক বা দিল্লীত হওক, সেয়া শান্তিপূৰ্ণভাৱে পালন কৰা হ'ব। ৱাংচুকে দিল্লীত প্ৰতিবাদকাৰীক আটক আৰু গ্ৰেপ্তাৰ কৰাৰ ঘটনাক নিন্দা জনাইছে। তেওঁৰ মতে, গণতান্ত্ৰিক প্ৰতিবাদৰ অধিকাৰক সন্মান কৰা প্ৰয়োজন। ২৪ ঘণ্টাৰ ভিতৰত যদি আৰক্ষীয়ে প্ৰতিবাদকাৰীক গ্ৰেপ্তাৰ কৰা বন্ধ নকৰে, তেন্তে তেওঁ পুনৰ অনশনত বহিব বুলি সতৰ্কবাণী দিছে। উল্লেখ্য, CJPৰ প্ৰতিবাদ ঘেৰি দিল্লীত নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰা হৈছে। কিন্তু তাৰ মাজতো ৰাজধানীৰ বিভিন্ন প্ৰান্তত প্ৰতিবাদ আৰু আটকৰ ঘটনা অব্যাহত আছে। ইয়াৰ ফলত ৰাজনৈতিক মহলত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।

আজমলৰ যুগলবন্দীয়ে কংগ্ৰেছক পৰাজিত

দ্বিতীয় স্থান লাভ কৰে। কংগ্ৰেছৰ এই শোচনীয় পৰাজয়ৰ পাছতে অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে মুখ খুলিছে। তেওঁ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, এআইইউডিএফৰ সভাপতি মৌলানা বদৰুদ্দিন আজমল আৰু নিৰ্বাচন আয়োগৰ ভূমিকা সন্দৰ্ভত প্ৰশ্ন উত্থাপন কৰিছে। মুখ্যমন্ত্ৰী শৰ্মা আৰু আজমলৰ মাজত বিশেষ সম্পৰ্ক আছে বুলি উল্লেখ কৰি সাংসদ গগৈয়ে কয়, "নগাঁও উপ-নিৰ্বাচনত আমি যি ফলাফল লাভ কৰিছো, সেয়া মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু মৌলানা বদৰুদ্দিন আজমলৰ মাজত থকা যুগলবন্দীৰেই পৰিণাম। ইমান বছৰ ধৰি তেওঁলোকৰ মাজত বন্ধুত্ব চলি থকা দেখা পাইছো। এই নিৰ্বাচনৰ পূৰ্বেও তেওঁলোকৰ মাজত যি যুগলবন্দী দেখিবলৈ পাইছো, তাৰ পৰিণাম এই নিৰ্বাচনত দেখিবলৈ পালো। তেওঁলোকৰ যুগলবন্দীক কেন্দ্ৰীয় নিৰ্বাচন আয়োগে সমৰ্থন জনাইছে।" নিৰ্বাচনী প্ৰচাৰত ভাষণৰ প্ৰসংগত তেওঁ কয়, "এআইইউডিএফে বিজেপিক ৰাজনৈতিক শত্ৰু হিচাপে গ্ৰহণ কৰাই নাই। তেওঁলোকৰ বাবে ৰাজনৈতিক শত্ৰু হৈছে কংগ্ৰেছ দল। বিজেপি হৈছে একপ্ৰকাৰ এআইইউডিএফৰ অভিভাৱক। এই নিৰ্বাচনত দেখিবলৈ পাইছো যে বদৰুদ্দিন আজমল হৈছে হিমন্ত বিশ্ব শৰ্মাৰ লাখুঁটি। এআইইউডিএফৰ গডফাদাৰ হৈছে হিমন্ত বিশ্ব শৰ্মা।" তেওঁ লগতে কয়, "বদৰুদ্দিন আজমলে নিৰ্বাচনৰ সময়ত সম্পূৰ্ণৰূপে সাম্প্ৰদায়িক মন্তব্য কৰিছে। প্ৰাৰ্থীয়ে যিহেতু ধৰ্মৰ নামত নিৰ্বাচন খেলি ভোটাৰক আকৰ্ষণ কৰিবলৈ চেষ্টা কৰিছিল, সেইবাবে নিৰ্বাচন আয়োগে তেওঁলোকৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। কংগ্ৰেছক আঁতৰাবলৈ এআইইউডিএফ আৰু বিজেপিয়ে যি নাটক ৰচনা কৰিছিল, সেয়া বাস্তৱত ৰূপায়িত হোৱাৰ ক্ষেত্ৰত কেন্দ্ৰীয় নিৰ্বাচন আয়োগৰো ভূমিকা আছে।" উল্লেখ্য, নগাঁও লোকসভা সমষ্টিত এই পৰাজয়ে কংগ্ৰেছৰ বাবে ডাঙৰ আঘাত হিচাপে পৰিগণিত হৈছে। কংগ্ৰেছৰ দুৰ্গ বুলি পৰিচিত সমষ্টিটোত বিজেপিৰ জয় আৰু এআইইউডিএফৰ দ্বিতীয় স্থান লাভে ৰাজ্যৰ ৰাজনৈতিক মহলত তীব্ৰ চৰ্চাৰ সৃষ্টি কৰিছে।

জ্ঞানেশ কুমাৰক অপসাৰণৰ দাবীত উত্তাল

অৱতৰণ কৰাৰ পাছতে আৰক্ষীৰ জিম্মালৈ যায়। দিল্লী আৰক্ষীৰ সূত্ৰৰ উদ্ধৃতি দি প্ৰকাশিত খবৰ অনুসৰি, আৰক্ষীৰ এটা দলে বিমানৰ ভিতৰত প্ৰৱেশ কৰি তেওঁলোকক নতুন দিল্লী অঞ্চললৈ, বিশেষকৈ যন্তৰ মন্তৰলৈ, নাযাবলৈ বুজাইছিল। কিন্তু তেওঁলোকে আৰক্ষীৰ পৰামৰ্শ নামানিলত বিমানৰ ভিতৰৰ পৰাই তেওঁলোকক আটক কৰা হয়। আৰক্ষীৰ সূত্ৰ অনুসৰি, আৰক্ষীয়ে বুজাবলৈ যোৱাৰ সময়ত অভিজিৎ দীপকে কৈছিল যে তেওঁ নিজেই গ্ৰেপ্তাৰ হ'বলৈ আহিছে। পৰৱৰ্তী সময়ত তেওঁলোকক ডিটেনচন চেণ্টাৰলৈ নিয়া হ'ব পাৰে বুলিও সূত্ৰই প্ৰকাশ কৰিছে। ইফালে, চিজেপিৰ এক বিবৃতিত অভিজিৎ দীপক আৰু তেওঁৰ সহযোগীসকলক আটক কৰা কাৰ্যৰ গৰিহণা দিয়া হৈছে। দলটোৰ অভিযোগ, প্ৰস্তাৱিত প্ৰতিবাদস্থলীলৈ নেতাসকলক যোৱাত বাধা দিবলৈ পৰিকল্পিতভাৱে এই পদক্ষেপ গ্ৰহণ কৰা হৈছে। লগতে এই কাৰ্যক দেশৰ ভিতৰত মুক্তভাৱে অহা-যোৱা কৰাৰ অধিকাৰৰ পৰিপন্থী বুলি অভিহিত কৰি আটকাধীন নেতাসকলৰ তাৎক্ষণিক আৰু চৰ্তবিহীন মুক্তিৰ দাবী জনাইছে দলটোৱে। উল্লেখ্য যে, নিৰাপত্তাজনিত কাৰণ আৰু প্ৰক্ৰিয়াগত প্ৰয়োজনীয়তাৰ কথা উল্লেখ কৰি দিল্লী আৰক্ষীয়ে যন্তৰ মন্তৰৰ এই প্ৰতিবাদৰ অনুমতি প্ৰদান কৰা নাছিল। প্ৰতিবাদক কেন্দ্ৰ কৰি দিল্লী মেট্ৰ'ৰ ছয়টা ষ্টেচন বন্ধ ৰখা হৈছে বুলি প্ৰতিবেদনত উল্লেখ কৰা হৈছে। ইয়াৰ উপৰি কেইবাখনো ৰে'ল বাতিল কৰা হৈছে। প্ৰতিবাদকাৰীসকল যাতে প্ৰতিবাদস্থলীত উপস্থিত হ'ব নোৱাৰে, তাৰ বাবে ৰাজধানীৰ বিভিন্ন গুৰুত্বপূৰ্ণ স্থানত আৰক্ষী মোতায়েন কৰা হৈছে। এতিয়ালৈকে নতুন দিল্লীৰ বিভিন্ন স্থানৰ পৰা প্ৰায় ১৫০ গৰাকী প্ৰতিবাদকাৰীক আৰক্ষীয়ে আটক কৰা বুলি জানিব পৰা গৈছে। উল্লেখ্য যে, চিজেপিয়ে মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ পদত্যাগৰ দাবীত এই প্ৰতিবাদৰ আহ্বান জনাইছে।

বিহালীৰ ছেৰেলীয়া মজলীয়া বিদ্যালয়ত পৰিচালনা সমিতিৰ সভা

শৈক্ষিক বিষয়ত সিদ্ধান্ত

অসম বাৰ্তা, জিনজিয়া, ১০ অক্টোবৰ ঃ বিহালী শিক্ষাখণ্ডৰ অধীনস্থ ছেৰেলীয়া মজলীয়া বিদ্যালয়ত আজি বিদ্যালয় পৰিচালনা সমিতিৰ এখন কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। ২০২৭ চনৰ জানুৱাৰী মাহত অনুষ্ঠিত হ'বলগীয়া সপ্তম সংস্কৰণৰ 'গুণোৎসৱ-২০২৭' সফলতাৰে ৰূপায়ণ কৰাৰ লগতে ২০৩৬ চনত বিদ্যালয়খনৰ শতবাৰ্ষিকী উদ্‌যাপনৰ লক্ষ্যৰে শৈক্ষিক মান উন্নয়ন আৰু আন্তঃগাঁথনিৰ বিকাশৰ বিভিন্ন পৰিকল্পনা গ্ৰহণ কৰা হয়। বিদ্যালয়ৰ কাৰ্যালয় গৃহত অনুষ্ঠিত সভাখনত আঁত ধৰে ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক দিগন্ত দাসে আৰু সভাপতিত্ব কৰে বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ইচুব আলীয়ে। উল্লেখ্য যে বিহালী শিক্ষাখণ্ডৰ ৰঙাগড় মণ্ডল সমল কেন্দ্ৰৰ অধীনস্থ বিদ্যালয়খনে ২০৩৬ চনত এশ বছৰ সম্পূৰ্ণ কৰিব। এই লক্ষ্যৰ প্ৰতি লক্ষ্য ৰাখি বিদ্যালয়খনৰ শৈক্ষিক পৰিৱেশ উন্নত কৰাৰ উদ্দেশ্যে পৰিচালনা সমিতিৰ উদ্যোগত অভিভাৱক সন্মিলন, মাতৃ সন্মিলন, অভিভাৱক-শিক্ষাৰ্থী কৰ্মশালা, শ্ৰেণীভিত্তিক শিক্ষক-অভিভাৱক সভা, স্বাস্থ্য শিবিৰ আৰু আইনী সজাগতা সভা অনুষ্ঠিত কৰাৰ সিদ্ধান্ত লোৱা হয়। ইয়াৰ উপৰি শিক্ষাৰ্থীসকলৰ গাঁৱে গাঁৱে শৈক্ষিক সজাগতা সভা অনুষ্ঠিত কৰা আৰু পৰিচালনা সমিতিৰ সদস্য তথা শিক্ষকৰ দ্বাৰা শিক্ষাৰ্থীৰ গৃহ ভ্ৰমণৰ কাৰ্যসূচী গ্ৰহণ কৰা হয়। সমাজৰ বিভিন্ন ক্ষেত্ৰৰ সমল ব্যক্তিৰ দ্বাৰা বিদ্যালয়ত ব্যৱহাৰিক পাঠদানৰ ব্যৱস্থা কৰা, ছেৰেলীয়া অঞ্চলৰ শিক্ষিত ব্যক্তিসকলক লৈ বিশেষ পৰামৰ্শদাতা সমিতি গঠন কৰা আৰু ৰাইজ, শিক্ষা বিষয়া, প্ৰশাসনিক বিষয়া, জনপ্ৰতিনিধি তথা ছাত্ৰ সংগঠনৰ প্ৰতিনিধিৰ উপস্থিতিত এখন বিশাল 'শৈক্ষিক অভিৱৰ্তন' অনুষ্ঠিত কৰাৰো সিদ্ধান্ত গ্ৰহণ কৰা হয়। বিদ্যালয়খনৰ আন্তঃগাঁথনি উন্নয়ন, দীৰ্ঘদিনীয়া শিক্ষকৰ নাটনি দূৰীকৰণকে ধৰি বিভিন্ন সমস্যা সমাধানৰ বাবে অসমৰ মুখ্যমন্ত্ৰী, শিক্ষামন্ত্ৰী, শোণিতপুৰ লোকসভা সমষ্টিৰ সাংসদ, বিহালীৰ বিধায়ক, বিশ্বনাথ জিলা আয়ুক্ত, বিহালী সমজিলা আয়ুক্ত, জিলা প্ৰাথমিক শিক্ষা বিষয়া, খণ্ড প্ৰাথমিক শিক্ষা বিষয়া, জিলা পৰিষদ, আঞ্চলিক পঞ্চায়ত আৰু গাঁও পঞ্চায়তলৈ স্মাৰক-পত্ৰ প্ৰেৰণ কৰাৰ সিদ্ধান্ত লোৱা হয়। আনহাতে, বিদ্যালয়খনৰ উন্নয়নত সমাজৰ সক্ৰিয় অংশগ্ৰহণ নিশ্চিত কৰাৰ বাবে ছেৰেলীয়া আৰু বিহালীৰ ৰাইজলৈ কেইবাটাও গোহাৰি জনোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সেই অনুসৰি বিদ্যালয়খনত এখন আদৰণি তোৰণ নিৰ্মাণ, পৰিয়ালৰ সদস্যৰ জন্মদিন আদি শুভ উপলক্ষত বিদ্যালয়ত সম্প্ৰীতি ভোজনৰ ব্যৱস্থা, বিদ্যালয় চৌহদত গছপুলি ৰোপণ, প্ৰয়োজনীয় সামগ্ৰী প্ৰদান আৰু অঞ্চলটোৰ শিক্ষিত যুৱক-যুৱতী তথা ছাত্ৰ সংগঠনসমূহক স্বেচ্ছামূলক পাঠদানৰ বাবে আগবাঢ়ি আহিবলৈ আহ্বান জনোৱা হ'ব। সভাত ৰঙাগড় মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক হেমন্ত শৰ্মা, বিদ্যালয়ৰ শিক্ষক সীমান্ত দাস, শিক্ষয়িত্ৰী জুলী হাজৰিকা, পৰিচালনা সমিতিৰ সদস্য মোবাৰক আলী, ৰফিকুল ইছলাম, আফটাৰ আলী, বিনা ওৰাঙ বাউৰী, নাৰায়ণ ওৰাঙ, লালু ওৰাঙ, পদ্মেশ্বৰ ওৰাঙ, গৌতমী তাঁতী, অনিমা ওৰাঙ, ৰূপা উৰাং, ৰুমা হাজৰিকা, নুৰী খাতুন, চবিনা খাতুন, মেনকা তাঁতী, দীপা কুমাৰী শ্বাহ, গায়ত্ৰী দেৱী, অনিল ওৰাঙ আদিয়ে অংশগ্ৰহণ কৰে।

জিলা পৰ্যায়ৰ চিত্ৰাংকন প্ৰতিযোগিতাত প্ৰথম স্থান দখল কাৰবালা মধ্য ইংৰাজী বিদ্যালয়ৰ ফাতেমা চুলতানাৰ

অসম বাৰ্তা, গোৱালপাৰা, ১০ অক্টোবৰ ঃ কাৰবালা মধ্য ইংৰাজী বিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনিছে পঞ্চম শ্ৰেণীৰ ছাত্ৰী ফাতেমো চুলতানাই। অসম চৰকাৰৰ 'সেৰা সংকল্প অভিযান ২০২৬'ৰ অধীনত অনুষ্ঠিত চিত্ৰাংকন প্ৰতিযোগিতাত ধাৰাবাহিকভাৱে সফলতা অৰ্জন কৰি ছাত্ৰীগৰাকীয়ে বিদ্যালয়খনৰ লগতে অঞ্চলটোলৈ সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। প্ৰতিযোগিতাখনত ফাতেমা চুলতানাই প্ৰথমে বিদ্যালয় পৰ্যায়ত প্ৰথম স্থান লাভ কৰে। ইয়াৰ পিছত বিধানসভা সমষ্টি ভিত্তিক প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি তৃতীয় স্থান লাভ কৰিবলৈ সক্ষম হয়। ইয়াৰ ধাৰাবাহিকতাত যোৱা ৬ অক্টোবৰত গোৱালপাৰাৰ পৃথিৰাম চৰকাৰী উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ত অনুষ্ঠিত জিলা পৰ্যায়ৰ চিত্ৰাংকন প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি ফাতেমা চুলতানাই প্ৰথম স্থান লাভ কৰে। উল্লেখযোগ্য যে, মাত্ৰ ১০ বছৰ বয়সতে এনে সাফল্য অৰ্জন কৰা ফাতেমা চুলতানাই কাইলৈ গুৱাহাটীত অনুষ্ঠিত হ'বলগীয়া ৰাজ্যিক পৰ্যায়ৰ চিত্ৰাংকন প্ৰতিযোগিতাতো অংশগ্ৰহণ কৰিব। ছাত্ৰীগৰাকীৰ এই সফলতাত বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ লগতে স্থানীয় ৰাইজেও সন্তুষ্টি প্ৰকাশ কৰিছে।

মাজুলী জিলা প্ৰশাসনৰ উদ্যোগত ভকত চাপৰিত মুখা নিৰ্মাণ প্ৰশিক্ষণ শুভাৰম্ভ

অসম বাৰ্তা, উজনী মাজুলী, ১০ অক্টোবৰ ঃ মাজুলী জিলা প্ৰশাসনৰ বিশেষ উদ্যোগত ভকত চাপৰিত মহিলাসকলৰ বাবে ঐতিহ্যমণ্ডিত মুখা নিৰ্মাণ প্ৰশিক্ষণৰ আজি শুভাৰম্ভ কৰা হয়। মাজুলীৰ বৈষ্ণৱ সংস্কৃতিৰ প্ৰাণস্বৰূপ ঐতিহ্যবাহী মুখা শিল্পক নতুন প্ৰজন্ম তথা গ্ৰামীণ মহিলাসকলৰ মাজত অধিক জনপ্ৰিয় কৰা আৰু তেওঁলোকক আৰ্থিকভাৱে স্বাৱলম্বী কৰি তোলাৰ লক্ষ্যৰে এই কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। সেই উপলক্ষে আজি পুৱা ১২ বজাৰ পৰা মদাৰগুৰি প্ৰাথমিক বিদ্যালয়ত বিয়লি অনুষ্ঠিত এক গাম্ভীৰ্যপূৰ্ণ উদ্বোধনী সভাত জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠক উপস্থিত থাকে। উদ্বোধনী ভাষণত জিলা আয়ুক্তগৰাকীয়ে উল্লেখ কৰে যে মহিলাসকলে নিজৰ আজৰি সময়ছোৱা এনেধৰণৰ সৃষ্টিশীল কামত নিয়োজিত কৰিলে কেৱল আত্মনিৰ্ভৰশীল হোৱাই নহয়, বৰঞ্চ নিজ নিজ পৰিয়াললৈ বৰঙনি আগবঢ়াই আৰ্থিক সকাহো দিব পাৰিব। উক্ত সভাত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি মাজুলীৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক ছোমালিন শুভদৰ্শিনীয়ে মাজুলীৰ মুখা শিল্পই ৰাষ্ট্ৰীয় পৰ্যায়ত অৰ্জন কৰা গৌৰৱোজ্জ্বল যাত্ৰাৰ কথা সোঁৱৰাই দিয়ে। 'ৰূপবৰণ'ৰ অধ্যক্ষ দীপু বৰাই আঁত ধৰা অনুষ্ঠানটোত মাজুলীৰ বিশিষ্ট প্ৰকৃতিবিদ ড° ৰাজেন বৰা, মুখা শিল্পৰ প্ৰশিক্ষক অনন্ত কলিতা আৰু বুলবুলি হাজৰিকা আৰু উদীয়মান যুৱক পাপু শইকীয়াই বক্তব্য প্ৰদান কৰে। লগতে মাজুলীৰ সত্ৰীয়া সংস্কৃতিৰ অন্যতম ঘাই অংগ মুখা শিল্পৰ স্বকীয়তা আৰু গুণগত মান অক্ষুণ্ণ ৰাখি নিষ্ঠাৰে কাম কৰিবলৈ প্ৰশিক্ষাৰ্থীসকলক আহ্বান জনায়। উল্লেখযোগ্য যে, ভকত চাপৰিৰ ৪৭ গৰাকী মহিলাই এই বহুমুখী প্ৰশিক্ষণত উৎসাহেৰে অংশগ্ৰহণ কৰিছে। গাঁওখনৰ আত্মসহায়ক গোটৰ প্ৰতিনিধি মৌচুমী চেকনিধৰা আৰু উদীয়মান যুৱক সত্য বৰুৱাই ভকত চাপৰিৰ পৰিয়ালসমূহৰ স্থানীয় বিকাশৰ উদ্দেশ্যে এনে উল্লেখনীয় পদক্ষেপ গ্ৰহণ কৰা বাবে জিলা আয়ুক্তগৰাকীৰ লগতে সমগ্ৰ প্ৰশাসনক আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰে।

মহালয়াত দেৱী দুৰ্গাৰ আগমনত উখল-মাখল সৰুপথাৰ

পুৱতি নিশাৰে পৰা নগৰৰ ৰাজপথত হাজাৰ-হাজাৰ ভক্তৰ সমাগম

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, সৰুপথাৰ, ১০ অক্টোবৰ ঃ পবিত্ৰ মহালয়াৰ উপলক্ষে দেৱী দুৰ্গাৰ ধৰালৈ আগমনৰ বতৰা কঢ়িয়াই অনা এক আধ্যাত্মিক আৰু উৎসৱমুখৰ পৰিৱেশেৰে মুখৰিত হৈ পৰে সৰুপথাৰ নগৰ। দেৱী দুৰ্গাৰ আগমনৰ ক্ষণক আদৰিবলৈ ভক্তপ্ৰাণ ৰাইজৰ মাজত দেখা যায় ব্যাপক উৎসাহ-উদ্দীপনা। পুৱতি নিশা প্ৰায় ৩ মান বজাৰ পৰাই সৰুপথাৰ নগৰৰ ৰাজপথত হাজাৰ হাজাৰ লোকৰ সমাগম ঘটে। মহালয়াৰ পবিত্ৰ ক্ষণত দেৱী দুৰ্গাৰ বন্দনা আৰু ভক্তিৰসেৰে নগৰখনত এক আধ্যাত্মিক পৰিৱেশৰ সৃষ্টি হয়। আনহাতে, মহালয়াৰ সৈতে সংগতি ৰাখি সৰুপথাৰ নগৰৰ মাজমজিয়াত ৬৩ বছৰীয়া গৌৰৱোজ্জ্বল পৰম্পৰা বহন কৰা চতিয়নি সৰ্বজনীন দুৰ্গা পূজা সমিতিৰ সৌজন্যত 'সিংহ বাহিনী ত্ৰিনয়নী' শীৰ্ষক এখন মনোমোহা নৃত্য-নাটিকা প্ৰদৰ্শন কৰা হয়। দেৱী দুৰ্গাৰ মহিষাসুৰ বধৰ পৌৰাণিক কাহিনী আধাৰিত নৃত্য-নাটিকাখনত কণ কণ শিশুসকলে নিজৰ অভিনয় আৰু নৃত্যৰ জৰিয়তে সমগ্ৰ কাহিনীটো অতি সুন্দৰভাৱে উপস্থাপন কৰে। শিশুসকলৰ মনোমোহা অভিনয়, সুন্দৰ উপস্থাপন আৰু দেৱী বন্দনাৰ মধুৰ পৰিৱেশে উপস্থিত দৰ্শকসকলক আপ্লুত কৰি তোলে। নৃত্য-নাটিকাখন উপভোগ কৰিবলৈ সৰুপথাৰ অঞ্চলৰ বিভিন্ন কোণৰ পৰা অগণন লোকৰ সমাগম ঘটে। দেৱী দুৰ্গাৰ অসুৰ বধৰ কাহিনীৰ মাজেৰে অসত্যৰ ওপৰত সত্যৰ, অশুভ শক্তিৰ ওপৰত শুভ শক্তিৰ বিজয়ৰ বাৰ্তা প্ৰেৰণ কৰা এই সাংস্কৃতিক অনুষ্ঠানে মহালয়াৰ তাৎপৰ্য অধিক সুন্দৰভাৱে প্ৰতিফলিত কৰে। চতিয়নি সৰ্বজনীন দুৰ্গা পূজা সমিতিৰ এই ব্যতিক্ৰমী পদক্ষেপে সৰুপথাৰৰ ধৰ্মীয় আৰু সাংস্কৃতিক পৰম্পৰাক নতুন মাত্ৰা প্ৰদান কৰাৰ লগতে নৱপ্ৰজন্মৰ মাজত পৌৰাণিক কাহিনী, আধ্যাত্মিক চেতনা আৰু সাংস্কৃতিক মূল্যবোধৰ প্ৰসাৰত বিশেষ ভূমিকা গ্ৰহণ কৰা পৰিলক্ষিত হয়। মহালয়াৰ পবিত্ৰ দিনটোত ভক্তি, সংস্কৃতি আৰু উৎসাহৰ এক অপূৰ্ব সমন্বয়েৰে সৰুপথাৰ নগৰ মুখৰিত হৈ পৰে।

ৰজাদিনীয়া পৰম্পৰাৰে টুক্ৰেশ্বৰী দেৱালয়ত শাৰদীয় দুৰ্গা পূজাৰ আয়োজন

অসম বাৰ্তা, কৃষ্ণাই, ১০ অক্টোবৰ ঃ অহা ১৬ অক্টোবৰৰ পৰা ছয়দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে গোৱালপাৰা জিলাৰ ইতিহাস প্ৰসিদ্ধ শ্ৰীশ্ৰী মা টুক্ৰেশ্বৰী দেৱালয়ত ৰজাদিনীয়া পৰম্পৰা অক্ষুণ্ণ ৰাখি সম্পূৰ্ণ বৈদিক ৰীতি-নীতিৰে শাৰদীয় দুৰ্গা পূজা অনুষ্ঠিত কৰাৰ বাবে ব্যাপক প্ৰস্তুতি চলিছে। শ্ৰীশ্ৰী মা টুক্ৰেশ্বৰী মন্দিৰ পৰিচালনা সমিতিৰ উদ্যোগত ১৬ অক্টোবৰৰ পৰা ২১ অক্টোবৰলৈ ছয়দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে এই দুৰ্গোৎসৱ অনুষ্ঠিত হ'ব। দুৰ্গোৎসৱৰ কাৰ্যসূচী অনুসৰি, ১৬ অক্টোবৰত ষষ্ঠ্যাদি কল্পাৰম্ভ আৰু ষষ্ঠীবিহিত পূজাৰে পূজাৰ শুভাৰম্ভ হ'ব। ১৭ অক্টোবৰত নৱপত্ৰিকা প্ৰৱেশ, স্থাপন আৰু সপ্তমী পূজা অনুষ্ঠিত হ'ব। ১৮ অক্টোবৰত সপ্তমীৰ বিশেষ পূজা সম্পন্ন কৰা হ'ব। একেদৰে, ১৯ অক্টোবৰত মহাষ্টমীৰ পূজা, সন্ধি পূজা আৰু বলিদানৰ কাৰ্যসূচী অনুষ্ঠিত হ'ব। ২০ অক্টোবৰত মহানৱমীৰ বিহিত পূজা আৰু মহাবলি প্ৰদান কৰা হ'ব। আনহাতে, ২১ অক্টোবৰত দশমীৰ বিহিত পূজা সম্পন্ন কৰাৰ পাছত প্ৰতিমা বিসৰ্জনেৰে ছয়দিনীয়া দুৰ্গোৎসৱৰ সামৰণি পৰিব। ৰজাদিনীয়া ঐতিহ্য আৰু পৰম্পৰা অক্ষুণ্ণ ৰাখি অনুষ্ঠিত হ'বলগীয়া এই দুৰ্গোৎসৱক কেন্দ্ৰ কৰি ভক্তপ্ৰাণ ৰাইজৰ মাজত ব্যাপক উৎসাহ-উদ্দীপনা পৰিলক্ষিত হৈছে।

শিৱসাগৰ আঞ্চলিক ছাত্ৰ সন্থাৰ অধিৱেশন সম্পন্ন

মানস বৰুৱা সভাপতি, তানজিল আশ্ৰফ আহমেদ সাধাৰণ সম্পাদক

অসম বাৰ্তা, জয়সাগৰ, ১০ অক্টোবৰ ঃ শিৱসাগৰ আঞ্চলিক ছাত্ৰ সন্থাৰ অধিৱেশনখনি কালি সফলতাৰে অনুষ্ঠিত হৈ যায়। পুৱা কেন্দ্ৰীয় শ্বহীদ উদ্যানত পতাকা উত্তোলন কৰে আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি মানস বৰুৱাই, বন্তি প্ৰজ্বলন কৰে সম্পাদক মনজিৎ হাজৰিকাই, গছপুলি ৰোপণ কৰে অসম উন্নতি সভাৰ জিলা সম্পাদক আকাশজ্যোতি দুৱৰী আৰু জিলা ছাত্ৰ সন্থাৰ সহকাৰী সম্পাদক জীপম বড়াই। ইফালে শিৱসাগৰ যুৱদলত নগৰ সমিতিৰ দ্বাৰা প্ৰকাশিত প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰে অৱসৰপ্ৰাপ্ত ৰাজ্যিক কৃতী শিক্ষক ব্ৰজেন বড়াই। আনহাতে জিলা ভিত্তিত কুইজ প্ৰতিযোগিতা উদ্বোধন কৰি ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি বক্তব্য আগবঢ়ায় শিৱসাগৰ ছোৱালী কলেজৰ অধ্যক্ষ ড° প্ৰতিম শৰ্মাই। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে আকাশজ্যোতি দুৱৰী আৰু অসম সেনাৰ জিলা সমিতিৰ মুখ্য আহ্বায়ক মানৱজ্যোতি কলিতা। নিশালৈ অনুষ্ঠিত প্ৰতিনিধি সভা উদ্বোধন কৰে আছুৰ সাধাৰণ সম্পাদৰ সমীৰণ ফুকনে। শিৱসাগৰ জিলা ছাত্ৰ সন্থাৰ সভাপতি মানৱ হাজৰিকা আৰু সাধাৰণ সম্পাদক দীপাংকৰ শইকীয়া উপস্থিত থকা সভাত মানস বৰুৱাক সভাপতি, তানজিল আশ্ৰফ আহমেদক সাধাৰণ সম্পাদক হিচাপে লৈ শিৱসাগৰ আঞ্চলিক ছাত্ৰ সন্থাৰ নতুন সমিতিখন গঠন কৰাৰ লগতে মানস প্ৰতিম দত্ত, মণিৰাজ খঙীয়া, মনজিৎ হাজৰিকাক জিলা সমিতিলৈ প্ৰেৰণ কৰে।

ডিকেডি কলেজৰ ঘটনাক কেন্দ্ৰ কৰি চেপা উত্তেজনা; থানাত এজাহাৰ দাখিল পৰিয়ালৰ

দেৰগাঁৱত সতীৰ্থৰ দলবদ্ধ আক্ৰমণৰ বলি ছাত্ৰ চিন্ময় নাথ

অসম বাৰ্তা, দেৰগাঁও, ১০ অক্টোবৰ ঃ দেৰগাঁৱৰ ডিকেডি কলেজৰ এজন ছাত্ৰ সতীৰ্থৰ দলবদ্ধ আক্ৰমণৰ বলি হোৱা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। প্ৰাপ্ত তথ্য অনুসৰি, চিন্ময় নাথ নামৰ ছাত্ৰজনক একাংশ সতীৰ্থই দলবদ্ধভাৱে আক্ৰমণ কৰাৰ অভিযোগ উত্থাপন হৈছে। ঘটনাটোক কেন্দ্ৰ কৰি ভুক্তভোগী ছাত্ৰজনৰ পৰিয়ালে দেৰগাঁও আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰিছে। অৱশ্যে, আক্ৰমণৰ প্ৰকৃত কাৰণ আৰু ঘটনাটোৰ সৈতে জড়িতসকলৰ বিষয়ে অধিক তথ্য জানিব পৰা হোৱা নাই। দিন-দুপৰতে সংঘটিত হোৱা বুলি অভিযোগ উত্থাপিত এই ঘটনাই একাংশ যুৱকৰ উচ্ছৃংখল আচৰণক লৈ পুনৰ প্ৰশ্ন উত্থাপন কৰিছে। বিশেষকৈ শিক্ষানুষ্ঠানৰ সতীৰ্থৰ মাজত এনে হিংসাত্মক ঘটনাৰ অভিযোগে অভিভাৱক আৰু সচেতন মহলৰ মাজত উদ্বেগৰ সৃষ্টি কৰিছে। ইফালে, ঘটনাটোক কেন্দ্ৰ কৰি দেৰগাঁৱত এক চেপা উত্তেজনাই বিৰাজ কৰিছে। আৰক্ষীৰ তদন্তৰ পাছতহে ঘটনাৰ প্ৰকৃত সত্য পোহৰলৈ আহিব।

স্বাধীনতাৰ পিছৰে পৰা নহ'ল পকীকৰণ; শীঘ্ৰে মেৰামতিৰ দাবী স্থানীয় ৰাইজৰ

চৰকাৰী আঁচনিৰ পৰা বঞ্চিত নগাঁৱৰ এটা জৰাজীৰ্ণ পথ

অসম বাৰ্তা, নগাঁও, ১০ অক্টোবৰ ঃ চৰকাৰী উন্নয়নৰ আঁচনিয়ে ঢুকি নোপোৱা যেন হৈ পৰিছে নগাঁও জিলাৰ খাগৰিজান উন্নয়ন খণ্ডৰ অন্তৰ্গত বেঙেনাআটি গাঁও পঞ্চায়তৰ ৭ নং ৱাৰ্ডৰ কলংপাৰৰ এটা জৰাজীৰ্ণ পথ। দীৰ্ঘদিন ধৰি মেৰামতিৰ অভাৱত পথটোৰ অৱস্থা শোচনীয় হৈ পৰাত যাতায়াতৰ ক্ষেত্ৰত ব্যাপক সমস্যাৰ সন্মুখীন হৈছে অঞ্চলটোৰ ৰাইজ। পৰিতাপৰ বিষয় যে, বেঙেনাআটি গাঁও পঞ্চায়ত কাৰ্যালয়ৰ নিচেই কাষতে থকা এই পথটো আজিও পকীকৰণৰ মুখ নেদেখিলে। পথটোত ঠায়ে ঠায়ে প্ৰকাণ্ড গাঁতৰ সৃষ্টি হোৱাৰ লগতে বৰষুণৰ সময়ত বোকাময় হৈ পৰে। ফলত দৈনিক বিদ্যালয়-মহাবিদ্যালয়লৈ অহা-যোৱা কৰা ছাত্ৰ-ছাত্ৰীৰ লগতে সাধাৰণ ৰাইজে নগাঁও চহৰ আৰু বিভিন্ন চৰকাৰী কাৰ্যালয়লৈ যাতায়াত কৰোঁতে দুৰ্ভোগ ভুগিবলগীয়া হৈছে। ইয়াতকৈও উদ্বেগজনক বিষয়টো হ'ল, কোনো লোক গুৰুতৰভাৱে অসুস্থ হ'লে অথবা জৰুৰীকালীন চিকিৎসাৰ প্ৰয়োজন হ'লে পথটোৰ শোচনীয় অৱস্থাৰ বাবে ১০৮ মৃত্যুঞ্জয় সেৱাৰ বাহন অঞ্চলটোলৈ আহ-যাহ কৰাত সমস্যাৰ সৃষ্টি হয় বুলি স্থানীয় ৰাইজে অভিযোগ কৰিছে। ফলত ৰোগীক খোজকঢ়াই অথবা কান্ধত তুলি ঘাই পথলৈ উলিয়াই নিবলগীয়া পৰিস্থিতিৰো সৃষ্টি হয়। উল্লেখ্য যে, বেঙেনাআটি অঞ্চলটো নগাঁও জিলাৰ এক কৃষিপ্ৰধান অঞ্চল হিচাপে পৰিচিত। অঞ্চলটোত বিভিন্ন প্ৰকাৰৰ শাক-পাচলি, নেমু, কলকে ধৰি বহু কৃষিজাত সামগ্ৰীৰ উৎপাদন হয়। স্থানীয় কৃষকসকলে উৎপাদিত সামগ্ৰী নগাঁৱৰ বজাৰৰ লগতে চুবুৰীয়া জিলাসমূহতো বিক্ৰী কৰি আহিছে। কিন্তু পথটোৰ জৰাজীৰ্ণ অৱস্থাৰ বাবে কৃষিজাত সামগ্ৰী পৰিবহণৰ ক্ষেত্ৰতো কৃষকসকলে বিভিন্ন অসুবিধাৰ সন্মুখীন হ'বলগীয়া হৈছে। স্থানীয় ৰাইজৰ অভিযোগ অনুসৰি, স্বাধীনতাৰ পিছৰে পৰা আজিলৈকে পথটো পকীকৰণৰ বাবে কোনো ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণ কৰা নহ'ল। দীৰ্ঘদিন ধৰি উন্নয়নৰ পৰা বঞ্চিত হৈ থকা পথটোক লৈ এতিয়া অঞ্চলবাসীৰ মাজত তীব্ৰ ক্ষোভ আৰু অসন্তুষ্টিৰ সৃষ্টি হৈছে। সেয়েহে, স্থানীয় বিধায়ক ৰূপক শৰ্মাৰ লগতে সংশ্লিষ্ট বিভাগ আৰু প্ৰশাসনৰ ওচৰত ৰাইজে শীঘ্ৰে পথটো চৰকাৰী আঁচনিৰ অন্তৰ্ভুক্ত কৰি পকীকৰণৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছে। পথটোৰ উন্নয়ন সাধন কৰি অঞ্চলবাসীৰ যাতায়াতৰ সমস্যা দূৰ কৰাৰ লগতে কৃষক আৰু ছাত্ৰ-ছাত্ৰীসকলক সকাহ দিবলৈ ৰাইজে চৰকাৰৰ তাৎক্ষণিক হস্তক্ষেপ কামনা কৰিছে।

মাণ্ডলিক কাৰ্বি যুৱ মহোৎসৱস্থলী পৰিদৰ্শন

সদৌ অসম কাৰ্বি যুৱ ছাত্ৰ সন্থাৰ প্ৰতিনিধি দল

অসম বাৰ্তা, বিহালী, ১০ অক্টোবৰ ঃ বিহালী বিধানসভা সমষ্টিৰ অন্তৰ্গত বিহমাৰীত হ'ব লগা ২০২৬ বৰ্ষৰ চলিত মাহৰ ১৮, ১৯ আৰু ২০ অক্টোবৰত স্বৰ্গীয় বাপুৰাম ইংতি চিনঠং বাকৰিত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হ'বলগীয়া ৩৪ তম মাণ্ডলিক কাৰ্বি যুৱ মহোৎসৱৰ প্ৰস্তুতি সম্পৰ্কে সদৌ অসম কাৰ্বি যুৱ ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতি আৰু বিশ্বনাথ জিলা সমিতিৰ যুটীয়া প্ৰতিনিধি দলে মহোৎসৱ স্থলী পৰিদৰ্শন কৰি পৰিস্থিতিৰ বুজ লয় আৰু আয়োজক সমিতিৰ লগত বিভিন্ন দিশৰ প্ৰস্তুতি সম্পৰ্কে বিতংভাৱে আলোচনাত মিলিত হয়। উক্ত সঁজাতি দলটোত সদৌ অসম কাৰ্বি যুৱ ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিৰ সহকাৰী সাধাৰণ সম্পাদক চাৰছিং তেৰাং, সাংগঠনিক সম্পাদক দীপচন চিংনাৰ, প্ৰচাৰ সম্পাদক ৰাজু ৰংহাং, বিশ্বনাথ জিলা সমিতিৰ উপদেষ্টা বালিৰাম ৰংপি, সভাপতি বিজেন ৰংপি, সাধাৰণ সম্পাদক ধনীৰাম তেৰাং, বিত্ত সম্পাদক সঞ্জয় বে', সাংস্কৃতিক সম্পাদক ছুনিল তেৰাং, জুবিন ফাংচু', মংগলছিং বে', কমলেশ্বৰ তেৰাং লগতে কাৰ্বি কল্যাণ স্বায়ত্বশাসিত পৰিষদৰ সদস্য বিনংকিৰি ইংতি আৰু সদস্য মনছিং ক্ৰ' আদিয়ে উপস্থিত থাকে। ছাত্ৰ সন্থাৰ প্ৰতিনিধি দলটোৱে আগন্তুক মাণ্ডলিক কাৰ্বি যুৱ মহোৎসৱত সকলো শ্ৰেণীৰ ৰাইজক সক্ৰিয় অংশগ্ৰহণ কৰিবলৈ আহ্বান জনায়।

আৰক্ষী বিষয়াৰ বিৰুদ্ধে এজাহাৰৰ দাবীত দিল্লী

কৰাৰ পাছত উচ্চতম ন্যায়ালয় বাৰ এছ'চিয়েশ্যনে (SCBA) ভাৰতৰ মুখ্য ন্যায়াধীশ (CJI) সূৰ্যকান্তৰ হস্তক্ষেপ বিচাৰে। অৱশ্যে SCBA আৰু তুষাৰ মেহতাই হস্তক্ষেপ কৰাৰ পাছত আটক কৰা অধিবক্তাসকলক মুকলি কৰি দিয়া হয়। যন্তৰ মন্তৰত ট্ৰিণমূলৰ প্ৰতিবাদী কাৰ্যসূচীৰ পৰিপ্ৰেক্ষিতত সমগ্ৰ দিল্লীত ব্যাপক আৰক্ষী মোতায়েন কৰা হৈছিল। ভোটাৰ তালিকা সংশোধনত অনিয়মৰ অভিযোগ তুলি দলটোৱে নিৰ্বাচন আয়ুক্ত কুমাৰৰ পদত্যাগৰ দাবী জনাইছে। প্ৰতিবাদৰ সময়ত আৰক্ষীয়ে কেইবাজনো প্ৰতিবাদকাৰী আৰু দলীয় নেতাক আটক কৰে। ৰাজহুৱা পৰিবহণ আৰু যাতায়াতৰ ক্ষেত্ৰত আৰোপ কৰা প্ৰতিবন্ধকতাৰ বাবে ৰাজধানীৰ বিভিন্ন অংশত যাতায়াত ব্যাহত হৈ পৰে। CJP-য়ে অভিযোগ কৰে যে প্ৰতিবাদৰ পূৰ্বেই ৰত্না সিং আৰু আন তিনিজন অধিবক্তাক আটক কৰা হৈছিল। মুম্বাইৰ পৰা অহা বিমান দিল্লীত অৱতৰণ কৰাৰ পাছতে দলৰ নেতা অভিজিৎ দীপক, সৌৰভ দাস আৰু আশুতোষ ৰাংকাকো আটক কৰা হয় বুলি দলটোৱে দাবী কৰে। ৰেলীত অংশগ্ৰহণ কৰাত বাধা দিয়াৰ উদ্দেশ্যে পূৰ্বপৰিকল্পিতভাৱে এই পদক্ষেপ গ্ৰহণ কৰা বুলি অভিহিত কৰা হয়। ৰত্না সিঙে অভিযোগ কৰে যে দিনটোৰ আৰম্ভণিতেই আৰক্ষীৰ দল তেওঁৰ বাসগৃহলৈ গৈছিল, কিন্তু যাতায়াত সীমাবদ্ধ কৰাৰ বাবে কোনো চৰকাৰী জাননী প্ৰদৰ্শন কৰিব পৰা নাছিল। আৰক্ষীয়ে কেৱল "ওপৰৰ নিৰ্দেশ" থকা বুলি তেওঁক আটক কৰা বুলি জনায়। CJP-য়ে এই ঘটনাৰ এটা ভিডিঅ' প্ৰকাশ কৰি আৰক্ষীয়ে আইনী কাৰণ ৰাজহুৱা কৰা নাই বুলি অভিযোগ তোলে। জ্যেষ্ঠ আৰু কনিষ্ঠ অধিবক্তাসকলক আটক কৰাৰ পাছত SCBA-য়ে মুখ্য ন্যায়াধীশ সূৰ্যকান্তক শান্তিপূৰ্ণভাৱে প্ৰতিবাদ কৰা অধিবক্তাসকলৰ সুৰক্ষা আৰু গতিবিধি নিশ্চিত কৰিবলৈ অনুৰোধ জনায়। বাৰ এছ'চিয়েশ্যনে শান্তিপূৰ্ণ প্ৰতিবাদকাৰী অধিবক্তাসকল, বিশেষকৈ মহিলা অধিবক্তাসকলৰ ওপৰত আৰক্ষীয়ে অতিৰিক্ত বলপ্ৰয়োগ আৰু আটক কৰা কাৰ্যক গৰিহণা দিয়ে। SCBAৰ সভাপতি প্ৰদীপ ৰায়ে কয় যে এনে বলপ্ৰয়োগৰ তদন্ত কৰি দোষী আৰক্ষী বিষয়াৰ বিৰুদ্ধে বিহিত ব্যৱস্থা গ্ৰহণ কৰিব লাগে, যাতে ভৱিষ্যতে এনে ঘটনাৰ পুনৰাবৃত্তি নহয়। ইফালে, প্ৰতিবাদৰ সময়ত মেট্ৰ' আৰু ৰে'ল সেৱা সম্পৰ্কীয় উচ্চতম ন্যায়ালয়ৰ ৯ অক্টোবৰৰ নিৰ্দেশনা উলংঘা কৰাৰ অভিযোগ তুলি কেন্দ্ৰীয় গৃহ সচিব গোবিন্দ মোহন, দিল্লী আৰক্ষী আয়ুক্ত অনুৰাগ কুমাৰ আৰু দিল্লী মেট্ৰ' ৰে'ল কৰ্পৰেচনৰ অধ্যক্ষ ডি থাৰাৰ বিৰুদ্ধে অৱমাননাৰ আবেদন দাখিল কৰিছে অধিবক্তা শৈলেন্দ্ৰ মণি ত্ৰিপাঠীয়ে। ৪৫টা মেট্ৰ' ষ্টেচনৰ প্ৰৱেশ আৰু প্ৰস্থান পথ বন্ধ কৰি জনসাধাৰণৰ মৌলিক অধিকাৰ আৰু ন্যায়ালয়ৰ নিৰ্দেশনাক অৱমাননা কৰা হৈছেবুলি আবেদনখনত উল্লেখ কৰা হয়। উল্লেখ্য যে, ৯ অক্টোবৰত মুখ্য ন্যায়াধীশ সূৰ্যকান্ত, ন্যায়াধীশ জয়মাল্য বাগচী আৰু ন্যায়াধীশ ভি মোহনাৰ তিনিজনীয়া বিচাৰপীঠে মেট্ৰ' আৰু ৰে'ল সেৱাৰ ওপৰত সম্পূৰ্ণ নিষেধাজ্ঞা আৰোপ কৰাক অতিমাত্ৰা বুলি মন্তব্য কৰিছিল।

যন্তৰ মন্তৰৰ প্ৰতিবাদৰ পূৰ্বে ইউটিউবাৰ ধ্ৰুৱ

বাসগৃহৰ পৰাই আৰক্ষীয়ে ৰাথীক জিম্মাত লয় বুলি সূত্ৰই প্ৰকাশ কৰিছে। চিজেপিৰ প্ৰতিবাদৰ পূৰ্বে দিল্লীত গ্ৰহণ কৰা ব্যাপক নিৰাপত্তা ব্যৱস্থাক লৈ শুকুৰবাৰে ধ্ৰুৱ ৰাথীয়ে প্ৰশ্ন উত্থাপন কৰিছিল। কেন্দ্ৰীয় চৰকাৰে ৰাজধানী দিল্লীত প্ৰায় 'লকডাউন'সদৃশ পৰিস্থিতিৰ সৃষ্টি কৰা বুলি অভিযোগ কৰিছিল ৰাথীয়ে। ইনষ্টাগ্ৰামত শ্বেয়াৰ কৰা এটা ভিডিঅ'ত ৰাথীয়ে মেট্ৰ' ষ্টেচন বন্ধ ৰখা, ৰে'ল বাতিল কৰা আৰু মধ্য দিল্লীৰ একাংশ অঞ্চলত মোবাইল ইণ্টাৰনেট সেৱাৰ ওপৰত নিষেধাজ্ঞা আৰোপ কৰাৰ প্ৰসংগ উত্থাপন কৰে। ভিডিঅ'টোত তেওঁ কৈছিল, "মই দিল্লীত উপস্থিত হৈছোঁ। ইয়াত আমাৰ প্ৰধানমন্ত্ৰীয়ে কেনেধৰণৰ ব্যৱস্থা কৰিছে, সেয়া দেখিলোঁ। ৫০টাতকৈও অধিক মেট্ৰ' ষ্টেচন বন্ধ কৰি দিয়া হৈছে।" তেওঁ লগতে কৈছিল যে ৰে'ল আৰু বাছৰ চলাচলত বাধা আৰোপ কৰাৰ লগতে প্ৰতিবাদৰ বাবেই দিল্লীত প্ৰায় লকডাউনসদৃশ পৰিস্থিতিৰ সৃষ্টি কৰা হৈছে। প্ৰতিবাদত মানুহৰ উপস্থিতি কম হ'ব বুলি বিজেপিৰ সৈতে জড়িত বুলি দাবী কৰা একাংশ ছ'চিয়েল মিডিয়া একাউণ্টত প্ৰচাৰ চলোৱাৰ প্ৰসংগ উত্থাপন কৰিও ৰাথীয়ে চৰকাৰৰ পদক্ষেপক লৈ প্ৰশ্ন তোলে। তেওঁৰ মতে, প্ৰতিবাদত মানুহ নাহিলে ইমান ব্যাপক নিৰাপত্তা ব্যৱস্থা গ্ৰহণৰ প্ৰয়োজনীয়তা ক'ত? লগতে, প্ৰতিবাদত অংশগ্ৰহণ কৰিবলৈ জনসাধাৰণক আহ্বান জনাইছিল ৰাথীয়ে। ১০ অক্টোবৰত যন্তৰ মন্তৰলৈ আহিবলৈ তেওঁ সামাজিক মাধ্যমৰ জৰিয়তে আহ্বান জনায়। ইফালে, প্ৰস্তাৱিত প্ৰতিবাদৰ প্ৰতি লক্ষ্য ৰাখি দিল্লীত নিৰাপত্তা ব্যৱস্থা অধিক কটকটীয়া কৰা হৈছে। একাংশ বজাৰ আৰু গুৰুত্বপূৰ্ণ মেট্ৰ' ষ্টেচন বন্ধ ৰখাৰ লগতে ৰাজধানী অভিমুখী কেইবাখনো ৰে'ল বাতিল কৰা হৈছে। চহৰখনৰ একাংশ অঞ্চলত মোবাইল ইণ্টাৰনেট সেৱাৰ ওপৰতো নিষেধাজ্ঞা আৰোপ কৰা হৈছে বুলি প্ৰকাশ পাইছে। কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়ে সকলো ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলক দিল্লী আৰক্ষীৰ সৈতে সমন্বয় ৰক্ষা কৰিবলৈ নিৰ্দেশ দিয়া বুলিও জানিব পৰা গৈছে। প্ৰতিবাদত অংশগ্ৰহণৰ বাবে লোকসকলৰ দিল্লী অভিমুখী যাত্ৰা প্ৰতিৰোধ কৰিবলৈ প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ দিয়া হৈছে বুলি সূত্ৰৰ খবৰ। উল্লেখ্য যে, মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ পদত্যাগৰ দাবীত শনিবাৰে এই প্ৰতিবাদী কাৰ্যসূচীৰ আহ্বান জনোৱা হৈছিল।

বিশ্বৰ আঠখন যুদ্ধ বন্ধ কৰাৰ বাবে মোক আঠটা ন'বেল শান্তি বঁটা প্ৰদান কৰিব লাগে ঃ ট্ৰাম্প

সিদ্ধান্ত আমি পাহৰি নাযাওঁ।" নিজৰ শান্তি প্ৰচেষ্টাৰ কথা উল্লেখ কৰি ট্ৰাম্পে দাবী কৰে যে পাৰমাণৱিক অস্ত্ৰৰে সজ্জিত ভাৰত আৰু পাকিস্তানৰ মাজত যুদ্ধ হোৱাত বাধা দি তেওঁ ৫ কোটি লোকৰ জীৱন ৰক্ষা কৰিছে। অৱশ্যে, এই দাবীৰ সমৰ্থনত তেওঁ কোনো প্ৰমাণ দাঙি ধৰা নাই। ইয়াৰ উপৰি ইৰাণে যাতে পাৰমাণৱিক অস্ত্ৰ লাভ কৰিব নোৱাৰে, তাৰ ব্যৱস্থাও তেওঁ কৰা বুলি দাবী কৰে ট্ৰাম্পে। তেওঁৰ মতে, ইৰাণৰ হাতত পাৰমাণৱিক অস্ত্ৰ থাকিলে মধ্যপ্ৰাচ্যৰ লগতে ইউৰোপ আৰু আমেৰিকাও ভয়াৱহ বিপদৰ সন্মুখীন হ'লহেঁতেন। ট্ৰাম্পে লগতে কয় যে তেওঁ বন্ধ কৰা যুদ্ধৰ তালিকা দীঘলীয়া। এতিয়া ইৰাণৰ সংঘাত আৰু ৰাছিয়া-ইউক্ৰেইনৰ যুদ্ধৰ অন্ত পেলোৱাৰ বাবেও তেওঁ চেষ্টা চলাই আছে। শুকুৰবাৰে ন'বেল শান্তি বঁটা লাভ কৰা দক্ষিণ আফ্ৰিকাৰ প্ৰাক্তন ৰাষ্ট্ৰসংঘৰ মানৱ অধিকাৰ মুৰব্বী নাৱি পিল্লাইৰ বিষয়েও মন্তব্য কৰে ট্ৰাম্পে। তেওঁ কয় যে বঁটা লাভ কৰা ব্যক্তিগৰাকীৰ নাম তেওঁ আগতে কেতিয়াও শুনা নাই। ট্ৰাম্পৰ এই মন্তব্যই পুনৰ এবাৰ ন'বেল শান্তি বঁটাক লৈ তেওঁৰ অসন্তুষ্টি পোহৰলৈ আনিছে। বিশেষকৈ প্ৰাক্তন আমেৰিকাৰ ৰাষ্ট্ৰপতি বাৰাক ওবামাই ২০০৯ চনত এই বঁটা লাভ কৰাৰ পিছৰে পৰা ট্ৰাম্পে বাৰে বাৰে অসন্তুষ্টি প্ৰকাশ কৰি আহিছে।

শিৱসাগৰত উজনি অসম কিতাবি তালিম মহিলা মজলিছৰ চিৰাতুন নবী সম্পন্ন

অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, শিৱসাগৰ, ১০ অক্টোবৰ ঃ উজনি অসম কিতাবি তালিম মহিলা মজলিছৰ উদ্যোগত আজি বিয়লি শিৱসাগৰ নগৰৰ বাবুপট্টিৰ হুছেইন কমপ্লেক্সৰ স্মল ৱানডাৰ স্কুলত চিৰাতুন নবীৰ আলোকপাত আৰু হজৰত বৰপীৰ চাহেবৰ স্মৃতিত ফাতিহাৰ আয়োজন কৰা হয়। উল্লেখযোগ্য যে, ১৯৮৫ চনত স্থাপিত মুছলমান মহিলা সকলৰ আগশাৰীৰ সংগঠন উজনি অসম কিতাবি তালিম মহিলা মজলিছে সমগ্ৰ উজনি অসমৰ মুছলমান মহিলা সকলৰ ধৰ্মীয় বিশ্বাস আৰু নৈতিক শিক্ষাৰ ক্ষেত্ৰত বিশেষ পদক্ষেপ গ্ৰহণ কৰি আহিছে। আজি অনুষ্ঠিত হোৱা এই চিৰাতুন নবীৰ অনুষ্ঠানত উজনি অসম কিতাবি তালিম মহিলা মজলিছৰ আমিৰ চৈয়দা আঞ্জুমান ৰেহমান আলমে কয় যে, বিশ্বনবী হজৰত মহম্মদে প্ৰৱৰ্তন কৰা ইছলাম হৈছে বিশ্বৰ সৰ্বশ্ৰেষ্ঠ মানৱ ধৰ্ম। ই এক বিশুদ্ধ ধৰ্ম। ইছলামে ধৰ্মীয় ৰীতি-নীতিৰ জৰিয়তে সকলোকে আধ্যাত্মিক আৰু বিজ্ঞানসন্মত শিক্ষা প্ৰদান কৰি আহিছে। পুৰুষৰ সমানে মহিলা সকলেও যাতে নৈতিক আৰু আধ্যাত্মিক শিক্ষাৰে শিক্ষিত হ'ব পাৰে তাৰবাবে ইছলামৰ ধৰ্মীয় কিতাপ সমূহত বিস্তৃত ভাবে বৰ্ণনা কৰা হৈছে। এই কিতাবি তালিম অথবা শিক্ষাৰ জৰিয়তে আমি মুছলমান মহিলা সকলে শুদ্ধ পথ নিৰ্বাচন কৰি সফলতাৰে আগুৱাই যাব পাৰিম বুলি চৈয়দা আঞ্জুমান ৰেহমান আলমে মন্তব্য কৰে। এই চিৰাতুন নবী আৰু ফাতিহাৰ অনুষ্ঠানত শিৱসাগৰ ছোৱালী কলেজৰ উপাধ্যক্ষ গৰিকা দেৱী, বগীদল হাইস্কুলৰ প্ৰাক্তন অধ্যক্ষা চৈয়দা মুবিনা জামান আৰু শিৱসাগৰ পৌৰসভাৰ পৌৰসদস্যা জ্যোতি দত্তই মহিলা মজলিছৰ প্ৰসংশনীয় পদক্ষেপ সমূহৰ সফলতা কামনা কৰে। মহিলা মজলিছৰ আমিৰ চৈয়দা আঞ্জুমান ৰেহমান আলম আৰু সহকাৰী আমিৰ হাফিজুন নিছা বড়াৰ যুগ্ম পৌৰোহিত্যত অনুষ্ঠিত এই অনুষ্ঠানত ৩২ গৰাকী মহিলা হজযাত্ৰীক বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানৰ শেষত মহিলা মজলিছৰ উপদেষ্টা চৈয়দা ইৰা আনহাৰে শলাগ জ্ঞাপন কৰে।

বিশ্ব দৃষ্টি দিৱসত গেৰুৱাত ১১ যুৱকে মৰনোত্তৰ দেহ দান কৰি দেখুৱালে মহানুভৱতা

কথাৰে নহয় কামেৰে মানুহে মানুহৰ বাবে হোৱাৰ অনন্য নিদৰ্শন

তিনি শতাধিক জ্যেষ্ঠ লোকৰ চকু পৰীক্ষা; পাঁচ শতাধিক ছাত্ৰ-ছাত্ৰীৰ চকু স্কেনিং

অসম বাৰ্তা, ভূৰাগাঁও, ১০ অক্টোবৰ ঃ আজি ২৭ সংখ্যক বিশ্ব দৃষ্টি দিৱস উপলক্ষে মৰিগাঁও জিলাৰ গেৰুৱাত ১১ গৰাকী যুৱকে মৰণোত্তৰভাৱে দেহ দান কৰি সমাজলৈ অনন্য চানেকি দাঙি ধৰে। ইয়াৰ সমান্তৰাল কৈ এজনে নেত্ৰ দান কৰে। উল্লেখ্য যে আজি ২৭ সংখ্যক বিশ্ব দৃষ্টি দিৱস উপলক্ষে শ্ৰীমন্ত শংকৰদেৱ সংঘ, মৰিগাঁও জিলাৰ গেৰুৱা শংকৰ-মাধৱ আঞ্চলিকৰ সেৱা বাহিনী আৰু গেৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহযোগত এটি বিনামূলীয়া চকুৰ চানিপৰা অস্ত্ৰোপচাৰ শিবিৰ অনুষ্ঠিত কৰা হৈছিল। গেৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বাকৰিত অনুষ্ঠিত এই অনুষ্ঠানতে ইলোৱা বিজ্ঞান কেন্দ্ৰৰ নেতৃত্বৰ উপস্থিতিত মানৱতাৰ অনন্য দৃষ্টান্ত দাঙি ধৰি ১১জন লোকে, মৰনোত্তৰ দেহ দান কৰে। এইসকলৰ ভিতৰত সৰহ সংখ্যকে যুৱক যুৱতী। দেহ দান কৰা সকল ক্ৰমে কমল বৰা, লক্ষ্মীৰাম বৰা, নৱজ্যোতি ডেকা, পিতাম্বৰ শইকীয়া, অমিয়বালা গগৈ শইকীয়া, দিপজ্যোতি শইকীয়া, সুৰেন ডেকা, হিমাংশু ভূঞা, পংকজ খাটনিয়াৰ, জিতুমনি কলিতা আৰু দিপাশা বৰুৱা। এই অনুষ্ঠানত ইলোৱা বিজ্ঞান মঞ্চৰ হৈ উপস্থিত থাকে সম্পাদক মনোজ ৰায়, কেন্দ্ৰীয় সমিতিৰ সদস্য মানবী শইকীয়াকে প্ৰমোখ্য কৰি ইলোৱাৰ কেবাজনো সদস্য। অনুষ্ঠানটিৰ সৈতে সংগতি ৰাখি এখন সজাগতা সভাও অনুষ্ঠিত কৰা হয়। সজাগতা সভাখন সঞ্চালনা কৰে মৰিগাঁও জিলা স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক ডাঃ শৈলেন্দ্ৰ বৰ্দ্ধন বৰাই। সভাখনি উদ্বোধন কৰে গেৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ বাবুল বৰাই। সজাগতা সভা খনত উপস্থিত থাকে ৰাষ্ট্ৰীয় অন্ধতা নিয়ন্ত্ৰণ কাৰ্যসূচীৰ জিলা প্ৰকল্প বিষয়া পিনাকী ভূষন মহন্তৰ লগতে চিকিৎসক বিমল পাটোৱাৰী, ডাঃ প্ৰীতি দাস, ডাঃ গৌতম দাস, লায়ন্স চকু চিকিৎসালয়'ৰ চিকিৎসক গোপীনাথ বৰুৱা, ফুনো বৰ্মন, ইমদাদ হুছেইন, ফাৰুক আব্দুল্লা আৰু প্ৰাণজিৎ দাস। সাংবাদিক প্ৰণৱ গোস্বামী, আবুল কালাম আৰু বিষ্ণু ডেকা আৰু বুবু নাথ। সজাগতা সভা খনত ভাষণ প্ৰসঙ্গত যুটীয়া স্বাস্থ্য সঞ্চালক গৰাকীয়ে কয়- বিশ্ব দৃষ্টি দিৱস (World Sight Day) হৈছে অন্ধতা আৰু দৃষ্টিহীনতা ৰোধ কৰাৰ লগতে চকুৰ যত্ন সম্পৰ্কে সমগ্ৰ বিশ্বজুৰি সচেতনতা বৃদ্ধি কৰাৰ বাবে পালন কৰা এটা গুৰুত্বপূৰ্ণ আন্তঃৰাষ্ট্ৰীয় দিৱস। দৃষ্টি দিৱসৰ মূল তাৎপৰ্য হৈছে দৃষ্টিহীনতা প্ৰতিৰোধৰ বাবে সজাগতা সৃষ্টি কৰা। মূলতঃ দৃষ্টিশক্তি সুৰক্ষিত ৰাখা আৰু যিবোৰ ৰোগ আগতীয়াকৈ চিকিৎসা কৰিলে অন্ধতা নিবাৰণ কৰিব পৰা যায় যেনে— ছানি পৰা, গ্লুক'মা, প্ৰতিসৰণ জনিত বিসংগতি আদিৰ বিষয়ে ৰাইজক সচেতন কৰা। ইফালে পিনাকীভূষন মহন্তই ভাষণ প্ৰসঙ্গত কয়, সময়মতে চকু পৰীক্ষা কৰালে বহু জটিল ৰোগৰ পৰা দৃষ্টিশক্তি ৰক্ষা কৰিব পৰা যায়। এই দিৱসে প্ৰতিগৰাকী ব্যক্তিক নিয়মীয়াকৈ চকু পৰীক্ষা কৰিবলৈ উৎসাহিত কৰে। সমাজৰ পিছপৰা আৰু প্ৰান্তীয় শ্ৰেণীৰ লোকসকলৰ বাবেও যাতে উন্নত আৰু সুলভ মূল্যে চকুৰ চিকিৎসা সেৱা উপলব্ধ হয়, তাৰ ওপৰত বিশ্বজুৰি গুৰুত্ব আৰোপ কৰা হৈছে। বৰ্তমান সময়ত পৰ্দা (Screen) ব্যৱহাৰ বৃদ্ধি পোৱাৰ ফলত শিশু আৰু কৰ্মৰত লোকসকলৰ চকুৰ সুৰক্ষা আৰু উপযুক্ত পোহৰ-পৰিৱেশৰ গুৰুত্ব অধিক বৃদ্ধি পাইছে। চকুক সুস্থ আৰু সুৰক্ষিত ৰাখিবলৈ সচেতনতাই হৈছে প্ৰথম পদক্ষেপ— সেয়াই এই দিৱসৰ মূল উদ্দেশ্য। আনহাতে উদ্বোধক বাবুল বৰাই কয়- পৃথিৱীৰ সেউজীয়া বোৰ, আকাশৰ সাতোৰঙী ৰামধেনুৰ ৰং বোৰ জীৱনৰ শেষ দিনটোলৈকে চোৱাৰ হেঁপাহ প্ৰতিজনজন লোকৰ অন্তৰত থাকে। আৰু সেই হেঁপাহ পূৰ্ণ কৰি জীৱন ধন্য কৰিবলৈ আমাৰ চকুযোৰৰ প্ৰতি আমি যত্ন লোৱা উচিত। ক্লাছৰ ছাত্ৰ এজনে ভালকৈ দেখা পোৱা নাই বুলি কলে আমি ঠাট্টা বিদ্ৰূপ নকৰি ছাত্ৰ জনৰ সেয়া চকুৰ ৰোগৰ আৰম্ভণি নেকি শ্ৰেণীৰ শিক্ষক জনেও সেই কথাত গুৰুত্ব দিব লাগে। সজাগতা সভাৰ অন্তত পুৱা ১১ বজাৰ পৰা অনুষ্ঠিত চকুৰ চানিপৰা ৰোগৰ পৰিক্ষা শিবিৰত দুই শতাধিক ৰোগীক পৰীক্ষা কৰি ৫০ জনৰো অধিক লোকক অষ্ট্ৰোপ্ৰচাৰৰ বাবে নিৰ্বাচিত কৰা হয়। উল্লেখ্য যে এই শিবিৰত চিনাক্ত হোৱা চকুৰ চানি পৰা ৰোগী সকলক অহা ১১ অক্টোবৰত বিনামূলীয়াকৈ অস্ত্ৰোপচাৰ কৰি চশমা দিয়াৰ ব্যৱস্থা কৰিছে বুলি ৰাষ্ট্ৰীয় অন্ধতা নিয়ন্ত্ৰণ কাৰ্যসূচীৰ জিলা প্ৰকল্প প্ৰবন্ধক পিনাকী ভূষণ মহন্তই জনাইছে। এই শিবিৰৰ অংশ হিচাপে গেৰুৱা উচ্চতৰ, মাধ্যমিক বিদ্যালয়ৰ ৫০০ ছাত্ৰ ছাত্ৰীৰ চকুৰ প্ৰাৰ্থমিক পৰীক্ষা কৰি চিকিৎসাৰ পৰামৰ্শ প্ৰদান কৰাৰ লগতে দৃষ্টিশক্তি কম বুলি চিন্হ্ত ছাত্ৰ ছাত্ৰী সকলক বিনামূলীয়া চশমা প্ৰদান কৰা হ'ব। তথা অনুষ্ঠানটোত গেৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ৰাজেন্দ্ৰ বৰদলৈকে ধৰি শ্ৰীমন্ত শংকৰ দেৱ সংঘৰ গেৰুৱা শংকৰ-মাধৱ আঞ্চলিক সেৱা বাহিনীৰ বিষয়ববীয়া সকল উপস্থিত থাকি সমগ্ৰ কাৰ্যসূচী পৰিচালনা কৰে। দেহ দান সন্দৰ্ভত প্ৰতিক্ৰীয়া প্ৰকাশ কৰি সেৱা বাহিনীৰ সদস্য দ্বীপ জ্যোতি শইকীয়াই কয় - আজি সেৱা বাহিনীৰো প্ৰতিষ্ঠা দিৱস। এনে এটা দিনত নিজৰ দেহ দান কৰি "মানুহে মানুহৰ বাবে" বোলা কাথাষাৰক যেন বাস্তৱ ৰূপ দিব পাৰিছো। আমাৰ দেহৰ এটা অংগই যদি কাৰোবাক জীৱন জিনাৰ হেঁপাহ পূৰ্ণ কৰে তাতকৈ সৌভাগ্য কি থাকিব পাৰে। এনেদৰে কয়।

ডিব্ৰুগড়ত বাঙালী যুৱ ছাত্ৰৰ মহালয়া উদ্‌যাপন সমিতিৰ মটক জনগোষ্ঠীৰ নেতা বিতোপন দুৱৰাক

"সমাজ কণ্ঠ বঁটা: বিশিষ্ট ব্যক্তিৰ অংশগ্ৰহণ

অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১০ অক্টোবৰ ঃ ডিব্ৰুগড়ত সদৌ অসম বাঙালী যুৱ ছাত্ৰ ফেডাৰেচনৰ জিলা সমিতিৰ উদ্যোগত আৰু ডিব্ৰুগড় জিলা মহালয়া উদ্‌যাপন সমিতি আৰু ডিব্ৰুগড়বাসী ৰাইজৰ সহযোগত অনুষ্ঠিত নালিয়াপুল ৰে'লৱে খেলপথাৰত আয়োজিত দুৰ্গা পূজা মহালয়া উদ্‌যাপন অনুষ্ঠানত' সমাজ কণ্ঠ বঁটা-২০২৬' প্ৰদান কৰে মটক জনগোষ্ঠীৰ যুৱ নেতা বিতোপন দুৱৰাক। ডিব্ৰুগড় জিলাৰ মোহনবাৰী তিতাডিমৰু ভিতৰুৱা গাঁও অঞ্চলত পৰা আহি ৰাইজৰ মাটি, ভাষা, সংস্কৃতি লগতে বিভিন্ন জাতি জনগোষ্ঠীৰ মানুহৰ মাজত সংপৃক্ত হৈ ৰাইজৰ মৰম জয় কৰিবলৈ সক্ষম হৈছে দুৱৰা। অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত আছিল লাহোৱাল সমষ্টিৰ প্ৰাক্তন বিধায়ক তথা ভাৰতীয় জনতা পাৰ্টিৰ ৰাজ্যিক সাধাৰণ সম্পাদক ঋতুপৰ্ণ বৰুৱা, অসম চিকিৎসা মহাবিদ্যালয়ৰ প্ৰাক্তন অধীক্ষক তথা লখিমপুৰ চিকিৎসা মহাবিদ্যালয়ৰ শৰীৰতত্ত্ব বিভাগৰ মুৰব্বী অধ্যাপক ডাঃ ইন্দ্ৰনাথ চুতীয়া, ডিব্ৰুগড় পৌৰ নিগমৰ মেয়ৰ ডাঃ সৈকত পাত্ৰ, সাংবাদিক মুক্তামণি হাজৰিকা, সাংবাদিক হোমেন ফুকনসহ বহু গণ্য-মান্য ব্যক্তি সকল উপস্থিত আছিল। বঁটা গ্ৰহণ কৰি সমাজকৰ্মী, যুৱনেতা বিতোপন দুৱৰাই কয়-"এই বঁটা মোৰ বাবে কেৱল সন্মান নহয়, এক ডাঙৰ দায়িত্ব। ৰাইজে মোক যি মৰম দিছে, তাৰ ঋণ মই কেতিয়াও পৰিশোধ কৰিব নোৱাৰিম। মাটি আৰু মানুহৰ বাবে মোৰ কণ্ঠ সদায় জীয়াই থাকিব।" অনুষ্ঠানত হাজাৰো অধিক ৰাইজৰ উপস্থিতিয়ে মহালয়া উদযাপনক এক উৎসৱমুখৰ পৰিৱেশ প্ৰদান কৰে।



৮০৪ গৰাকী আশা কৰ্মী আৰু ছুপাৰভাইজাৰক এককালীন উদগনি আৰু সন্মান প্ৰদান

বঙাইগাঁৱত 'সেৱা সংকল্প অভিযান

অসম বাৰ্তা, বঙাইগাঁও সদৰ, ১০ অক্টোবৰ ঃ সম্প্ৰদায়ভিত্তিক স্বাস্থ্যসেৱালৈ আগবঢ়োৱা নিষ্ঠাপূৰ্ণ সেৱা, প্ৰতিশ্ৰুতি আৰু অমূল্য অৱদানৰ স্বীকৃতিস্বৰূপে 'সেৱা সংকল্প অভিযান'ৰ অধীনত বঙাইগাঁও জিলাৰ আশা (ASHA) কৰ্মী আৰু আশা ছুপাৰভাইজাৰসকলক এককালীন ১,০০০ টকাকৈ উদগনিৰ লগতে মাননিয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ স্বাক্ষৰিত প্ৰশংসাপত্ৰৰে সন্মানিত কৰা হয়। এই প্ৰশংসাপত্ৰ বিতৰণ সমাৰোহসমূহ বঙাইগাঁও জিলাৰ তিনিওটা বিধানসভা সমষ্টি— ১৬নং অভয়াপুৰী, ১৭ নং সৃজনগ্ৰাম আৰু ১৮ নং বঙাইগাঁৱত সফলতাৰে অনুষ্ঠিত কৰা হয়। এই কাৰ্যসূচীত মাননিয় বিধায়কসকল, স্বাস্থ্যসেৱাৰ যুটীয়া সঞ্চালক, খণ্ড উন্নয়ন বিষয়া (BDO), অন্যান্য বিশিষ্ট ব্যক্তি আৰু স্বাস্থ্য বিভাগৰ বিষয়াসকলে অংশগ্ৰহণ কৰে। এই স্বীকৃতি প্ৰদান কাৰ্যসূচীত জিলাখনৰ ৭৪০ গৰাকী আশা কৰ্মী আৰু ৬৪ গৰাকী আশা ছুপাৰভাইজাৰসহ সৰ্বমুঠ ৮০৪ গৰাকী আশা কৰ্মচাৰীক সামৰি লোৱা হয়। প্ৰতিজন নাগৰিকক ৰাজহুৱা স্বাস্থ্যসেৱা ব্যৱস্থাৰ সৈতে সংযোগ কৰা আৰু অত্যাৱশ্যকীয় স্বাস্থ্যসেৱা লাভত সহায় কৰাৰ দিশত তেওঁলোকৰ অক্লান্ত প্ৰচেষ্টাক এই এককালীন উদগনি আৰু প্ৰশংসাপত্ৰৰ জৰিয়তে স্বীকৃতি জনোৱা হৈছে। মাতৃ আৰু শিশুৰ স্বাস্থ্য, প্ৰতিষেধক প্ৰদান, পুষ্টি, পৰিয়াল পৰিকল্পনা, সংক্ৰামক আৰু অসংক্ৰামক ৰোগ তথা সময়মতে চিকিৎসা গ্ৰহণৰ গুৰুত্ব সম্পৰ্কে সজাগতা সৃষ্টি কৰি আশা কৰ্মীসকলে তৃণমূল পৰ্যায়ত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। ইয়াৰ উপৰিও তেওঁলোকে হিতাধিকাৰীসকলক স্বাস্থ্যসেৱা কেন্দ্ৰ আৰু চৰকাৰী স্বাস্থ্য কাৰ্যসূচীসমূহৰ সুবিধা লাভ কৰাত সহায় কৰে। আনহাতে, আশা ছুপাৰভাইজাৰসকলে এই কাৰ্যসূচীবোৰ অধিক শক্তিশালী কৰিবলৈ ক্ষেত্ৰ পৰ্যায়ত গুৰুত্বপূৰ্ণ পথ-প্ৰদৰ্শন, সমন্বয় আৰু পৰ্যবেক্ষণৰ দায়িত্ব পালন কৰি আহিছে। সেৱা সংকল্প অভিযান'ৰ অধীনৰ এই সম্বৰ্ধনা কাৰ্যসূচীয়ে স্বাস্থ্যকৰ্মীসকলক স্বীকৃতি আৰু সন্মান জনোৱাৰ গুৰুত্বক আলোকপাত কৰে, যাৰ উৎসৰ্গীকৃত সেৱা আৰু ৰাইজৰ সৈতে থকা প্ৰত্যক্ষ সম্পৰ্কই হ'ল প্ৰাথমিক স্বাস্থ্যসেৱাৰ মূল ভেটি। জিলাখনত স্বাস্থ্যসেৱাৰ মান উন্নত কৰাৰ বাবে অহোৰাত্ৰি কাম কৰি থকা এই স্বাস্থ্যকৰ্মীসকলক উৎসাহিত আৰু সহায় কৰাৰ প্ৰতিশ্ৰুতিক এনে ধৰণৰ প্ৰেৰণাই তেওঁলোকক যথেষ্ট উৎসাহিত কৰে। বঙাইগাঁও জিলা প্ৰশাসন আৰু জিলা স্বাস্থ্য সমিতিয়ে সকলো আশা কৰ্মী আৰু আশা ছুপাৰভাইজাৰৰ অৱদানক স্বীকাৰ কৰাৰ লগতে ৰাইজৰ সেৱাত তেওঁলোকৰ নীৰৱচ্ছিন্ন নিষ্ঠাৰ ভূয়সী প্ৰশংসা কৰে।

ই এম টি ৰাজু কুমাৰ দাস আৰু চালক অৰ্পণজ্যোতি হাজৰিকাৰ তৎপৰতাত নিৰাপদে জন্ম ৩.২ কেজি ওজনৰ নৱজাতকৰ

মাজুলীৰ বাটতে ১০৮ এম্বুলেঞ্চত সন্তান প্ৰসৱ

অসম বাৰ্তা, উজনী মাজুলী, ১০ অক্টোবৰ ঃ মাজুলীৰ ৰঙাচাহী মিচিং গাঁৱৰ এগৰাকী ২৬ বছৰীয়া গৰ্ভৱতী মহিলাই চিকিৎসালয়লৈ যোৱাৰ পথতে ১০৮ এম্বুলেঞ্চৰ ভিতৰত এটি সন্তান জন্ম দিয়ে। এম্বুলেঞ্চখনৰ ই এম টি কৰ্মী ৰাজু কুমাৰ দাস আৰু চালক অৰ্পণজ্যোতি হাজৰিকাৰ তাৎক্ষণিক তৎপৰতাত সম্পন্ন হয় প্ৰসৱ কাৰ্য। বৰ্তমান মাতৃ আৰু নৱজাতক দুয়োগৰাকী সুস্থ অৱস্থাত আছে। প্ৰাপ্ত তথ্য অনুসৰি, আজি ৰঙাচাহী মিচিং গাঁৱৰ সোণালী নৰহ নামৰ মহিলাগৰাকীক প্ৰসৱৰ বাবে ১০৮ এম্বুলেঞ্চযোগে গড়মূৰস্থিত শ্ৰীশ্ৰী পীতাম্বৰদেৱ গোস্বামী জিলা চিকিৎসালয়লৈ লৈ যোৱা হৈছিল। কিন্তু চিকিৎসালয়লৈ গৈ থকাৰ সময়তে মহিলাগৰাকীৰ প্ৰসৱবেদনা তীব্ৰতৰ হৈ পৰে। এনে জটিল পৰিস্থিতিত এম্বুলেঞ্চখনৰ ই এম টি কৰ্মী ৰাজু কুমাৰ দাস আৰু চালক অৰ্পনজ্যোতি হাজৰিকাই তৎপৰতা আৰু দক্ষতাৰে এম্বুলেঞ্চখনৰ ভিতৰতে প্ৰসৱ কাৰ্য সম্পন্ন কৰায়। মহিলাগৰাকীয়ে ৩ কিলোগ্ৰাম ২০০ গ্ৰাম ওজনৰ এটি নৱজাতক জন্ম দিয়ে। প্ৰসৱৰ পাছতে নৱজাতকসহ প্ৰসূতিগৰাকীক শ্ৰীশ্ৰী পীতাম্বৰদেৱ গোস্বামী জিলা চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। চিকিৎসালয়ত চিকিৎসকে দুয়োকে তাৎক্ষণিকভাৱে চিকিৎসা প্ৰদান কৰে। বৰ্তমান মাতৃ আৰু নৱজাতক দুয়োগৰাকী সুস্থ বুলি জানিব পৰা গৈছে। এই জটিল সময়ত সময়োচিত পদক্ষেপ গ্ৰহণ কৰি মাতৃ আৰু নৱজাতকৰ সুৰক্ষাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা ১০৮ এম্বুলেঞ্চৰ কৰ্মী দুগৰাকীক প্ৰসূতিগৰাকীৰ পৰিয়ালে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছে। উল্লেখযোগ্য যে, জৰুৰীকালীন সময়ত ১০৮ এম্বুলেঞ্চ সেৱা লাভ কৰাত পলম হোৱা সন্দৰ্ভত বিভিন্ন সময়ত অভিযোগ উত্থাপিত হৈ আহিছে। এনে পৰিস্থিতিৰ মাজতে ৰাজু কুমাৰ দাস আৰু অৰ্পনজ্যোতি হাজৰিকাৰ এই তৎপৰতাই জৰুৰীকালীন সেৱাত কৰ্মৰত কৰ্মীসকলৰ দায়বদ্ধতা, মানৱীয়তা আৰু সেৱাৰ মনোভাৱৰ এক ইতিবাচক নিদৰ্শন দাঙি ধৰিছে। সংকটৰ মুহূৰ্তত সময়োচিত সহায়ে যে এটি নতুন জীৱনৰ আগমনৰ পথ সুগম কৰিব পাৰে, এই ঘটনাই পুনৰ তাৰেই প্ৰমাণ দাঙি ধৰিছে।

১২ নং ৱাৰ্ড সদস্যক গৰিহণা নাগৰিক সমাজৰ

গোলাঘাটত ড্ৰাগছ বিৰোধী সজাগতা সভা

অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ১০ অক্টোবৰ ঃ গোলাঘাট নগৰত দিনক দিনে বৃদ্ধি পাবলৈ ধৰিছে মাৰাত্মক ড্ৰাগছৰ প্ৰচলন। যাৰ প্ৰতি লক্ষ্য ৰাখি গোলাঘাট নাগৰিক সমাজৰ উদ্যোগত নগৰৰ প্ৰতিটো ৱাৰ্ডৰ বাসিন্দা সকলক মাৰাত্মক ড্ৰাগছৰ বিৰুদ্ধে থিয় দিবলৈ আহ্বান জনায় আজি ১২ নং ৱাৰ্ডৰ বক্সিং ক্লাবৰ চৌহদত এখন ৰাজহুৱা সভা অনুষ্ঠিত কৰে। সমাজৰ সভাপতি কিশোৰ কুমাৰে দত্তৰ সভাপতিত্বত অনুষ্ঠিত হোৱা ড্ৰাগছ বিৰোধী সজাগতা সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে মঞ্চৰ বিষয়ববীয়া ৰবীন হাজৰিকাই। ড্ৰাগছৰ ভয়াবহতাৰ বিষয়ে বিতংভাৱে আলোকপাত কৰে সমাজৰ সাধাৰণ সম্পাদক নিকুমণি দত্ত আৰু কাৰ্যকৰী সভাপতি সঞ্জীৱ সন্দিকৈয়ে। দুইজন বিষয়ববীয়া শেহতীয়াকৈ গোলাঘাট নগৰত ড্ৰাগছ আসক্তই কেইবাটাও ভয়ংকৰ ঘটনা সংঘটিত কৰাৰ কথা উল্লেখ কৰাৰ লগতে বছৰৰ প্ৰথম দিনটোতে নিচাসক্ত কেইজনমান যুৱকে এজন নিৰীহ লোকক হত্যা কৰাৰ উপৰিও কেইবাজনো ড্ৰাগছ আসক্ত যুৱকৰ ইতিমধ্যে মৃত্যু হৈছে। যাৰ বাবে ৰাইজে এই ক্ষেত্ৰত সজাগ আৰু সচেতন হ'বলৈ সকলোকে আহ্বান জনায়। সভাত অঞ্চলটোৰ ভালেসংখ্যক গণ্যমান্য ব্যক্তি উপস্থিত থাকে। আনহাতে বং ক্লাবৰ চৌহদৰ নতুনকৈ নিৰ্মাণ কৰা এখন ৰাজহুৱা ভৱনত এই সভাখন অনুষ্ঠিত কৰাৰ কথা আছিল যদিও ১২ নং ৱাৰ্ডৰ ৱাৰ্ড সদস্যগৰাকীয়ে উক্ত সভাগৃহৰ গেটত তলা লগাই দিয়াত তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে সমাজৰ কাৰ্যকৰী সভাপতি সঞ্জীৱ সন্দিকৈয়ে। ৱাৰ্ড সদস্য গৰাকীৰ এনে কাৰ্যক গৰিহণা জনোৱাৰ লগতে ড্ৰাগছ সৰবৰাহকাৰীৰ সৈতে ৱাৰ্ড সদস্যগৰাকীৰ কিবা বুজাবুজি আছেনেকি বুলি প্ৰশ্ন উত্থাপন কৰে।

৫০ ফুট উচ্চতাৰ ৰাৱন দহন

খৈৰাবাৰী শ্ৰীৰাম জানকী বাপুজী আশ্ৰমত নৱৰাত্ৰি উদ্‌যাপনৰ ব্যাপক প্ৰস্তুতি

অসম বাৰ্তা, খৈৰাবাৰী, ১০ অক্টোবৰ ঃ ৰাইজৰ একান্ত আস্থা আৰু বিশ্বাসৰ স্থলি ওদালগুৰি জিলা খৈৰাবাৰীৰ শ্ৰীৰাম জানকী বাপুজী আশ্ৰমত বিগত বছৰ সমূহৰ দৰে এইবুলিও অহা ২৩ আহিন ১১ অক্টোবৰৰ পৰা ৩ কাতি ২১ অক্টোবৰলৈ জাক-জমকতাৰে অনুষ্ঠিত হব নৱৰাত্ৰি মহোৎসৱ। সেই উপলক্ষে ইতিমধ্যে ৰভা মঞ্চ ৰাৱণ দহনৰ মূৰ্তি আটক ধুনীয়াকৈ সজাই পৰাই তুলিছে নৱৰাত্ৰি উদ্‌যাপন সমিতিৰ বিষয়ববীয়া সভাপতি হেমন্ত কুমাৰ দাস, উপ সভাপতি লম্বোধৰ ৰাভা, মদন ৰাভা, সম্পাদক জিতু শৰণীয়া সহকাৰী সম্পাদক দিগন্ত বসুমতাৰীৰ লগতে শ্ৰীৰাম জানকী বাপুজী আশ্ৰম পৰিচালনা সমিতিৰ সভাপতি হেমন্ত দাস, সম্পাদক ভাস্কৰজ্যোতি দাসৰ লগতে সমূহ বিষয়ববীয়াসকলে। বিশাল আয়োজনেৰে নৱৰাত্ৰি উৎসৱত ১১ অক্টোবৰত শ্ৰীশ্ৰীদুৰ্গা দেৱীৰ শৈল্যপুত্ৰী ৰূপে পূজা আৰম্ভ কৰিব, ইয়াৰ পিচতে বন্তি প্ৰজ্বলন, ধৰ্মধ্বজা উত্তোলন আৰু নাগাৰা নাম পৰিৱেশন কৰিব। ইয়াৰ উপৰিও গীত-নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত হব। লগতে বিশেষ ভাবে সাংস্কৃতিক সন্ধিয়াত কণ্ঠশিল্পী মৃনাল ৰাজ আৰু মিণ্টু ৰাজৰ গীতৰ শৰাই আগবঢ়াব। নৱৰাত্ৰি মহোৎসৱৰ বিশেষ আকৰ্ষন ৰাৱন দহন কৰিব ৪৮ নং টংলা বিধান সভা সমষ্টিৰ বিধায়ক বিকণ চন্দ্ৰ ডেকাই। আমন্ত্ৰিত অতিথিৰ আসন অলংকৃত কৰিব ৪৫ নং ভেৰগাওঁ বিধান সভা সমষ্টিৰ বিধায়ক মহেশ্বৰ বড়ো, মীন উন্নয়ন নিগমৰ অধ্যক্ষ গুৰুজ্যোতি দাস, খৈৰাবাৰী ৰাজহ চক্ৰ বিষয়া, খৈৰাবাৰী খণ্ড উন্নয়ন বিষয়া, খৈৰাবাৰী আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াৰ লগতে বহু সংখ্যক বিশিষ্ট সমাজ সেৱক উপস্থিত থাকিব। উক্ত সকলো কাৰ্য্যসুচীত ৰাইজৰ দিহা-পৰামৰ্শৰ লগতে সহায় সহযোগিতা কামনা কৰিছে উদযাপন সমিতিৰ বিষয়ববীয়া সকলে।

সভাপতি হিচাপে বুধিন শইকীয়া আৰু সাধাৰণ সম্পাদক হিচাপে দিম্পল বৰা নিৰ্বাচিত

মাজুলী জিলা চুতীয়া ছাত্ৰ সন্থাৰ নতুন পূৰ্ণাংগ সমিতি গঠন

অসম বাৰ্তা, উজনী মাজুলী, ১০ অক্টোবৰ ঃ অসমৰ সাংস্কৃতিক প্ৰাণকেন্দ্ৰ মাজুলীত জাতিটোৰ স্বাৰ্থ ৰক্ষা আৰু ছাত্ৰ সমাজক একত্ৰিত কৰাৰ এক গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে আজি মাজুলী জিলা চুতীয়া ছাত্ৰ সন্থাৰ এখনি নতুন পূৰ্ণাংগ জিলা সমিতি গঠন কৰা হয়। লুইতপৰীয়া গাঁও পঞ্চায়ত কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত এই গুৰুত্বপূৰ্ণ প্ৰতিনিধি সভাই মাজুলীৰ ছাত্ৰ আন্দোলনক নতুন গতি প্ৰদান কৰিব বুলি আশা কৰা হৈছে। চুতীয়া উন্নয়ন পৰিষদ অসমৰ মাজুলীৰ সদস্য উমেশ শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত হোৱা এই সভাখন সুন্দৰভাৱে পৰিচালনা কৰে অৰুণ শইকীয়াই। সভাত মুখ্য পৰ্যবেক্ষক হিচাপে উপস্থিত থাকি সদৌ অসম চুতীয়া ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক ৰাজু চুতীয়া, সহকাৰী সাধাৰণ সম্পাদক ৰূপজ্যোতি বৰা আৰু সাংগঠনিক সম্পাদক ৰাজেন বৰাই ছাত্ৰ সমাজক দিকদৰ্শন ভাষণ প্ৰদান কৰে। সভাত সদৌ অসম চুতীয়া ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক ৰাজু চুতীয়াই নিজৰ বক্তব্যত জাতিৰ স্বাৰ্থ ৰক্ষাৰ ক্ষেত্ৰত ছাত্ৰ সন্থাৰ ঐতিহাসিক ভূমিকা আৰু ভৱিষ্যৎ কৰ্মপন্থাৰ ওপৰত বিশদভাৱে আলোকপাত কৰে। তেওঁ ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক উত্তৰণৰ লগতে সামাজিক আৰু সাংস্কৃতিক দিশবোৰ শক্তিশালী কৰাৰ ওপৰতো বিশেষ গুৰুত্ব আৰোপ কৰে। অনুষ্ঠানত আন বহুকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত আছিল, যাৰ ভিতৰত চুতীয়া যুৱ সন্মিলন মাজুলী জিলা সমিতিৰ সাধাৰণ সম্পাদক জয়ন্ত শইকীয়া, কাৰ্যকৰী সভাপতি প্ৰাঞ্জল ৰাজখোৱা আৰু মাজুলী জিলা চুতীয়া ছাত্ৰ সন্থাৰ প্ৰাক্তন সাধাৰণ সম্পাদক লক্ষ্যজিত শইকীয়া অন্যতম। তেওঁলোকৰ উপস্থিতি আৰু মূল্যবান পৰামৰ্শই সভখনক অধিক গাম্ভীৰ্য প্ৰদান কৰে। সভাত উপস্থিত সমূহ বিষয়ববীয়া আৰু প্ৰতিনিধিৰ সৰ্বসন্মতি ক্ৰমে মাজুলী জিলা চুতীয়া ছাত্ৰ সন্থাৰ দায়িত্বভাৰ অৰ্পণ কৰা হয়। নতুন সমিতিত সৰ্বসন্মতিক্ৰমে সভাপতি হিচাপে বুধিন শইকীয়া, সাধাৰণ সম্পাদক হিচাপে দিম্পল বৰা নিৰ্বাচিত হয়। সভাৰ শেষৰ পৰ্যায়ত সদৌ অসম চুতীয়া ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক ৰূপজ্যোতি বৰাই নৱ-নিৰ্বাচিত সকলো বিষয়ববীয়াক দায়িত্ববোধ আৰু নিষ্ঠাৰে কাম কৰাৰ পণ লৈ গম্ভীৰ পৰিৱেশত শপত বাক্য পাঠ কৰায়। এই নতুন সমিতিয়ে মাজুলীৰ চুতীয়া ছাত্ৰ-ছাত্ৰীসকলৰ অধিকাৰ আৰু সকলোৰে বিকাশৰ বাবে নিষ্ঠাৰে কাম কৰি যাব বুলি সভাত আশা ব্যক্ত কৰা হয়।

কবি, সাহিত্য কৰ্মী স্বাগতা বৰাক সদৌ অসম মহিলা সাংবাদিক সংস্থাৰ 'সমাজ সাধনা বঁটা' প্ৰদান

অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ১০ অক্টোবৰ ঃ বিশিষ্ট লেখক, কবি পশ্চিম গোলাঘাটশাখা সাহিত্য সভাৰ সম্পাদক গোলাঘাটৰ স্বাগতা বৰাক সদৌ অসম মহিলা সাংবাদিক সংস্থাই আজি 'সমাজ সাধনা বঁটা' প্ৰদান কৰে। সদৌ অসম মহিলা সাংবাদিক সংস্থাৰ সভানেত্ৰী অলকা বৰুৱাৰ পৌৰোহিত্যত গুৱাহাটী প্ৰেছক্লাবত আয়োজিত সংস্থাৰ বিশেষ সভা আৰু গাম্ভীৰ্যপূৰ্ণ সম্বৰ্ধনা অনুষ্ঠানত উক্ত বঁটা প্ৰদান কৰা হয়। সাংবাদিক সংস্থাৰ সাধাৰণ সম্পাদিকা মাইনু খনিকৰে উদ্দেশ্যে ব্যাখ্যা কৰা আৰু সাংবাদিক, কবি ৰশ্মিৰেখা সাউদ কলিতাই সাৱলীলভাৱে আঁত ধৰা আড়ম্বৰপূৰ্ণ আনুষ্ঠানত জনপ্ৰিয় অভিনেত্ৰী আকাশী তৰা মুখ্য অতিথি হিচাপে উপস্থিত থাকি



আনুষ্ঠানিকভাৱে 'সমাজ সাধনা বঁটা' প্ৰদান কৰে। অনুষ্ঠানত সদৌ অসম মহিলা সাংবাদিক সংস্থাৰ প্ৰতিষ্ঠাপক সাধাৰণ সম্পাদিকা ৰীণা কটকীকে ধৰি সংগঠনটোৰ বিষয়ববীয়া, সদস্য সকল উপস্থিত থাকে। উল্লেখ্য যে, বঁটা প্ৰাপক স্বাগতা বৰাই পশ্চিম গোলাঘাট শাখা সাহিত্য সভাৰ সম্পাদক হিচাপে অগ্ৰনী নেতৃত্ব প্ৰদান কৰি অহাৰ লগতে সামাজিক, সাংস্কৃতিক ক্ষেত্ৰখনৰ উত্তৰণ আৰু বিকাশৰ বাবে নিঃস্বাৰ্থভাৱে সেৱা আগবঢ়াই আছে। সদৌ অসম মহিলা সাংবাদিক সংস্থাৰ উক্ত বঁটা লাভ কৰাৰ বাবে পশ্চিম গোলাঘাট শাখা সাহিত্য সভাৰ সভাপতি ড° পুতুল চন্দ্ৰ শইকীয়া, শাখাৰ প্ৰতিষ্ঠাপক তথা জ্যেষ্ঠ সাংবাদিক দিগন্ত কুমাৰ ভূঞা, আন্তৰিক আদৰণি জনাইছে।

গোলাঘাটত বিশ্ব মানসিক স্বাস্থ্য দিৱস পালন

অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ১০ অক্টোবৰ ঃ আজি বিশ্ব মানসিক স্বাস্থ্য দিৱস (world mental health day) উপলক্ষে গোলাঘাট জিলা আইন সেৱা প্ৰাধীকৰণৰ সহযোগত এখন সজাগতা সভা গোলাঘাট নগৰৰ চন্দন নগৰ যুৱ সংঘত অনুষ্ঠিত হৈ যায়। এই সভাত বিশিষ্ট মনোৰোগ বিশেষজ্ঞ ডাঃ দিগন্ত দাস, ডাঃ বৰ্ষা বৰুৱা, আইনৰ সহযোগী হিচাপে ৰাহুল লোচন বৰা সমল ব্যক্তিৰূপে উপস্থিত থাকি বিষয়বস্তুৰ ওপৰত বক্তব্য ৰাখে। জিলা আইন প্ৰাধিকৰণৰ স্বেচ্ছাসেৱকদ্বয় গৌৰৱ দাস আৰু টুটুমণি ফুকনে আয়োজন কৰা সজাগতা সভাখনত বিশিষ্ট শিক্ষাবিদ টকেশ্বৰ পাঠকৰ লগতে অঞ্চলটোৰ বহু সংখ্যক ৰাইজ উপস্থিত আছিল।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☎ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶

◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta •

● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন